● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপোনাক প্ৰতিটো ক্ষেত্ৰতে পৰিকল্পনাৰ প্ৰয়োজন নাই। কেতিয়াবা কেৱল দীৰ্ঘশ্বাস লওক, বিশ্বাস ৰাখক আৰু চাওক কি হয়গৈ।

মেণ্ডি হেল
*মাৰ্কিন লেখক*



www.dainikagradoot.in

৭ ব্ৰিটিছ প্ৰধানমন্ত্ৰী হোৱাৰ দৌৰত এখোজ অগ্ৰসৰ ঋষি
১৫ আজি শৃংখলা জয় নিশ্চিত কৰিব ভাৰতে!
৪ এলাগীৰ দিশে আইৰ মুখৰ ভাষাটো

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭৪তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২৯ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৪ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 14 July 2022 মূল্য ঃ ৯.০০ টকা

■ দাৰ্জিলিংৰ ৰাজভৱনলৈ আমন্ত্ৰণ দুই মুখ্যমন্ত্ৰীক ■ দ্ৰৌপদী মুৰ্মুক সমৰ্থনৰ বাবে তৃণমূল নেত্ৰীক সৈমান নিয়াবলৈ চেষ্টা কৰা বুলি জল্পনা-কল্পনা ঃ সৌজন্যমূলক সাক্ষাৎ বুলি জনালে বংগৰ নেত্ৰীয়ে

# হঠাৎ মমতা-হিমন্তৰ সাক্ষাতক লৈ চৰ্চা



*পশ্চিমবংগৰ ৰাজ্যপাল জগদীপ ধনখড় আৰু মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ স'তে ড° হিমন্ত বিশ্ব শৰ্মা, দাৰ্জিলিঙত।*

৪০ মিনিট ধৰি আলোচনা ■ অসমৰ স'তে পশ্চিমবংগই নিয়মিত যোগাযোগ ৰখা উচিত

■ নিউজ ব্যুৰ'
**দাৰ্জিলিং/কলকাতা, ১৩ জুলাই ঃ** দাৰ্জিলিঙত হঠাতে উপস্থিত হ'ল অসম আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীদ্বয় ক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মা আৰু মমতা বেনাৰ্জী। দুই মুখ্যমন্ত্ৰীৰ সাক্ষাৎ আৰু বৈঠকো অনুষ্ঠিত হ'ল। পশ্চিমবংগৰ ৰাজ্যপাল জগদীপ ধনখড়ৰ আমন্ত্ৰণ মৰ্মে দাৰ্জিলিঙৰ ৰাজভৱনত দুই মুখ্যমন্ত্ৰীৰ উপস্থিতি আৰু আলোচনাক লৈ আৰম্ভ হৈছে নানা জল্পনা-কল্পনা। বিজেপিৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু এই আলোচনাৰ বিষয়বস্তু বুলিও দিনজোৰা চৰ্চা অব্যাহত থাকে। সূত্ৰত প্ৰকাশ যে দ্ৰৌপদীৰ বিজয়ক লৈ বিজেপি নেতৃত্বাধীন শাসক পক্ষৰ হাতত পৰ্যাপ্ত শক্তি থাকিলেও বিজেপিয়ে অভিলেখ সংখ্যক ভোটত জয়ী হ'ব বিচাৰিছে। সেয়েহে বিৰোধী শিবিৰৰ বহু দলকে দ্ৰৌপদীৰ পক্ষলৈ অনাৰ কুচকাৱাজত লিপ্ত হৈছে বিজেপি শিবিৰ। ইতিমধ্যে মহাৰাষ্ট্ৰত সদ্যপ্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ শিৱসেনাই বিজেপিৰ প্ৰাৰ্থীগৰাকীকে সমৰ্থন দিব বুলি ঘোষণা কৰাৰ পাছতে মমতা বেনাৰ্জীৰ প্ৰসংগও উত্থাপন হয়। মমতাই দ্ৰৌপদীক সমৰ্থন জনাব নেকি বুলিও চৰ্চা আৰম্ভ হয়। সেয়েহে আজি মুখ্যমন্ত্ৰী শৰ্মাৰ স'তে হোৱা বৈঠকৰ পাছত এনে জল্পনা-কল্পনা অধিক গাঢ় হৈছে। জিটিএৰ শপতগ্ৰহণত অংশগ্ৰহণৰ *১০ পৃষ্ঠাত চাওক*

■ অগ্নিগৰ্ভ শ্ৰীলংকাত জৰুৰীকালীন অৱস্থা ঘোষণা ■ গণ বিক্ষোভৰ মাজতে অন্তৰ্ৱৰ্তী ৰাষ্ট্ৰপতিৰ দায়িত্ব ল'লে বিক্ৰমসিংঘেই ■ ভাৰতত আশ্ৰয় বিচাৰি বিমুখ পলাতক ৰাষ্ট্ৰপতি

## দেশ এৰি মালদ্বীপলৈ পলায়ন ৰাজাপক্ষৰ

■ নিউজ ব্যুৰ'
**কলম্বো, ১৩ জুলাই ঃ** গণৰোষৰ পৰা পৰিত্ৰাণ পাবলৈ অৱশেষত দেশ এৰি পলায়ন কৰি শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই। দেশক জ্বলন্ত অগ্নিশিখাত পৰিণত কৰি সেনাবাহিনীৰ সহায়ত পত্নীসহ সুৰক্ষিত স্থানলৈ ধাৱমান হ'ল নিজকে গণনেতা বুলি দাবী কৰা ৰাজাপক্ষই। তেওঁৰ অনুপস্থিতিত প্ৰধানমন্ত্ৰী ৰণিল বিক্ৰমসিংঘে অন্তৰ্ৱৰ্তীকালীন ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ কৰে যদিও তেৰোঁ বিক্ষোভকাৰীসকলৰ ভাবুকিৰ লক্ষ্য হৈ আছে। এই পৰিপ্ৰেক্ষিতত অহা ২০ জুলাইত দ্বীপ ৰাষ্ট্ৰখনৰ নতুন ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হ'ব বুলি সদৰী কৰে দেশৰ সংসদৰ অধ্যক্ষ মাহিন্দা য়াপা আৰেয়াবৰ্ধনে। তেওঁ কয় যে ৰাষ্ট্ৰপতি ৰাজাপক্ষই প্ৰতিশ্ৰুতি অনুসৰি আজিয়ে পদত্যাগপত্ৰ প্ৰেৰণ কৰিছে। তেওঁ লগতে এই *১০ পৃষ্ঠাত চাওক*



দৰং মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে আহি

## তেজপুৰত উৎকট গৰমত আকস্মিক মৃত্যু ছাত্ৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৩ জুলাই ঃ** উৎকট গৰমৰ ফলত আজি দৰং মহাবিদ্যালয়ত স্নাতক শ্ৰেণীৰ নামভৰ্তিৰ বাবে অহা এজন ছাত্ৰৰ মৃত্যু হয়। সদ্য ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে যোগ্যতাৰ ভিত্তিত নিজৰ নাম তালিকাভুক্ত *১০ পৃষ্ঠাত চাওক*

## দুমাহৰ অন্তত বৰাকলৈ মালবাহী ৰেল চলাচল আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** দুমাহৰ অন্তত আজিৰে পৰা উত্তৰ-পূব সীমান্ত ৰেলৱেই বৰাক উপত্যকালৈ পুনৰ মুকলি কৰিছে ৰেল যাতায়াত। প্ৰাকৃতিক দুৰ্যোগৰ ফলত দীৰ্ঘদিন বন্ধ হৈ থকা লামডিং আৰু বদৰপুৰৰ মাজত আজি মালবাহী ৰেল চলাচল সেৱা মুকলি কৰা হয়। *১০ পৃষ্ঠাত চাওক*

দুমাহ পূৰ্বে আবদ্ধ হৈছিল বিবাহপাশত

## অত্যধিক ড্ৰাগছ সেৱন কৰি নগাঁৱত যুৱকৰ মৃত্যু



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৩ জুলাই ঃ** নগাঁৱত ড্ৰাগছ সেৱন অন্যতম জটিল সমস্যা হৈ পৰিছে। এই *১০ পৃষ্ঠাত চাওক*

মহানগৰীত সৰৱ বিৰোধীৰ ঐক্যমতৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী যশৱন্ত সিনহা ■ চৰকাৰী পক্ষই সংবিধানৰ ওপৰতে আক্ৰমণ চলাইছে

## ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'লে নাগৰিকত্ব আইন ৰূপায়ণ কৰিবলৈ নিদিও

অন্তৰাত্মাৰ ধ্বনি শুনি আৰু বিবেক প্ৰয়োগ কৰিবলৈ আহ্বান



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'লে দেশত নাগৰিকত্ব সংশোধনী আইন যাতে বলৱৎ নহয় সেই কথা নিশ্চিত কৰিব বুলি আজি প্ৰতিশ্ৰুতি প্ৰদান কৰে ৰাষ্ট্ৰপতি পদৰ বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী যশৱন্ত সিন্‌হাই। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সিন্‌হাই কয় যে বিজেপি চৰকাৰে আইনখন এই পৰ্যন্ত ততাতৈয়াকৈ ৰূপায়ণ কৰিবলৈ সমৰ্থ *১০ পৃষ্ঠাত চাওক*

প্ৰাপ্তবয়স্কৰ বাবে ক'ভিডৰ বুষ্টাৰ

## প্ৰতিষেধক প্ৰদানৰ বিশেষ অভিযান

৭৫ দিনীয়া বিনামূলীয়া অভিযান কেন্দ্ৰৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৩ জুলাই ঃ** এক বিশেষ অভিযানৰ জৰিয়তে চৰকাৰী কেন্দ্ৰসমূহত অহা ৭৫ দিন ধৰি সকলো প্ৰাপ্তবয়স্কই লাভ কৰিব ক'ভিডৰ বিনামূলীয়া বুষ্টাৰ প্ৰতিষেধক। এই তৃতীয় পালি প্ৰতিষেধক প্ৰদানৰ গতি তৰান্বিত কৰিবলৈ কেন্দ্ৰই ব্যৱস্থা লৈছে। এই পৰ্যন্ত ১৮ৰ পৰা ৫৯ বয়সৰ ৭৭ কোটি নিৰ্ধাৰিত *১০ পৃষ্ঠাত চাওক*

■ জৰুৰী অৱস্থা-ৰাষ্ট্ৰপতিৰ পলায়নক লৈ উদ্বিগ্ন ভাৰত চৰকাৰ

## শ্ৰীলংকা অভিমুখী ১২০খন বিমানৰ অৱতৰণ কেৰালাৰ বিমানকোঠত

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৩ জুলাই ঃ** শ্ৰীলংকাত এতিয়া জৰুৰীকালীন অৱস্থা। নজিৰবিহীন অৰ্থনৈতিক দুৰ্দশাত ভোগা দেশৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই মালদ্বীপলৈ ইতিমধ্যে পলায়ন কৰিছে। ভাৰত চৰকাৰে আজি কয় যে শ্ৰীলংকাৰ পৰিস্থিতি অতিশয় স্পৰ্শকাতৰ আৰু প্ৰয়োজনৰ সময়ত সহায়ৰ হাত আগবঢ়াবলৈ সাজু আছে ভাৰত। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি তিৰুৱনন্তপুৰম আৰু কোচি বিমানকোঠক সংকটগ্ৰস্ত ৰাষ্ট্ৰখনক সীমাৰ বাহিৰলৈ গৈ সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ধন্যবাদ জনায়। শ্ৰীলংকা অভিমুখী ১২০ৰো অধিক বিমানক আজি কেৰালাৰ এই দুটা বিমানকোঠত অৱতৰণ কৰিবলৈ দিয়াৰ বাবে সিন্ধিয়াই ধন্যবাদ জনাই কয় যে ইয়াৰ দ্বাৰা দুই ৰাষ্ট্ৰৰ মাজত বন্ধুত্বৰ এনাজৰী অধিক দীঘলীয়া হ'ল।

চিকিৎসাধীন কমেও ১০জনকৈ ৰোগী

## নলবাৰীত জে ইৰ প্ৰাদুৰ্ভাৱ, এই পৰ্যন্ত পাঁচজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৩ জুলাই ঃ** নলবাৰী জিলাত প্ৰলয়ংকৰী বানৰ বিভীষিকাৰ পাছত শেহতীয়াকৈ জাপানী এনকেফেলাইটিছ (জে ই) ৰোগৰ প্ৰাদুৰ্ভাৱে সৰ্বস্তৰৰ লোকক চিন্তিত কৰি তুলিছে। ইতিমধ্যে এই *১০ পৃষ্ঠাত চাওক*

■ সীমান্তৱৰ্তী আপাৰ তাৰাবাৰীত উত্তেজনা অব্যাহত ঃ আশ্ৰয় শিবিৰতে আছে ভুক্তভোগী

## অসম-মেঘালয়ৰ আৰক্ষীৰ মধ্যস্থতাত শান্তি সমিতি



**অগ্ৰদূত বাৰ্তা**
**বকো, ১৩ জুলাই ঃ** প্ৰাণৰ মমতাত অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ আপাৰ তাৰাবাৰীৰ পৰা স্ব-গৃহ এৰি অহা নাগৰিকক পুনৰ সংস্থাপিত কৰা আৰু অঞ্চলটোৰ ৰাইজৰ মাজত সম্প্ৰীতি ঘূৰাই অনাৰ স্বাৰ্থত আজি দুই ৰাজ্যৰ প্ৰশাসনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দুয়োখন ৰাজ্যৰ আৰক্ষী, প্ৰশাসনৰ যৌথ প্ৰচেষ্টাত আপাৰ তাৰাবাৰীত এখন শান্তি সমিতি *১০ পৃষ্ঠাত চাওক*

## দোকানৰ পৰা নগদ ১০ লাখ টকা লুটিলে ডকাইতে

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ১৩ জুলাই ঃ** গোৱালপাৰা জিলাৰ দুধনৈৰ লেলাৰ হিয়া হাৰ্ডৱেৰ নামৰ দোকানত আজি নিশা সংঘটিত হয় ডকাইতিৰ ঘটনা। চাৰিজনীয়া ডকাইতৰ এটা দলে ব্যৱসায়ী সঞ্জয় ৰায়ক পিষ্টল দেখুৱাই লুটি নিয়ে ১০ লাখ টকা। ডকাইতৰ দলটোৱে দুখন মটৰ চাইকেলেৰে আহিছিল।



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৬° | ২৭° |
| ডিব্ৰুগড় | ৩৫° | ২৭° |
| দিল্লী | ৩৪° | ২৯° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ২৪° | ১৯° |
| শ্বিলং | ২৭° | ১৯° |

*১৩ জুলাই, ২০২২*

■ সাংগঠনিক তৎপৰতা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় নেতৃত্বৰ পৰা আহিছে নিৰ্দেশনা ■ বৰপেটা-নগাঁৱৰ সংখ্যালঘু ভোটক লৈও নতুন কৌশল

## দুবছৰ পূৰ্বেই লোকসভা নিৰ্বাচনলৈ পূৰ্ণ প্ৰস্তুতিৰে জঁপিয়াই পৰিছে বিজেপি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** ২০২৪ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)-য়ে দেশজুৰি ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। অসমৰ ১৪টা লোকসভা সমষ্টিৰ বাবেও সাংগঠনিক কাম-কাজৰ লগতে অন্যান্য ৰণকৌশলক চূড়ান্ত ৰূপ দিবলৈ সক্ৰিয়তাৰে কাৰ্যপন্থা ৰূপায়ণ কৰি থকা হৈছে। শেহতীয়াকৈ হায়দৰাবাদত অনুষ্ঠিত দলৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকত লোকসভা নিৰ্বাচনৰ বিষয়টোৱেই আগস্থান পায়। বিজেপিয়ে এইবাৰ অসমৰ পৰা দ্বৈত অংকৰ সমষ্টি দখলৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। বৰ্তমান বিজেপিৰ দখলত নটা সমষ্টি আছে। এইকেইটাৰ উপৰি বৰপেটা, কলিয়াবৰ আৰু নগাঁও দখলৰ লক্ষ্য লোৱা হৈছে। ধুবুৰীৰ ওপৰতো চকু থাকিব যদিও সমষ্টিটোক বিজয় লক্ষ্যৰ দ্বিতীয় স্থানত ৰখা হৈছে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কয় যে বিজেপিয়ে এইবাৰ অসমৰ ১৪ টা সমষ্টিয়ে দখল কৰিব। সভাপতিজনৰ *১০ পৃষ্ঠাত চাওক*

## ৰাজ্যত পুনৰ তিনিজনৰ মৃত্যু জাপানীজ এনকেফেলাইটিছত

চলিত মাহতে ১২১ জন আক্ৰান্ত-১৬ জনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** প্ৰলয়ংকৰী বানৰ পাছতে এইবাৰ ৰাজ্যত সংহাৰী ৰূপ ধাৰণ কৰিছে জাপানীজ এনকেফেলাইটিছে। আজি ধেমাজি, ডিব্ৰুগড় আৰু মৰিগাঁও জিলাত ছজনকৈ লোক এই ৰোগত আক্ৰান্ত হোৱাৰ বিপৰীতে কৰিমগঞ্জ আৰু শিৱসাগৰ জিলাত তিনিজন লোক মৃত্যুমুখত পৰে। *১০ পৃষ্ঠাত চাওক*



*ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বেলেট বাকচ আহি পালে গুৱাহাটী, বুধবাৰে।*


■ মহানগৰীৰ একাধিক স্থানৰ নাম সলনিত অনুমোদন দিলে পৌৰ নিগমৰ সাধাৰণ সভাই

## এতিয়াৰে পৰা কালাপাহাৰ হ'ব নীলাচল নগৰ, চেৰাবভাটি হ'ব আৰ্য নগৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** বিলুপ্ত হ'ব মহানগৰীৰ দুটাকৈ পৰিচিত অঞ্চলৰ নাম। কালাপাহাৰ, চেৰাবভাটি অঞ্চলকে ধৰি কে'বাটাও পথৰ নাম সলনি কৰি নতুন নামকৰণ কৰিবলৈ তৎপৰতা গ্ৰহণ কৰিছে গুৱাহাটী পৌৰ নিগমে। উল্লেখ্য যে বিগত পৌৰ নিগমৰ নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ কে'বাটাও অঞ্চল সম্প্ৰতি *১০ পৃষ্ঠাত চাওক*

## মণিপুৰৰ ভূমিস্খলনত মৃত আৰু দুই শ্ৰমিকৰ শেষকৃত্য সম্পন্ন

কুশতলীত পুনৰ জ্বলিল দুখনকৈ চিতা



**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৩ জুলাই ঃ** মৰিগাঁও জিলাৰ কুশতলী অঞ্চলত আজি পুনৰ দুখনকৈ চিতা জ্বলিল। মণিপুৰত সংঘটিত ভয়াৱহ ভূমিস্খলনত সন্ধানহীন হৈ থকা কুশতলী অঞ্চলৰ দুই শ্ৰমিক ক্ৰমে সনাল কোঁৱৰ আৰু কল্পজ্যোতি বৰদলৈৰ মৃতদেহ আজি নিচেই পুৱাতে স্বগৃহ *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*ৰাইজৰ বাবে ইমান কাম কৰিলো, ক'বলৈ গ'লে মহাভাৰত হ'ব! গতিকে একো নকওঁৱেই দিয়ক!*

ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ অভিলেখ পতন ■ প্ৰধানমন্ত্ৰীলৈ পত্ৰ বাস্তু বিশেষজ্ঞৰ

## টকাৰ বাস্তু দোষতহে সংকটত অৰ্থনীতি!



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** মঙলবাৰে আমেৰিকান ডলাৰৰ তুলনাত ভাৰতীয় টকা ৭৯.৫৯ লৈ নিম্নগামী হৈ সৰ্বকালৰ অভিলেখ সৃষ্টি কৰে। বিগত কে'বা বছৰ ধৰি ভাৰতীয় টকাৰ মূল্য দ্ৰুত গতিত হ্ৰাস হৈ থকাৰ লগতে দেশৰ অৰ্থনীতি ক্ৰমান্বয়ে নিম্নগামী হোৱাত দেশৰ ভৱিষ্যৎ সম্পৰ্কে বিভিন্ন মহলত বিভিন্ন ধৰণৰ প্ৰতিক্ৰিয়া দেখা গৈছে। *১০ পৃষ্ঠাত চাওক*




## ন্যায়াধীশক জগৰীয়া কৰি আদালতৰ অস্থায়ী কৰ্মীৰ আত্মহত্যাৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৩ জুলাই ঃ** গোৱালপাৰা জিলা আদালতৰ লোহিত দাস নামৰ অস্থায়ী কৰ্মচাৰীজনে ব্ৰহ্মপুত্ৰত জাঁপ দি আত্মহত্যা কৰাৰ সন্দেহত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পৰিয়ালৰ লোকে



অভিযোগ কৰা মতে, লোহিত দাস যোৱা সোমবাৰৰ পৰাই সন্ধানহীন হৈ আছে। ইপিনে, আজি গোৱালপাৰা চহৰৰ কাছাৰীঘাটত তেওঁৰ চাইকেল, পানকাৰ্ড, ছেণ্ডেল, কাপোৰ আৰু এটা 'ছুইচাইড নোট' *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৪ জুলাই, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## অবিভক্ত নগাঁও জিলাত জাপানী এনকেফেলাইটিছৰ সংক্ৰমণ বৃদ্ধি

### মৃত্যুৰ সংখ্যা তিনিজনলৈ বৃদ্ধি

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** শেহতীয়াভাৱে অবিভক্ত নগাঁও জিলাত (নগাঁও-হোজাই) জাপানী এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণ বৃদ্ধি পোৱাত জটিল ৰূপ ধাৰণ কৰিছে। সাত জুলাইলৈকে এই ৰোগত ১২ *ছয় পৃষ্ঠাত চাওক*

### বৰপেটা কেন্সাৰ হাস্পতাল পৰিদৰ্শন কৰি বুজ ল'লে মন্ত্ৰী ৰঞ্জিত দাসে

# আঢ়ৈ মাহত সহস্ৰাধিক কৰ্কট ৰোগীক চিকিৎসা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৩ জুলাই ঃ** 'বৰপেটা কেন্সাৰ হাস্পতালৰ ৰোগীসকলে সন্তুষ্টি লাভ কৰিছে। বৰপেটাৰ এই কেন্সাৰ হাস্পতালখনত ৰোগী আৰু চিকিৎসকৰ মাজত সুসম্পৰ্ক গঢ়ি উঠিছে।' এই মন্তব্য মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ। আজি বৰপেটা কেন্সাৰ হাস্পতাল পৰিদৰ্শন কৰি সংবাদ মাধ্যমৰ আগত এনেদৰে কয়। তেওঁ জনোৱা মতে, কেন্সাৰ হাস্পতাল মুকলি হোৱাৰ আঢ়ৈ মাহৰ ভিতৰত ২১৯১ গৰাকী ৰোগী বহিঃবিভাগত আৰু ৮১৯ গৰাকী ৰোগী আন্তঃবিভাগত চিকিৎসা গ্ৰহণ কৰিছে। ইতিমধ্যে ৩৭৯ গৰাকীয়ে, কেমোথেৰাপী, ৩৯৯ গৰাকীয়ে চিটি স্কেন আৰু ৯৩ গৰাকীয়ে ৰেডিঅ' থেৰাপী গ্ৰহণ কৰিছে। চৰকাৰে বৰপেটাত অহা ডিচেম্বৰৰ ভিতৰত প্ৰসূতি মাতৃ আৰু শিশুৰ বাবে এশ বিছনাযুক্ত আন এখন হাস্পতাল মুকলি কৰা *ছয় পৃষ্ঠাত চাওক*



*গুৱাহাটীত বেলি অস্ত যোৱাৰ সময়তে ব্ৰহ্মপুত্ৰত মাছ মৰাত ব্যস্ত দুই মাছমৰীয়া, বুধবাৰে।*

### চলিত বৰ্ষৰ সাত মাহত ছয় ব্যক্তিৰ মৃত্যুৰ বিপৰীতে এটা বনৰীয়া হাতীৰ মৃত্যু

## ওদালগুৰিৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত হাতী-মানুহৰ সংঘাতে ধাৰণ কৰিছে তীব্ৰ ৰূপ



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৩ জুলাই ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত হাতী-মানুহৰ সংঘাতে ধাৰণ কৰিছে তীব্ৰ ৰূপ। বনৰীয়া হাতীৰ সন্ত্ৰাসত বিনিদ্ৰ ৰজনী কটাইছে ডিমাকুছি, আটাৰীখাট, দেউচুঙা, বাদলাপাৰা, ৰাজাগড়, নালাপাৰা, বামুনজুলি, কালিখোৱা, গৰুৱাঝাৰ, নোনাইখুঁটি, পানেৰী, ভূটিয়াচাং, হাতীগড়, মাজুলী, কুণ্ডৰবিল আদি বৃহৎ অঞ্চলৰ সহস্ৰাধিক জনগণে। এইসকল ৰাইজৰ বাবে দিন আৰু ৰাতি যেন একাকাৰ কৰিছে *ছয় পৃষ্ঠাত চাওক*

## ডিগবৈৰ টুৰিষ্ট ল'জত তিনিচুকীয়া আৰক্ষীৰ অভিযান

### আৰক্ষীৰ অভিযানত কেঁচু খান্দোতে সাপ ওলাল ঃ ছয়জন যুৱকসহ পাঁচ যুৱতীক আটক

**ডিগবৈ, ১৩ জুলাই ঃ** তিনিচুকীয়া জিলা তৈলনগৰী ডিগবৈ চহৰৰ এক নম্বৰ গোলাইত অৱস্থিত টুৰিষ্ট ল'জত যোৱা নিশা আকস্মিকভাৱে তিনিচুকীয়া আৰক্ষীয়ে অভিযান চলায়। অভিযান কালত তিনিচুকীয়া আৰক্ষীয়ে ছয়জন যুৱকসহ পাঁচগৰাকী যুৱতীক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা অনুসৰি যোৱা কিছু দিনৰ পৰা তিনিচুকীয়া চহৰৰ এগৰাকী যুৱতী নিৰুদ্দেশ হৈ থকাৰ সন্দৰ্ভত যুৱতীগৰাকীৰ পৰিয়ালবৰ্গই তিনিচুকীয়া থানাত এটি গোচৰ ৰুজু কৰিছিল। গোচৰৰ ওপৰত ভিত্তি কৰি নিৰুদ্দেশ হৈ থকা যুৱতীগৰাকীয়ে ব্যৱহাৰ কৰা ম'বাইল ফোনটো আৰক্ষীয়ে ট্ৰেক কৰে। যুৱতীগৰাকীয়ে ব্যৱহাৰ কৰা ফোনটো ডিগবৈৰ এক নম্বৰ গোলাইস্থিত টুৰিষ্ট ল'জত অৱস্থিতি পোৱাত অভিভাৱকসহ তিনিচুকীয়া আৰক্ষীয়ে নিশা প্ৰায় দুই বজাত টুৰিষ্ট ল'জত অভিযান চলাই যুৱতীগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিন্তু এক উল্লেখনীয় বিষয় যে তিনিচুকীয়া আৰক্ষীয়ে নিৰুদ্দেশ হোৱা যুৱতীগৰাকীৰ সন্ধানত চলোৱা অভিযানত কেঁচু খান্দোতে সাপ ওলাল। ডিগবৈৰ এক নম্বৰ গোলাইস্থিত *ছয় পৃষ্ঠাত চাওক*

## নগাঁও বিশেষ আদালতৰ ৰায়দান

## ধৰ্ষণকাৰীক জৰিমনাসহ তিনি বছৰ কাৰাদণ্ড

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** নগাঁৱৰ বিশেষ ন্যায়াধীশ ইপ্সিতা বৰঠাকুৰৰ আদালতে আজি এক গুৰুত্বপূৰ্ণ ৰায়দানযোগে উত্তম কুমাৰ মণ্ডল নামৰ লোক এজনক ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত কৰি তিনি বছৰৰ কাৰাদণ্ড আৰু ১০ হেজাৰ টকাৰ জৰিমনা বিহে। ৰায়টোত এই ১০ হেজাৰ টকা অনাদায়ে অতিৰিক্ত দুই মাহৰ কাৰাদণ্ডৰ হুকুম দিয়ে। উল্লেখ্য যে বিগত ২০২০ৰ চাৰি অক্টোবৰত নগাঁও জিলাৰ ৰূপহীহাট থানাৰ অন্তৰ্গত গড়াজান বজাৰত উত্তম কুমাৰ মণ্ডল নামৰ এজন ব্যৱসায়ীয়ে নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানত দিন দুপৰতে এগৰাকী ১৫ বছৰীয়া কিশোৰীক ধৰ্ষণ কৰে। ব্যৱসায়িক প্ৰতিষ্ঠানৰ চাটাৰ আধা বন্ধ কৰি কিশোৰীগৰাকীক ধৰ্ষণ কৰা ঘটনা স্থানীয় একাংশ লোকে হাতে-লোটে ধৰা পেলাইছিল। এই ঘটনা সন্দৰ্ভত ৰূপহীহাট আৰক্ষী থানাত ৭২১/২০ নম্বৰত পঞ্জীভুক্ত এক গোচৰ ভিত্তিত যৌন নিৰ্যানতকাৰী মণ্ডলক ন্যায়িক জিম্মালৈ *ছয় পৃষ্ঠাত চাওক*

## কামৰূপৰ বংশৰত ভিনিহিয়েকৰ গুলিত আহত হ'ল খুলশালি ঃ অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৩ জুলাই ঃ** কামৰূপ জিলাৰ অন্যতম কৃষি গাঁও বংশৰত গুলিচালনাৰ দৰে ভয়ংকৰ কাৰ্য সংঘটিত হোৱাত বৃহত্তৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্য তথ্যমতে, নিজ বংশৰৰ পৰেশ কলিতা (৫০) নামৰ এগৰাকী বিৱাহিত লোকে আজি কিছুদিনৰ পৰা পৰকীয়া প্ৰেমত লিপ্ত হয়। এগৰাকী বড়ো সম্প্ৰদায়ৰ মহিলাৰ লগত গোপন প্ৰেমে পৰেশ কলিতাৰ পৰিয়াললৈ এক অশান্তি কঢ়িয়াই আনে। ইয়াকে লৈ স্বামী-স্ত্ৰী দুয়োৰে মাজত প্ৰায়ে সংঘাতৰ সৃষ্টি হয় । সাধাৰণ অজুহাততে পৰেশ কলিতাই পত্নীক মাৰধৰ কৰে। স্বামীৰ অত্যাচাৰৰ সীমা পাৰ হৈ যোৱা তেওঁৰ পত্নীয়ে পিতৃ পৰিয়ালক সকলো কথা জানিবলৈ দিয়ে। পৰেশ কলিতাৰ এনে ঘৃণনীয় কাৰ্যৰ কথা শুনি পত্নীৰ মাতৃ পৰিয়াল জাঙুৰ খাই উঠে আৰু খুলশালি ৰমেন দাসে ভিনীয়েকক এনে *ছয় পৃষ্ঠাত চাওক*

### সাত অভিযুক্তৰ বিৰুদ্ধে দলগাঁও থানাত এজাহাৰ দাখিল

## চৰকাৰী মাটি কৰ্তৃপক্ষক চমজাই দিবলৈ গৈ আক্ৰমণৰ বলি গাঁও প্ৰধানসহ বিষয়া-

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১৩ জুলাই ঃ** দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত দুলীয়াপাৰাত চৰকাৰী মাটি কৰ্তৃপক্ষক চমজাই দিবলৈ গৈ কে'বাজনো চৰকাৰী কৰ্মচাৰী বেদখলকাৰীৰ আক্ৰমণৰ বলি হ'বলগীয়া হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। এই আক্ৰমণত গাঁওখনৰ গাঁওবুঢ়াৰ লগতে লাটমণ্ডল, কানানগো আহত হ'ব লগা হয়। প্ৰাপ্ত তথ্য মতে, দলগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত দুলীয়াপাৰা গাঁৱত নুমলীগড় ৰিফাইনাৰীৰ নামত মাটি আৱণ্টন হৈছিল। দৰঙৰ উপায়ুক্তৰ নিৰ্দেশ মৰ্মে কালি উক্ত মাটিখিনি এন আৰ এল কৰ্তৃপক্ষক হস্তান্তৰ কৰিবলৈ যায় গাঁও প্ৰধান আব্দুৰ ৰহমান, লাট মণ্ডল জিতু চহৰীয়া, কানোনগো ভৰেন বৰুৱাৰ লগতে নুমলীগড় ৰিফাইনাৰী কৰ্তৃপক্ষৰ পাঁচজনীয়া দল। তথ্য মতে, পশ্চিম দলগাঁও মৌজাৰ দুলীয়াপাৰা গাঁওখনৰ ৩৭০ চিলিং চৰকাৰী দাগৰ এক বিঘা চাৰি কঠা ১৫ লেচা মাটি এন আৰ এল পাইপ লাইনৰ ষ্টেচন নিৰ্মাণৰ বাবে চৰকাৰী নিৰ্দেশত হস্তান্তৰ কৰিবলৈ যায়। সেই সময়তে গাঁওখনৰ গফুৰ আলী, জহৰ আলী, ছহিদুল ইছলাম, ৰফিকুল ইছলাম আৰু ছফিকুল ইছলামে দলটোক খেদি খেদি আক্ৰমণ কৰে। এই আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা গাঁও প্ৰধান আব্দুৰ ৰহমানক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। লোককেইজনৰ আক্ৰমণত কোনোমতে পথাৰৰ মাজেদি দৌৰি গাড়ীত উঠি পলাই আহিবলৈ সক্ষম হয় চৰকাৰী বিষয়া-কৰ্মচাৰীসকল। ঘটনাটোক *ছয় পৃষ্ঠাত চাওক*

## কামপুৰত নাও খেল চাবলৈ গৈ সন্ধানহীন এজন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** কামপুৰ থানাৰ অন্তৰ্গত চিমলাই পথাৰত যোৱা দুদিন ধৰি এজন লোক সন্ধানহীন হৈ আছে। সন্ধানহীন লোকজন আব্দুল কুদ্দুছ। প্ৰাপ্ত তথ্য মতে, ঈদ উপলক্ষে কপিলী নদীত অনুষ্ঠিত নাও খেল চাবলৈ গৈ এই পৰ্যন্ত কুদ্দুছ সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে সকলোতে বিচাৰ-খোচাৰ কৰিছে যদিও কোনো সন্ধান নোপোৱাত কামপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। যদি কোনো সদাশয় ব্যক্তিয়ে লোকজনৰ কিবা সম্ভেদ পায় তেনেহ'লে ৯১০১৮০৭৯৮৪ নম্বৰত অথবা স্থানীয় আৰক্ষী থানাত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকে।

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ দেহাৱসান



**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৩ জুলাই ঃ** নলবাৰী জিলাৰ গামাৰিমূৰী নিবাসী তথা চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ চক্ৰৱৰ্তী (৯৫)ৰ আজি পবিত্ৰ গুৰু পূৰ্ণিমাৰ দিনা বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত দেহাৱসান ঘটে। ১৫৬ নম্বৰ নদলা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা চক্ৰৱৰ্তীয়ে চামতা হাইস্কুল (বৰ্তমান উচ্চতৰ মাধ্যমিক)ৰ পৰা হাইস্কুলীয়া শিক্ষা লাভ কৰি ১৯৪৫ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ হৈছিল। ১৯৪৮ত নলবাৰী কলেজৰ পৰা আই এ পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ কটন কলেজত বি এ পঢ়িবলৈ লয় আৰু ১৯৫০ত কটন কলেজৰ পৰা বি এ পাছ কৰে। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত *ছয় পৃষ্ঠাত চাওক*

## ডিব্ৰুগড়ত স্বামীক ঘপিয়াই হত্যা ঃ গ্ৰেপ্তাৰ পত্নী

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৩ জুলাই ঃ** ডিব্ৰুগড়ত সংঘটিত হৈছে এক চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনা। পত্নীয়ে স্বামীক ডিঙি কাটি হত্যা কৰি ৰক্তাক্ত স্বামীৰ মৃতদেহৰ কাষত অজ্ঞান পত্নীক পুৱাই উদ্ধাৰ কৰাৰ ঘটনাক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। ইপিনে, উক্ত ঘটনা প্ৰথমে কোনে সংঘটিত কৰিলে তাকে লৈ সন্দেহৰ সৃষ্টি হয়। অৱশ্যে পৰৱৰ্তী সময়ত ঘটনাৰ বিষয়ে পোহৰলৈ আহে। উল্লেখ্য যে ডিব্ৰুগড়ৰ বৰবৰুৱা আৰক্ষী থানাৰ অন্তৰ্গত কলাখোৱা বাঁহবাৰী গাঁৱত আজি পুৱাই পত্নীৰ দাৰ ঘাপত প্ৰাণ দিবলগীয়া হয় গিৰিয়েকে। ডিব্ৰুগড়ৰ বৰবৰুৱা আৰক্ষী থানাৰ অন্তৰ্গত কলাখোৱা বাঁহবাৰী গাঁৱৰ নিবাসী খগেশ্বৰ ওৰফে মইনা দিহিঙীয়া (৫১)ক পত্নী দেৱযানী দিহিঙীয়া (৪৫)ই নিজ গৃহতে দাৰে ঘপিয়াই হত্যা কৰে। তথ্য মতে, পুৱাৰ ভাগত ঔষধ খোৱা-নোখোৱাক লৈ বাক-বিতণ্ডাৰ সৃষ্টি হৈছিল স্বামী-স্ত্ৰীৰ মাজত আৰু ইয়াৰ পাছতে কোনো কথাত পত্নীয়ে হিতাহিত জ্ঞান হেৰুৱাই দাৰে ডিঙিত ঘপিয়াই হত্যা কৰে স্বামীক। কাজিয়া আৰম্ভ হোৱাৰ সময়ত কনিষ্ঠ পুত্ৰ *ছয় পৃষ্ঠাত চাওক*

## চিকিৎসাধীন ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি তেজপুৰৰ নাৰ্ছিং হোমত উত্তপ্ত পৰিস্থিতি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৩ জুলাই ঃ** তেজপুৰৰ এখন প্ৰসিদ্ধ নাৰ্ছিং হোম টাইমছত আজি এগৰাকী ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হয়। তেজপুৰৰ নিকটৱৰ্তী টুমুকীৰ বীণা সূত (৬৫) নামৰ মহিলাগৰাকীক যোৱা ১১ জুলাইত তেজপুৰৰ নাৰ্ছিং হোমখনত ভৰ্তি কৰোৱা হৈছিল। মধুমেহ ৰোগত আক্ৰান্ত মহিলাগৰাকীক আই চি ইউত ভৰ্তি কৰাৰ বিপৰীতে কালিৰে পৰা তেওঁক হাতত দিয়া চেলাইন শৰীৰে গ্ৰহণ নকৰাত পাছত ডিঙিৰে চেলাইন দিয়াৰ ব্যৱস্থা কৰা হয়। অভিযোগ অনুসৰি, কালি বিয়লি ৰোগীগৰাকীৰ আত্মীয়ই তেওঁক চোৱাৰ ইচ্ছা প্ৰকাশ কৰিছিল যদিও ইয়াৰ অনুমতি দিয়া নহ'ল। ইপিনে, চিকিৎসাধীন ৰোগীৰ শাৰীৰিক অৱস্থাৰ কোনো ধৰণৰ *ছয় পৃষ্ঠাত চাওক*

## ৰংজুলিত তীব্ৰবেগী বাছৰ খুন্দাত চাইকেল আৰোহীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১৩ জুলাই ঃ** ৰংজুলি থানাৰ অন্তৰ্গত ৰংজুলিৰ গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বঙলাৰ সন্মুখত ১৭ নম্বৰ ঘাইপথত আজি আবেলি তিনিমান বজাত এখন তীব্ৰবেগী আল্ট্ৰা বাছৰ খুন্দাত এজন যুৱকৰ থিতাতে মৃত্যু হয়। মৃত যুৱকজন ৰংজুলি-সৰদাৰ পাৰা গাঁৱৰ গজেন্দ্ৰ ৰায় (৩৬)। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, *ছয় পৃষ্ঠাত চাওক*

## ভাওৰাগুৰীত চিপ লৈ মহিলাৰ আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১৩ জুলাই ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰী আৰক্ষী চকীৰ অন্তৰ্গত দুই নম্বৰ খলিচানীমাৰীত নিজ গৃহতে চিপ লৈ এগৰাকী মহিলাই আত্মহত্যা কৰে। মহিলাগৰাকী গাঁওখনৰে বাসিন্দা অমল বৰ্মনৰ পত্নী প্ৰমিলা বৰ্মন (৪০)। ঘটনাস্থলীত ভাওৰাগুৰী আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে।

## বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত সদ্যোজাতকৰ মৃত্যুৰ অভিযোগ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৩ জুলাই ঃ** বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসকৰ গাফিলতিৰ বাবে এগৰাকী প্ৰসূতিৰ সদ্যজাত সন্তানৰ মৃত্যু হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য মতে, বৰপেটা জিলাৰ সৰভোগ আৰক্ষী থানাৰ অন্তৰ্গত চকচকাৰ সমীপৰ সৰুহৰিদ গাঁৱৰ মিন্টু নাথৰ গৰ্ভৱতী পত্নী ধৰিত্ৰী নাথ (২২)ক যোৱা ছয় জুলাইত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত সন্ধিয়া ভৰ্তি কৰা হৈছিল। অভিযোগ অনুসৰি, প্ৰসৱ বেদনা আহি থকাৰ বাবে পৰিয়ালে দৰকাৰ হ'লে ছিজাৰিয়ান কৰিবলৈ কোৱা সত্বেও নৰ্মেল ডেলিভাৰী হ'ব বুলি প্ৰসূতিগৰাকীক ৰাখি থয় বিভাগীয় *ছয় পৃষ্ঠাত চাওক*

## জাপানী এনকেফেলাইটিছত এজনৰ মৃত্যু ৰহাত

**অগ্ৰদূত বাৰ্তা**

**ৰহা, ১৩ জুলাই ঃ** দ্বিতীয়টো বানে জনজীৱন, সা-সম্পত্তি তচনচ কৰাৰ পাছত বৃহত্তৰ ৰহা অঞ্চলত বৰ্তমান কলেৰা আৰু জাপানী এনকেফেলাইটিছ ৰোগ ব্যাপক হাৰত বৃদ্ধি পোৱাত এক প্ৰকাৰ চিন্তাৰ কাৰণ হৈ পৰিছে। সপ্তাহ পূৰ্বে ৰহা হাৰিয়ামুখৰ লক্ষীকান্ত নাথ নামৰ এজন লোক এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰাৰ পাছত যোৱা ৰাতি ৰহা দীঘলদৰীৰ চন্দ্ৰকান্ত নাথ নামৰ এজন লোকো এই ৰোগত আক্ৰান্ত হৈ মৃত্যুক আঁকোৱালি ল'ব লগা হয়। মৃত নাথক কিছুদিন পূৰ্বে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও আৰোগ্য হোৱাৰ কোনো লক্ষণ নেদেখি পৰিয়ালৰ লোকে কালি ঘৰলৈ লৈ আহিছিল যদিও নিশা তেওঁ মৃত্যুক সাবটি লয়। ইপিনে, ডেকা উপাধিৰ সৰাগাঁৱৰ এজন লোকো এই ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। আনহাতে, ৰহাৰ সমীপৱৰ্তী কাকতিগাঁৱত কলেৰাত ইতিমধ্যে তিনিজনৰ মৃত্যু হৈছে।

### দুই যুৱক জেললৈ প্ৰেৰণ

## ১৫ বছৰীয়া কিশোৰীৰ ধৰ্ষণকাণ্ডই জোকাৰিছে বৰহোলা

**বিশেষ সংবাদদাতা**

**নগাবাট, ১৩ জুলাই ঃ** এটা ধৰ্ষণৰ ঘটনাক কেন্দ্ৰ কৰি বৰহোলাত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। দেওবাৰৰ নিশা ১৫ বছৰীয়া এগৰাকী কিশোৰীক তিনি যুৱকে বৰহোলা চহৰৰ মাজমজিয়াৰ এখন দোকানৰ কোঠাত ওৰে নিশা ধৰ্ষণ কৰাৰ চাঞ্চল্যকৰ অভিযোগ উত্থাপিত হৈছে। ভুক্তভোগী কিশোৰীগৰাকীৰ পৰিয়ালে বৰহোলা আৰক্ষী থানাত ন্যায় বিচাৰি এজাহাৰ দাখিল কৰিছে। তিতাবৰ মহকুমা আৰক্ষীৰ নেতৃত্বত এক উচ্চ পৰ্যায়ৰ তদন্তৰ পাছত আজি আটকাধীন তিনিজন যুৱকৰ এজনক মুকলি কৰি দিয়াৰ লগতে দুজনক জেললৈ প্ৰেৰণ কৰে। তথ্য অনুসৰি, দেওবাৰৰ নিশা বৰহোলাৰ বামুণ কলিতা গাঁৱৰ ১৫ বছৰীয়া কিশোৰীগৰাকী দুপৰীয়া দুই বজাতে ঘৰৰ পৰা সন্ধানহীন হৈছিল। কিশোৰীগৰাকী সন্ধিয়া পৰ্যন্ত ঘৰৰ বাঁহনিতে আত্মগোপন কৰি সন্ধিয়াৰ সুযোগত এখন গাড়ীৰ সহায়ত বৰহোলা চহৰত উপস্থিত হয়। ইফালে, কিশোৰীগৰাকীৰ নিৰুদ্দেশ সন্দৰ্ভত পিতৃয়ে বৰহোলা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। আৰক্ষী আৰু পৰিয়ালবৰ্গই ম'বাইলৰ অৱস্থিতি চাই ওৰে নিশা কিশোৰীগৰাকীক বিচাৰি চলাথ কৰিছিল যদিও কোনো সন্ধান লাভ নকৰিলে। পিছদিনা পুৱা চাৰি বজাতে কিশোৰীগৰাকী বৰহোলা চহৰৰ মাজমজিয়াতে কেইখনমান দোকানৰ মাজেৰে ওলাই অহাৰ সময়তে প্ৰথমে পিতৃয়ে প্ৰত্যক্ষ কৰি পাছত থানালৈ লৈ *ছয় পৃষ্ঠাত চাওক*

## ধৰ্ষণকাৰীক শাস্তিৰ দাবী সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ দলংঘাট ব্লক সমিতিৰ উপ-সভানেত্ৰী উমা পাটৰ আৰু নগাঁও জিলাৰ ভাৰপ্ৰাপ্ত সম্পাদিকা তথা ব্লক সম্পাদিকা আয়েফা বেগমে এক বিবৃতিযোগে জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত গোসাঁইবৰী গাঁৱত এগৰাকী কিশোৰীক ধৰ্ষণৰ ঘটণাৰ লগত জড়িতসকলক কঠোৰতকৈ কঠোৰতম শাস্তি বিহিবলৈ দাবী জনাইছে। নেত্ৰী দুগৰাকীয়ে বিবৃতিটোৰ জৰিয়তে কয় যে যোৱা চাৰি জুলাইত নগাঁও জিলাৰ জাজৰি থানাৰ অন্তৰ্গত গোসাঁইবাৰি গাঁৱৰ মলয়া বৰাৰ এজাহাৰৰ ভিত্তিত মনোজ বৰা আৰু ৰবিন বৰাক জাজৰি *ছয় পৃষ্ঠাত চাওক*

### পাহাৰতে আৰা বহুৱাই গছ ফালি থকাৰ অভিযোগ

## গোৱালপাৰাৰ পঞ্চৰত্ন পাহাৰত দুষ্কৃতিকাৰীয়ে কাটিলে শালগছ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৩ জুলাই ঃ** গোৱালপাৰা জিলাৰ পঞ্চৰত্ন পাহাৰৰ পৰা দুষ্কৃতিকাৰীয়ে দুডালকৈ প্ৰকাণ্ড আকাৰৰ শালগছ কটাৰ লগতে পাহাৰৰ ওপৰতে আৰা বান্ধি থকা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। নাম প্ৰকাশত অনিচ্ছুক নিৰ্ভৰযোগ্য সূত্ৰ এটায়ে অভিযোগ কৰা অনুসৰি, পঞ্চৰত্ন বন খণ্ডৰ কাৰ্যালয়ৰ নাতি দূৰৈত আৰা বহুৱাই দিনে-নিশাই চোৰাংকৈ গছ ফালি থকা সত্ত্বেও বন খণ্ডৰ বিষয়াই ৰহস্যজনক স্থিতি গ্ৰহণ কৰিছে। ইপিনে, সংৰক্ষিত বনাঞ্চলৰ পৰা অৰ্থাৎ পঞ্চৰত্ন পাহাৰৰ *ছয় পৃষ্ঠাত চাওক*

### ১৭খন গাঁৱলৈ অশনি সংকেত ঃ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ দাবী



## মাজুলীৰ ভকত চাপৰিৰ গৰুখুঁটিত বিধ্বংসী খহনীয়া

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৩ জুলাই ঃ** নামনি মাজুলীৰ আঁহতগুৰি মৌজাৰ বিভিন্ন অঞ্চলৰ খহনীয়াত গৃহহীন লোকে বসবাস কৰা ভকত চাপৰিৰ ১৭খন গাঁৱৰ ৰাইজ কোনো এখন চৰকাৰৰ কাৰ্যকালত ব্ৰহ্মপুত্ৰৰ কৰাল গ্ৰাসৰ পৰা আজিও নিৰাপত্তা নাপালে। প্ৰতিবছৰে বান আৰু খহনীয়াই বিধ্বস্ত কৰা এই অঞ্চলত গৰুখুঁটিত দুবছৰ ধৰি চলি থকা খহনীয়াই এতিয়া ভয়ংকৰ ৰূপ ধাৰণ কৰিছে যদিও *ছয় পৃষ্ঠাত চাওক*

## বানপীড়িতক সাহায্যৰ দাবীত কঞাত শ্ৰমিক ইউনিয়নৰ বিক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৩ জুলাই ঃ** হাজো বিধানসভা সমষ্টিৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত বানাক্ৰান্তসকলক পৰ্যাপ্ত সাহায্য আৰু উপযুক্ত ক্ষতিপূৰণ দিয়াৰ দাবীত চিপিআই(এম) আৰু সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ পশ্চিম বড়িগোগ আঞ্চলিক কমিটীয়ে আজি কঞা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰা দুয়োটা সংগঠনৰ শতাধিক কৰ্মী আৰু সমৰ্থকে *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২৯ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৪ জুলাই ২০২২


## বিজ্ঞান শাখা

এইবাৰ উচ্চতৰ মাধ্যমিকৰ একাদশ শ্ৰেণীৰ বিজ্ঞান শাখাত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যোৱা বছৰতকৈ বৃদ্ধি পাইছে যদিও ২০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শাখাত নামভৰ্তি কৰিছে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সূত্ৰই সংবাদ মাধ্যমক এই কথা অৱগত কৰিছে। উল্লেখ্য যে এইবাৰ ৫৬.৪৯ শতাংশ ছাত্ৰ-ছাত্ৰী মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২,২৯,১৩১ গৰাকী। ইয়াৰে প্ৰথম বিভাগত ৬৫,১৭৬ গৰাকী উত্তীৰ্ণ হৈছে; কিন্তু উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিছে ৩০,০৯৫ গৰাকীয়ে। মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণৰ আধাতকৈ কম ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শাখাত নামভৰ্তি কৰিছে। এই কথা স্বীকাৰ কৰিব লাগিব যে সকলো মেধাৱী ছাত্ৰ-ছাত্ৰীয়েই বিজ্ঞান শাখাত পঢ়িব লাগিব বুলি ভবাটো ভুল। সেয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যদি বিজ্ঞান শাখাত নামভৰ্তি নকৰি কলা শাখাত নামভৰ্তি কৰিছে, তেন্তে তাকো আদৰণি জনোৱা উচিত হ'ব। প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকল শিক্ষাবিদ, শিক্ষক-অধ্যাপক, প্ৰশাসক, আইনবিদ, স্থাপত্যবিদ, মনোবিজ্ঞানী, মনস্তত্ত্ববিদ, হস্পিটেলিটি (আতিথেয়তা) মেনেজমেন্ট আদি বহুতো ক্ষেত্ৰৰ বাবে উপযুক্ত হ'ব পাৰে। কলা শাখাত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিভিন্ন ক্ষেত্ৰৰ দুৱাৰ খোলা আছে। আনহাতে, এইবাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কলা বিভাগত নামভৰ্তি কৰিছে ১,১৩,৮৮৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে। মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ ৭৪.২৮ শতাংশই কলা শাখাত নামভৰ্তি কৰিছে; কিন্তু বিজ্ঞান শাখাত মাত্ৰ ২০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰাৰ কাৰণ কি? দেশৰ তথা সমাজৰ বিকাশত বিজ্ঞান-প্ৰযুক্তিৰ প্ৰয়োজন তথা গুৰুত্ব বৃদ্ধি পোৱাৰ পাছতো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান-প্ৰযুক্তি জনপ্ৰিয় হ'ব পৰা নাই নেকি? বিজ্ঞান শাখাত কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰা মানে অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ বিজ্ঞানৰ প্ৰতি আকৰ্ষণৰ অভাৱ নুবুজায়; কিন্তু মহাবিদ্যালয় বা বিশ্ববিদ্যালয় পৰ্যায়ত বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যিমানবিলাক বিষয় বা বিভাগত অধ্যয়নৰ সুবিধা থাকিব লাগে অসমত তেনেবোৰ সুবিধাৰ অভাৱ। বিভিন্ন বৃত্তিগত ক্ষেত্ৰত অসমৰ উচ্চ শিক্ষানুষ্ঠানত সুযোগ কম দেখা যায়। ইয়াৰ বিপৰীতে প্ৰশাসন, হস্পিটেলিটী মেনেজমেন্ট, আইন আদি বৃত্তিসমূহ বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত অধিক জনপ্ৰিয় হ'বলৈ ধৰিছে। সেয়ে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলেও কলা শাখাত নামভৰ্তি কৰাত আগ্ৰহ দেখুৱায়। আনহাতে, বিজ্ঞান শাখাত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বৃত্তিগত ক্ষেত্ৰত যিমান সুবিধা থকাৰ প্ৰয়োজন, সেয়া অসমত দেখা নাযায়। বৰ্তমান জনপ্ৰিয় হৈ পৰা বহু বিষয়, যেনে— মেডিকেল ইনফৰ্মেটিক্‌ছ, জিঅ'ইনফৰ্মেটিক্‌ছ, বায়'ইনফৰ্মেটিক্‌ছ আদি বিষয়ত অসমৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণৰ সুবিধা লাভ কৰা নাই। তথ্য প্ৰযুক্তিৰ স'তে জড়িত অসংখ্য বিষয় আছে যিবিলাক বিষয়ত অসমৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ সুবিধা পোৱা নাই। এইবিলাক কথাৰ কাৰণেই হয়তো মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ বহুতকে বিজ্ঞান শাখাই আকৰ্ষণ কৰিব পৰা নাই।

অসম চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানৰ প্ৰতি আগ্ৰহ বঢ়োৱাৰ বাবে অধিক সা-সুবিধা আগবঢ়াব লাগিব। বৰ্তমান বিজ্ঞান শাখাত বৃহৎ সংখ্যক আসন খালী হৈ থকা বুলি আৰু অসমৰ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শখাত আগ্ৰহ নেদেখুওৱা বুলি শিক্ষা বিষয়া তথা শিক্ষামন্ত্ৰীসকলে কৈ থকা দেখা যায়; কিন্তু বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত শিক্ষা তথা নিয়োগৰ সুবিধা কিমান আগবঢ়োৱা হৈছে? প্ৰযুক্তি বিজ্ঞানৰ কিমান প্ৰতিষ্ঠান স্থাপন কৰা হৈছে? চৰকাৰে যদি অসমৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকল বহিঃৰাজ্যলৈ যাওক আৰু তাতেই শিক্ষা লাভ কৰি কৰ্মসংস্থান লাভ কৰক বুলি ভাবিছে আৰু ইয়াতেই সন্তুষ্ট হৈ থাকিব বিচাৰে, তেন্তে অসম উচ্চ শিক্ষাৰ ক্ষেত্ৰত একবিংশ শতিকাৰ ভৱিষ্যৎমুখী শিক্ষাৰ স'তে আগবাঢ়ি যাব নোৱাৰিব। শৈক্ষিক ক্ষেত্ৰত সা-সুবিধাৰ অভাৱ মানে সামাজিক, অৰ্থনৈতিক, ঔদ্যোগিক আদি ক্ষেত্ৰতো অনগ্ৰসৰ হৈ থকা। সকলো ক্ষেত্ৰতে বহিঃৰাজ্যৰ লোকক অসমত সংস্থাপনৰ ব্যৱস্থা বা সুবিধা দিবলৈ বাধ্য হৈছে অসম চৰকাৰ। স্থানীয় যুৱক-যুৱতীক আগবঢ়াই নিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'লে অসমত বহুতো শৈক্ষিক প্ৰতিষ্ঠান দেখিবলৈ পোৱা গ'লহেঁতেন আৰু অসমৰ যুৱক-যুৱতীয়ে সকলো ক্ষেত্ৰতে নিয়োগৰ সুযোগ লাভ কৰিলেহেঁতেন। বিজ্ঞান শাখা মানে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, প্ৰাণী বিজ্ঞান, জীৱ বিজ্ঞান আদি পৰম্পৰাগত বিষয়ৰ অধ্যয়নতে সীমাবদ্ধ হৈ থকাৰ ফলত অসমত বিজ্ঞান-প্ৰযুক্তি ইমানদিনে পিছুৱাই থাকিল। আনকি মেডিকেলৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও অধ্যয়নৰ ক্ষেত্ৰখন যথেষ্ট সংকুচিত। চিকিৎসা বিজ্ঞানৰ বহুতো অতি গুৰুত্বপূৰ্ণ বিষয় বা বিভাগত অধ্যয়নৰ সুবিধা নাই অসমৰ চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে। এতিয়া সকলো নিৰ্ভৰ কৰিছে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (২০২০)ৰ ৰূপায়ণৰ ওপৰত। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিনো অসমত কিদৰে ৰূপায়ণ কৰা হ'ব— সেয়া হ'ব লক্ষ্যণীয়। এই ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বিজ্ঞান-প্ৰযুক্তিৰ ওপৰত গুৰুত্ব প্ৰদান কৰাই নহয়, বিজ্ঞান-প্ৰযুক্তি সকলোৰে বাবে বুলিও কৈছে। আনকি দৰিদ্ৰ নাইবা আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও বিজ্ঞান-প্ৰযুক্তি অধ্যয়নৰ সুবিধা উপলব্ধ হোৱাটো বিচাৰে। বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কলা শাখাৰ বিষয় আৰু কলা শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও বিজ্ঞান শাখাৰ বিষয়সমূহ অধ্যয়নৰ সুবিধা প্ৰদান কৰিছে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে। এনে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বিজ্ঞান প্ৰযুক্তিৰ প্ৰতি অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীক ইয়াৰ কাষ চপাই নিব বুলি আশা কৰা হৈছে। বিজ্ঞান আৰু কলা বা মানৱবিদ্যাৰ মাজত বৰ্তমান যি কঠিন দুৰ্ভেদ্য দেৱাল দেখা যায়, সেই দেৱাল হয়তো নাথাকিব। তেতিয়া নিশ্চয় বিজ্ঞান আৰু কলা দুয়োটা শাখাই সমানে গুৰুত্বপূৰ্ণ হৈ পৰিব।

## খোলা মঞ্চ

# অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**অৰ্ধ-শতাব্দী** অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা কেনে ধৰণৰ বুলি ক'বলৈ গ'লে 'ভাল' বুলি ক'বই লাগিব। পঢ়ুৱৈ ৰাইজৰ ধাৰণাও ভাল বুলিয়েই বিশ্বাস। নহ'লেনো অৰ্ধ-শতাব্দী জুৰি এখন কাকতে মানুহৰ মাজত প্ৰচলিত হৈ থাকিব পাৰেনে?

১৯৭১ত প্ৰথমে মঙলদৈ চহৰৰ পৰা পষেকীয়া হিচাপে, তাৰ পাছত ১৯৭৩ত গুৱাহাটীৰ পৰা তিনিদিনীয়াকৈ কাকতখন নিয়মীয়াকৈ প্ৰকাশ হৈ আহিছে। সম্প্ৰতি ১৯৯৫ৰ পৰা 'দৈনিক অগ্ৰদূত' হিচাপেও আন এখন দৈনিক কাকত প্ৰকাশ হৈ আহিছে। এখন বাতৰি কাকতৰ বাবে এয়া শুভ লক্ষণ। আটাইকেইখন কাকতৰে প্ৰতিষ্ঠাপক সম্পাদক কনকসেন ডেকা। সম্পাদকৰ সংস্কাৰকামী মনোভাৱৰ প্ৰতিফলন সম্পাদকীয়সমূহৰ প্ৰতিটোতেই বিদ্যমান। এনে মনোভাৱৰ বাবেই বহু লোকৰ হৃদয়ত 'অগ্ৰদূত'খন অগ্ৰদূত হৈয়ে আছে। সেই হেতু কাকতখনে সোণালী জয়ন্তী উদ্‌যাপন বৰ্ষ পাতিবলৈ সমৰ্থৱান হৈছে।

**কমল পাটোৱাৰী,** *লেখক*

কোনো এখন বাতৰি কাকত আৰু ইয়াৰ সম্পাদকজন নিবিড়ভাৱে সম্পৰ্কান্বিত। সম্পাদকৰ মনোভাৱ কাকতত প্ৰকাশ নোপোৱাকৈ নাথাকে। সম্পাদক ডেকাৰ ইতিবাচক মনোভাৱে কাকতৰ ইতিবাচক চৰিত্ৰ অটুট ৰাখিবলৈ সক্ষম হৈছে। আমাৰ অসম ৰাজ্যখনে অহৰহ বিভিন্ন সমস্যাৰ ভাৰ বহন কৰি আহিছে। এটা সময়ৰ হিংসা আৰু সন্ত্ৰাস সৰ্বজনবিদিত। এনে সময়বোৰত 'অগ্ৰদূতে' এখন বাতৰি কাকতৰ দায়বদ্ধতাৰ পৰা ফালৰি নাকাটি যথা সাধ্যানুসাৰে সমাজৰ প্ৰতি থকা দায়িত্ববোৰ নিষ্ঠাৰে পালন কৰি আহিছে।

এখন বাতৰি কাকতৰ জনমত গঠন কৰিব পৰা আৰু মানুহক প্ৰভাৱান্বিত কৰিব পৰা চৰিত্ৰ এটা লাগে। 'অগ্ৰদূতে' (তিনিদিনীয়া/দৈনিক) এই ক্ষেত্ৰত বিভিন্ন সময়ত বিভিন্ন সমস্যাৰ আলোকপাত কৰি এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে।

কিছু বাতৰি কাকতে আনক তোষামোদৰ জৰিয়তে নিজৰ চৰিত্ৰ কলুষিত কৰে। বহু পাঠক-পাঠিকাৰ ভেজাল খবৰবোৰ ধৰা পেলোৱাৰ সাধ্য নাথাকে। তোষামোদৰ স্বাৰ্থত কৰা এনে লেখা বা খবৰে সামগ্ৰিকভাৱে সমাজখনৰ, দেশখনৰ বহু ক্ষতি কৰে; কিন্তু যিমানদূৰ মনত পৰে 'অগ্ৰদূত'ৰ ক্ষেত্ৰত এনে ধৰণৰ নিন্দাসূচক কথা ক'বলৈ কাকত দুখনে মোক সুবিধা দিয়া নাই।

'অগ্ৰদূত'ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো। *ফোন : ৮১৩৪০৩৫৪৪৬*

# এলাগীৰ দিশে আইৰ মুখৰ ভাষাটো

## অসমৰ মুঠ জনসংখ্যাৰ ৪৮.৩৮ শতাংশহে অসমীয়াভাষী লোক

**জনাৰ্দন তালুকদাৰ**

এটা জাতিৰ জাতীয় ভাষা অবিহনে জাতীয় চিন্তা-চেতনা-মানসিকতা গঢ়ি উঠিব নোৱাৰে। ভাষাৰ সংকট মানেই জাতিৰো ভৱিষ্যৎ বিপদাপন্ন। বহুজনৰ আশাশুধীয়া প্ৰচেষ্টা আৰু আত্মবলিদানৰ পাছতহে অসমীয়া ভাষাই ৰাজ্যভাষাৰ মৰ্যাদা লাভ কৰিছিল। অসমৰ, বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰশাসন আৰু শিক্ষাব্যৱস্থাত অসমীয়া ভাষাক প্ৰতিষ্ঠাৰ বাবে হোৱা সংগ্ৰাম চলিছিল ১৮৩৬ৰ পৰা ১৮৭৩ লৈ যি চনত অসমীয়া ভাষাই তাৰ যোগ্য স্থান দখল কৰিছিল। ই আছিল সঁচা অৰ্থত জাতীয় বঞ্চনাৰ বিৰুদ্ধে হোৱা সংগ্ৰাম। আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯), গুণাভিৰাম বৰুৱা (১৮৩৫-১৮৯৫) আৰু হেমচন্দ্ৰ বৰুৱা (১৮৩৭-১৮৯৪)- এই ত্ৰিমূৰ্তি আছিল এই ধাৰাৰ আন্দোলনটোৰ নেতৃত্বত। ১৮৩৬-১৮৭০, এই সময়ছোৱা অসমীয়া ভাষিক জাতীয়তাবাদৰ ভেটি নিৰ্মাণৰ যুগ। আনন্দৰাম ঢেকিয়াল ফুকনৰ নেতৃত্বত দেখা এই ধাৰাটোত ইংৰাজ সাম্ৰাজ্যবাদী শাসনক বিৰোধিতা কৰাৰ সলনি সেই আধুনিক শাসকৰ সহযোগী হিচাপে আধুনিকতাৰ শিক্ষা যিমান পাৰে আহৰণ কৰা, অসমৰ প্ৰশাসন আৰু শিক্ষাব্যৱস্থাত অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে অসমীয়া ভাষাক কাৰিকৰী দিশেৰে অতি সংহত তথা উন্নত ভাষা কৰি তোলা আৰু ইংৰাজ শাসকগোষ্ঠীলৈ জনোৱা আবেদনেৰে অসমত যিমান অধিক পৰা যায় আধুনিক পৰিকাঠামোগত উন্নয়ন ঘটোৱা।

সেই মৰ্যাদা লাভৰ দীৰ্ঘকালৰ পাছতো অসমীয়া ভাষাৰ সংকট আঁতৰা নাই। এতিয়া অসমৰ মুঠ জনসংখ্যাৰ ৪৮.৩৮ শতাংশহে অসমীয়াভাষী। গতিকে আইৰ মুখৰ ভাষাটো ৰক্ষাৰ বাবে প্ৰতিজন সচেতন অসমীয়াৰ হৃদয় জাগৰুক হ'বই লাগিব; কিন্তু যি সময়ত বিভিন্ন ৰাজ্যই নিজ নিজ ৰাজ্যভাষাৰ সুৰক্ষাৰ হকে কঠোৰ নীতি-নিয়ম বলবৎ কৰি আহিছে, সেই সময়ত অসমত চৰকাৰীভাৱেই মূল ৰাজ্যভাষা অসমীয়াক সংকটলৈ ঠেলি দিব খোজাটো নিশ্চয়কৈ চিন্তাৰ বিষয়। গতিকে অসমীয়াবিৰোধী কৰ্ম-কাণ্ডৰে শাসনাধিষ্ঠিত চৰকাৰখনে জাতি-মাটি ভেটি ৰক্ষাৰ অংগীকাৰ কিদৰে সাৰ্থক কৰিব তাক লৈ প্ৰশ্ন উত্থাপন হোৱাটো স্বাভাৱিক। অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত ভাষাৰ প্ৰতিবন্ধকতা দূৰ কৰাৰ বাবে শেহতীয়াকৈ ৰাজ্যিক কেবিনেটে যি সিদ্ধান্ত লৈছিল সেই সিদ্ধান্ত আপাতদৃষ্টিত সজ প্ৰচেষ্টা যেন লাগিলেও ই অসমীয়া ভাষাক নিজ ৰাজ্যতে এলাগী কৰাৰ প্ৰক্ৰিয়াহে ত্বৰান্বিত কৰিছিল। সেয়ে চৰকাৰৰ সেই সিদ্ধান্ত অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ অনুকূল বুলি ৰাজ্যৰ জাতীয় দল-সংগঠনসমূহ এতিয়াও সমূলি পতিয়ন যাব পৰা নাই।

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী অগ্নিকন্যা খ্যাত মমতা বেনাৰ্জীয়ে হুংকাৰ দি কৈছিল যে বাংলা ভাষা নাজানিলে পশ্চিমবংগত কোনো ধৰণৰ চৰকাৰী চাকৰি কৰিব নোৱাৰিব। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰাজ্যখনৰ এক প্ৰশাসনিক পৰ্যালোচনা বৈঠকত অংশ লৈ বিগত আঠ ডিচেম্বৰত মন্তব্য কৰে যে পশ্চিমবংগত চৰকাৰৰ চাকৰিৰ বাবে স্থানীয় বাংলা ভাষাৰ জ্ঞান থাকিবই লাগিব।

**পশ্চিমবংগৰ মুখ্যমন্ত্ৰী অগ্নিকন্যা খ্যাত মমতা বেনাৰ্জীয়ে হুংকাৰ দি কৈছিল যে বাংলা ভাষা নাজানিলে পশ্চিমবংগত কোনো ধৰণৰ চৰকাৰী চাকৰি কৰিব নোৱাৰিব। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰাজ্যখনৰ এক প্ৰশাসনিক পৰ্যালোচনা বৈঠকত অংশ লৈ বিগত আঠ ডিচেম্বৰত মন্তব্য কৰে যে পশ্চিমবংগত চৰকাৰৰ চাকৰিৰ বাবে স্থানীয় বাংলা ভাষাৰ জ্ঞান থাকিবই লাগিব**

পশ্চিমবংগ চৰকাৰৰ প্ৰশাসনিক পদৰ চাকৰি কৰিবলৈ বাংলা ভাষা জনাটো বাধ্যতামূলক। এখন ৰাজ্যৰ ৰাজ্যভাষা ৰক্ষাৰ হেতুকে মমতা বেনাৰ্জীয়ে কৰা এই মন্তব্যক পশ্চিমবংগৰ সকলো ৰাইজে সমৰ্থন কৰিছে। আমাৰ দৃষ্টি আকৰ্ষণ কৰা আন এখন ৰাজ্য হৈছে তামিলনাডু। তামিলনাডু চৰকাৰে চৰকাৰী চাকৰিৰ বাবে তামিল ভাষা বাধ্যতামূলক কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতিযোগিতামূলক পৰীক্ষাত তামিল ভাষাৰ এখন বাধ্যতামূলক কাকত প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই দুই সিদ্ধান্তৰ পৰা আমি ৰাজ্য দুখনৰ জাতীয়তাবাদী চিন্তা আৰু স্বাভিমান ৰক্ষাৰ বাবে তেওঁলোকৰ আপোচহীন স্থিতিৰ উমান পাব পাৰো।

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্টভাৱে উল্লেখ কৰিছিল যে সন্মুখত হেজাৰ বাধা আহিলেও তেওঁ অসমীয়া জাতি-মাটি-ভেটি, ভাষা ৰক্ষা কৰিব। কিন্তু কিয় এলাগীৰ দিশে অসমীয়া ভাষা? অসম চৰকাৰে এপিএছচি পৰীক্ষাৰ পৰা বাধ্যতামূলক অসমীয়া বিষয়ৰ কাকত প্ৰত্যাহাৰৰ এদিন পাছতে বৰাকত অসমীয়া ভাষাৰ ওপৰত আক্ৰমণ তাৎপৰ্যপূৰ্ণ আৰু অসমীয়াৰ ভৱিষ্যতৰ বাবে অশনি সংকেত নাছিলনে? জাতিৰ সন্ধিক্ষণৰ সময়ছোৱাত, ভাষাৰ অস্তিত্বৰ প্ৰশ্নত ৰাজ্য চৰকাৰৰ এনে সিদ্ধান্তই হতাশ কৰিছে অসমবাসীক। আছু, অসম সাহিত্য সভা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি কাকোৰে একো কেৰেপ নকৰি ৰাজ্য চৰকাৰে গ্ৰহণ কৰিলে আত্মঘাতী সিদ্ধান্ত। বুদ্ধিজীৱী, লেখকৰ পৰামৰ্শকো আওকাণ কৰি নিজৰ সিদ্ধান্তত অটল হৈ অসম চৰকাৰে অৱশেষত বাদ দিয়াইহে এৰিলে অসমীয়া ভাষাক।

অসমীয়া ভাষাৰ ক্ষতি হ'ব পৰা যিকোনো কাৰ্যৰ পৰা বিৰত থাকি চৰকাৰে সেই দায়বদ্ধতা ৰক্ষা কৰাটোৱেই সকলোৱে বিচাৰে। চৰকাৰৰ দুৰ্বলতাৰ বাবেই কেতবোৰ অসমীয়াবিদ্বেষী সংগঠনে বৰাক উপত্যকাৰ পৰা অসমীয়া ভাষাক উচ্ছেদৰ বাবে বাৰম্বাৰ হুংকাৰ দিছে। অসমীয়া ভাষাৰ চৰকাৰী বিজ্ঞাপনৰ ফলকত ক'লা ৰং সানি, ৰাজপথত ধ্বনি দি অসমীয়াৰ স্বাভিমানত আঘাত দিয়াৰ সাহস কৰিছে। এপিএছচিত অসমীয়া ভাষাক এলাগী কৰা বিষয়টোও চৰকাৰখনৰ ৰাজনৈতিক অভিপ্ৰায় পূৰণৰে অংশ বুলি ধাৰণা হৈছে। ভাষাৰ বিষয়ৰ হেঙাৰৰ বাবেই অসমীয়া ল'ৰা-ছোৱালীয়ে এপিএছচিৰ পৰীক্ষাত ভাল ফল দেখুওৱাত ব্যৰ্থ হয় বুলি মুখ্যমন্ত্ৰীয়ে দাঙি ধৰা যুক্তি পতিয়নযোগ্য নহয়। ২০১৯ত তদানীন্তন বিজেপি চৰকাৰে এপিএছচিত অসমীয়া কাকত বাধ্যতামূলক কৰিছিল। এতিয়া বিজেপিৰ আমোলতে এপিএছচিত অসমীয়া ভাষাৰ কাকতৰ প্ৰত্যাহাৰ কাৰ স্বাৰ্থত কৰা হৈছে সেই কথা কোনেও নুবুজাকৈ থকা নাই। বিষয়টোৱে সুদূৰপ্ৰসাৰী বিৰূপ প্ৰভাৱ পেলোৱাৰ পূৰ্বেই চৰকাৰে ৰাজ্যভাষাক এলাগী কৰা কাৰ্য বন্ধ কৰি জনমতক সন্মান জনোৱা উচিত।

*ফোন : ৬৯০০৭৮৮৮৭০*




*আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা*

### কষ্ট, একাগ্ৰতা অবিহনে সফলতা পোৱা নাযায়

# উদ্দেশ্যবিহীন জীৱন ব'ঠাহীন নাৱৰ দৰে


**অৱলোকন**

**চাইৰা ইছলাম বড়া**



**এখন** দেশৰ ভৱিষ্যতৰ ভেটি সুদৃঢ় কৰাত ছাত্ৰসকলে মুখ্য ভূমিকা পালন কৰে। ছাত্ৰ অৱস্থাৰ শৈক্ষিক দিশটোৰ ওপৰত নিৰ্ভৰ কৰে ভৱিষ্যতৰ ভেটি। ছাত্ৰসকলৰ প্ৰকৃত উদ্দেশ্যই হ'ল উপযুক্ত শিক্ষাৰে দীক্ষিত হৈ নিজকে এজন সুনাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰি দেশৰ হকে, দহৰ হকে দায়িত্ব পালন কৰা। প্ৰকৃত অৰ্থত যুৱপ্ৰজন্ম হ'ল দেশৰ ভৱিষ্যত আশা ভৰসাৰ কলি। জীৱনৰ প্ৰকৃত উদ্দেশ্য সফল হ'বলৈ হ'লে শিক্ষা গ্ৰহণৰ কালছোৱাত মনপুতি অধ্যয়নত মনোযোগ দিয়াটোৱেই ছাত্ৰসকলৰ প্ৰধান কৰ্তব্য। কথাতেই কয়— 'পঢ়াই পঢ়ে, ৰোৱে পাণ, এই তিনি নিচিন্তে আন। 'পঢ়াৰ সময়ত একনিষ্ঠভাৱে নিজৰ কৰ্তব্য কৰি গ'লে ভৱিষ্যতে লক্ষ্যপ্ৰাপ্তিৰ বাট সুচল হৈ পৰে। শৈক্ষিক অৱস্থাতে যিকোনো পৰিস্থিতিৰ স'তে মোকাবিলা কৰি কঠোৰ পৰিশ্ৰম আৰু উপযুক্ত অধ্যয়নৰ দ্বাৰা নিজকে এজন সুনাগৰিক হিচাবে গঢ় দিয়াৰ মানসিক প্ৰস্তুতি আয়ত্ত কৰাৰ খুবেই প্ৰয়োজন। সংসাৰৰ দুখ-কষ্ট অতিক্ৰম কৰি কঠোৰ সংগ্ৰামৰ মাজেদি নিজকে প্ৰতিষ্ঠিত কৰিব পৰাটোহে শিক্ষাৰ্থীসকলৰ সফল জীৱনৰ চাবি-কাঠি। জীৱনৰ প্ৰতিটো স্তৰৰ মাদকতা ভিন্ন প্ৰকাৰৰ, প্ৰকৃত অৰ্থত এই সময়ছোৱাতে লক্ষ্য স্থিৰ কৰা উচিত। শৈক্ষিক জীৱনৰ দিনবোৰ পুনৰ ঘূৰি নাহে, সেই সূত্ৰে জীৱন গঢ়াৰ এই মূল্যবান সময়ছোৱাতে শাৰীৰিক, মানসিক, আধ্যাত্মিক, নৈতিক আদি সকলো দিশতে উপযুক্ত অনুশীলন গঢ়ি তুলি নিজকে সমাজৰ এজন সুনাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰাৰ পৰিকল্পনা লোৱা উচিত। ছাত্ৰ অৱস্থাতে উচিত শিক্ষা গ্ৰহণৰ উপৰি মানৱীয় প্ৰমূল্যবোধক অগ্ৰাধিকাৰ দি ধৈৰ্য, সহ্য, ত্যাগ আদিৰ দৰে মানৱীয় গুণসমূহ আয়ত্ত কৰাৰ উপযুক্ত সময়। কোমল বয়সতে গঢ়ি উঠা সৎ আচৰণে ভৱিষ্যতে এজন ছাত্ৰক সুনাগৰিক হিচাপে সৎপথত অগ্ৰসৰ হোৱাত সহায় কৰে। কষ্ট, একাগ্ৰতা অবিহনে কেতিয়াও সফলতা পোৱা নাযায়। ইয়াৰ বাবে লাগিব ধৈৰ্য, সাহস আৰু কঠোৰ পৰিশ্ৰম। এই গুণবোৰৰ অবিহনে জীৱন বাটত পদে পদে উজুটি খোৱাৰ আশংকা অধিক। হাতে-কামে নকৰিলে মুখেৰে কোনো কামেই নিসিজে। জীৱনৰ সংঘৰ্ষ যিমানেই জটিল হ'ব, জয়ৰ আনন্দ সিমানেই বেছি হ'ব। ক্ষমতা আৰু ধন সৰ্বচ্চৰ দৰে সুবিধাবাদী মনোবৃত্তি পৰিহাৰ কৰি যুৱপ্ৰজন্মই ব্যক্তিগত উত্তৰণতকৈ জাতিটোৰ উত্তৰণক অধিক অগ্ৰাধিকাৰ দিয়া উচিত, যিহেতু কৈশোৰ কালৰ সুস্থ আদৰ্শৰ ওপৰত ভিত্তি কৰিহে ভৱিষ্যত নিৰূপণ হয়। আদৰ্শগত এটি জীৱন প্ৰণালীৰ গৰাকী হ'ব পৰাটো এজন ব্যক্তিৰ সুস্থ ৰুচিবোধৰ পৰিচয়।

কিছুদিনৰ আগতে সকলোৱে উদগ্ৰীৱ হৈ অপেক্ষা কৰি থকা ছাত্ৰ জীৱনৰ মুখ্য পৰীক্ষা দুটাৰ ফলাফল ওলাল। হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক দুয়োটা পৰীক্ষা ছাত্ৰ জীৱনৰ ভৱিষ্যতৰ ভেটি সুদৃঢ় কৰাৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। দুচকুত অলেখ সপোনৰ চিকমিকনি লৈ বেছিভাগ ছাত্ৰৰ জীৱনৰ সংকল্প স্থিৰ হয় এই দুয়োটা পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি।



*ধৃতিৰাজ বাস্তৱ কলিতা*

বৰ্তমান সময়ত অসমৰ সকলোৰে বাবে চিনাকি এটা নাম হৈ পৰিছে ধৃতিৰাজ বাস্তৱ কলিতা। অতিশয় মেধাৱী আৰু সহজ-সৰল ব্যতিক্ৰমী ব্যক্তিত্বৰ এই ছাত্ৰজনে এতিয়া সকলো লোকৰ মাজত তেওঁৰ জনপ্ৰিয়তা বৃদ্ধি পোৱাৰ লগতে অসাধাৰণ কৃতিত্বৰ বাবে ৰাইজৰ অকুণ্ঠ মৰম আশীৰ্বাদ আৰু ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ শৈক্ষিক ক্ষেত্ৰখনত ধৃতিৰাজ এনে এজন মেধাৱী ছাত্ৰ ৰূপে প্ৰতিষ্ঠিত হৈছে, যিজন ছাত্ৰই দুবছৰৰ আগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সমগ্ৰ অসমৰ ভিতৰতে প্ৰথম স্থান পাবলৈ সক্ষম হৈছিল। সেই একেজন ছাত্ৰই উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বিজ্ঞান শাখাত পুনৰ সৰ্বোচ্চ নম্বৰ লাভ কৰি প্ৰথম স্থান দখল কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিলে। এনেধৰণৰ ফলাফল আগতে শুনা মনত নপৰে, হয়তো অসমত এয়াই প্ৰথম। ৰাজ্যখনকে গৌৰৱান্বিত কৰা অসাধাৰণ কৃতকাৰ্যতাৰ লগতে তেওঁৰ নমনীয় ব্যক্তিত্বই ইতিমধ্যে সমগ্ৰ জনসাধাৰণক মোহাচ্ছন্ন কৰি ৰাখিছে। সকলো অভিভাৱকে আশা কৰে ধৃতিৰাজৰ দৰে তেওঁলোকৰ আদৰৰ সন্তানেও দেশ আৰু দহৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰি গৌৰৱ কঢ়িয়াই আনিব। ইয়াৰ উপৰি উৎকৃষ্ট ফলাফলৰ বাবে সাংবাদিক তথা অনুষ্ঠান প্ৰতিষ্ঠান সমূহে লোৱা সাক্ষাৎকাৰত উপৰ্যুপৰি প্ৰশ্নবানৰ সন্মুখীন হোৱাৰ পাছতো শান্ত সৌম্যভাৱে উত্তৰ দিয়া ধৃতিৰাজৰ অমায়িক আচৰণে সকলোকে মুগ্ধ কৰিছে। বিদ্যায়তনিক দিশটোৰ বাহিৰেও ধৃতিৰাজৰ সুৰুচিপূৰ্ণ ব্যৱহাৰ, কথনশৈলী আদিৰ দৰে মানৱীয় গুণবোৰ আজিৰ প্ৰজন্মই আয়ত্ত কৰাটো খুবেই প্ৰয়োজনীয়। এই মেধাৱী ছাত্ৰজনে অধিক মোহ ত্যাগ কৰি ভৱিষ্যতৰ দিনত এজন সফল শিক্ষক হোৱাৰ হাবিয়াস মনত পুহি ৰাখিছে, এয়াও তেওঁৰ ব্যক্তিত্বৰ এক আকৰ্ষণীয় দিশ। আমাৰ আশা ৰাইজৰ আশীৰ্বাদ শিৰত লৈ তেওঁৰ সৎপ্ৰচেষ্টাৰে ভৱিষ্যতৰ সকলো সপোন বাস্তৱায়িত কৰি তুলিব। জীৱন যুজঁত জয়ী হ'বলৈ ৰাইজৰ যে আশীৰ্বাদ অৱশ্যম্ভাৱী এই কথা ধৃতিৰাজৰ দৰে সন্তানে অন্তকৰণে অনুভৱ কৰে।

প্ৰথম দৃষ্টিতে ধৃতিৰাজ আনতকৈ পৃথক; কিয়নো, তেওঁৰ সৰলতা আৰু নমনীয় আচৰণে প্ৰকৃত অৰ্থত প্ৰমাণ কৰিলে যে কেৱল শিক্ষায়তনিক দিশত নম্বৰৰ প্ৰতিযোগিতাত জিকিলেই নহ'ব সৰ্বসাধাৰণৰ মনত স্থান পাবলৈ সকলো ফালৰ পৰা নিজকে এজন সুনাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ ছাত্ৰ অৱস্থাৰ পৰাই সুৰুচিপূৰ্ণ আদৰ্শৰে অনুপ্ৰাণিত হ'ব পাৰিব লাগিব। সন্মুখলৈ অহা কৃতকাৰ্যতাবোৰ জীৱন গঢ়াৰ ক্ষেত্ৰত একো একোটা মাইল ষ্টʼন। বাৰে বাৰে এই ধৰণৰ সোণালী সুযোগ নাহে, সেয়ে সময়ৰ সদ্ব্যৱহাৰ কৰি সঠিক ৰূপত মূল্যায়ন কৰিলে সুফল নিশ্চিতভাৱে পোৱা যায়। সৰ্বগুণৰ অধিকাৰী এনে ধৰণৰ এজন মেধাৱী ছাত্ৰৰ পৰা সমাজ এখনে বহুখিনি আশা কৰে। জাতিটোৰ দাপোণস্বৰূপ এইসকল ছাত্ৰ যুৱপ্ৰজন্মৰ আদৰ্শ স্বৰূপ। এখন সমাজ সকলো দিশৰ পৰা উন্নতিৰ শিখৰত আৰোহণ কৰিবলৈ ধৃতিৰাজৰ দৰে ছাত্ৰসকলৰ খুবেই আৱশ্যক। আজিৰ ভোগবাদী সমাজ ব্যৱস্থাৰ পাছতো কৃত্ৰিমতাৰ চাকনৈয়াত উটি ভাহি নগৈ অসমৰ এজন সুসন্তানৰ মনত যে সাধাৰণ জীৱন-যাপন কৰাৰ মানসিকতা গঢ় লৈ উঠিছে তাৰ বাবে তেওঁ অজস্ৰজনৰ সুশৃংখল জীৱন বাটৰ প্ৰকৃত আদৰ্শ স্বৰূপ। অযথা সাধাৰণ কথাতে অধিক অত্যুৎসাহী নহৈ সংযম ৰক্ষা কৰি ভৱিষ্যতৰ পৰিকল্পনা মতে আগুৱাই যাব বিচৰা ধৃতিৰাজৰ এজন সৎ ব্যক্তি হোৱাৰ সপোন নিশ্চিত ভাৱে পূৰণ হব।

যিকোনো এজন ব্যক্তিৰ চিন্তা ধাৰণা তেওঁৰ কথা-বতৰা আৰু বাহ্যিক আচৰণত স্পষ্টভাৱে প্ৰকাশ পায়। নৱপ্ৰজন্মই তেওঁৰ শিক্ষাগ্ৰহণ পদ্ধতিৰ লগতে কথা কোৱাৰ ধৰণ আৰু নমনীয় আচৰণৰ বিষয়ে শিকিবলগীয়া বহুত আছে। আনৰ অন্তৰত মৰম আৰু সন্মানৰ পাত্ৰ হ'ব পৰাটো মনুষ্যৰ এটা ডাঙৰ গুণ। ধৈৰ্যশীল ব্যক্তিয়ে নিজৰ উচিত কৰ্মপন্থাৰ বাবে উপযুক্ত সময়ত সফলতা অৰ্জন কৰিবই। জ্ঞান বুদ্ধি থকা লোকসকলে অনগ্ৰসৰ লোকসকলৰ মাজত সময় থাকোতেই সত্য প্ৰতিষ্ঠা কৰা উচিত। বিজ্ঞান মনস্কতাৰ অভাৱৰ বাবে আজিও এচাম লোকে অন্ধ অনুকৰণ কৰিয়েই আহিছে। অযথা সময় অপব্যয় নকৰি তীব্ৰ বাধাকো সাফল্যলৈ ৰূপান্তৰ কৰিব পৰাটোহে সফল জীৱনৰ কৃতিত্ব। লক্ষ্যহীন জীৱন গুৰিয়ালবিহীন নাৱৰ দৰে, সুনিৰ্দিষ্ট পথত আগুৱাই যাব নোৱাৰাৰ বাবে সঠিক ভাৱে জীৱন গঢ়াত অসুবিধা হয়। আশাৰ পৰিধি অন্তহীন হ'লেও উঠি অহা প্ৰজন্মই নিজস্ব প্ৰতিভা বিকাশৰ জৰিয়তে ভৱিষ্যতৰ পথত আগুৱাই গ'লে এদিন নিশ্চয় লক্ষ্য স্থানত উপনীত হ'ব, যিহেতু কষ্ট কৰিলেহে ৰত্ন পায়।

*ফোন : ৯১০১৫১৭৮৪৭*



**এইটো** সাধাৰণ কথা সকলোৱে বুজি পায় যে দোকানী-ব্যৱসায়ীয়ে সেইটো বস্তুৰ ক্ষেত্ৰত দাম নেৰে যিটো বস্তুৰ যোগান কিনোতাতকৈ কম। আৰু যিটো বস্তু বজাৰত উভৈনদী সেইটো বস্তুৰ ক্ষেত্ৰত ব্যৱসায়ীৰ হাত ঢিলা। অৰ্থবিজ্ঞানেও তাকেই কয়, চাহিদাতকৈ যোগান বেছি হ'লে পণ্যমূল্যৰ দাম কম আৰু চাহিদাতকৈ যোগান কম হ'লেই পণ্যমূল্যৰ দাম বৃদ্ধি হয়।

যিকোনো কাৰণেই নহওক সাম্প্ৰতিক সময়ত শস্য উৎপাদন কাৰ্যত মানুহ কমিছে, বাকী সেৱাখণ্ড বা পণ্য ৰূপান্তৰকৰণ খণ্ড বা উদ্যোগত মানুহ বাঢ়িছে। ইপিনে, জনসংখ্যা বৃদ্ধিৰ উৰ্ধগতিৰ কথাটো আছেই। যেনেদৰে ওখ ঠাইৰ পৰা পানী তললৈ বয়, এই চিৰন্তন সত্যটোৰ

## আচল কথাটো কৈছে জুবিনে

দৰে মানুহ বেছি শাৰীৰিক শ্ৰমৰ পৰা কম শাৰীৰিক শ্ৰমৰ জীৱিকালৈ সোঁত ব'বই আৰু কম উপাৰ্জনৰ জীৱিকাৰ পৰা বেছি উপাৰ্জনৰ জীৱিকালৈ মানুহৰ সোঁত ব'বই। মুঠতে কলম আৰু মাউছ ব্যৱহাৰৰ প্ৰতি মানুহৰ ধাউতি বাঢ়িছে। কৃষি উৎপাদনৰ দৰে ৰ'দ-বৰষুণত তিতি-বুৰি শাৰীৰিক পৰিশ্ৰমৰ কামৰ প্ৰতি সকলোৰে ধাউতি কমিছে।

এটি সাধাৰণ উদাহৰণ : ধৰা হওক নগাঁও চহৰখনতে এসাঁজত ছাগলী মাংস তিনি কুইণ্টল লাগে, কিন্তু উৎপাদন বৃদ্ধি হৈ যোগান বৃদ্ধি হৈ চাৰি কুইণ্টলকৈ মাংস বজাৰলৈ আহিবলৈ ল'লে, পৰিণতি? পৰিণতি দ্ৰব্যমূল্য হ্ৰাস। তাকে নকৰি আমি যদি ইয়াৰ বিৰুদ্ধে দ্ৰব্যমূল্যৰ বৃদ্ধিৰ বিৰুদ্ধে ধৰ্ণা, শোভাযাত্ৰা, অনশন বছৰ বছৰ কৰি থাকো। চৰকাৰৰ হাতত সমাধান কি? সমাধান দুদিনৰ, চৰকাৰে ৰেট বান্ধি দিলে দুদিন পাছত সেই যোগান চাহিদা সূত্ৰত পুনৰ একে অৱস্থা।

এনেহেন প্ৰেক্ষাপটত অসমৰ হিয়াৰ আমঠু গায়ক জুবিন গাৰ্গে কথাটো বুজি উঠাৰ বাবে ভাল লাগিছে। 'দৈনিক অগ্ৰদূত'ত ১২ জুলাইৰ সংখ্যাৰ শেষ পৃষ্ঠাত ষ্টাফ ৰিপ'ৰ্টাৰৰ দ্বাৰা পৰিবেশিত 'চিঞৰ-বাখৰ কৰিলে মূল্যবৃদ্ধি হ্ৰাস নাপায় উৎপাদন বৃদ্ধিত গুৰুত্ব দিয়ক' শীৰ্ষক বাতৰিটো পঢ়ি আমি ভাল পাইছো। মুঠৰ ওপৰত এটা বৃদ্ধি কৰিলেই আন এটাৰ বৃদ্ধি কমি যাব।

**দেবেন শইকীয়া**, মৰিকলং, নগাঁও, ফোন : ৯৪৩৫২-০৯৮৮২

## বাঘ হাজৰিকাৰ সোঁৱৰণত পাণ্ডুত দ্বিতীয়খন দলং হওক

**বীৰ** বাঘ হাজৰিকা ওৰফে ইছমাইল ছিদ্দিকী অন্যতম অসমীয়া জাতীয় পৰিচয়। বাঘ হাজৰিকা অসমীয়া মুছলমান বিশেষকৈ থলুৱা মুছলমানৰ স্বাভিমানৰ পৰিচয়। যেনেকৈ জনগোষ্ঠীটোৰ আজান পীৰ সাংস্কৃতিক পৰিচয়, তেনেকৈ বাঘ হাজৰিকা সামাজিক পৰিচয়। যেনেদৰে মহাবীৰ লাচিত বৰফুকন, বীৰ চিলাৰায়, ৰাঘৱ মৰাণ, বিৰচা মুণ্ডা, ভীমবৰ দেউৰী তেনেদৰে বাঘ হাজৰিকা। অৰ্থাৎ এক কথাত বাঘ হাজৰিকা অসমীয়া জাতীয় পৰিচয়।

ডেকা ইছমাইলে বাঘ এটা মাৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। স্থানীয় ৰাইজে তেওঁক তেতিয়াৰ পৰাই 'বাঘবৰ', 'বাঘধৰ', 'বাঘ' আদি নামেৰে মাতিবলৈ লয়। সেই সময়ৰ আহোম ৰজা চক্ৰধ্বজ সিংহই বাতৰিটো গম পাই ৰজাৰ দৰবাৰত স্থান দিলে আৰু ফলত বাঘ হাজৰিকা হিচাপে চিহ্নিত হৈ পৰে। এই 'হাজৰিকা' উপাধিৰ মূলতে আছিল এহেজাৰ গোট সেনাৰ ভাৰ (স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ বুৰঞ্জী- ড০ সূৰ্যকুমাৰ ভূঞা)। এই ৰজাঘৰীয়া বাবৰ উপৰি চক্ৰধ্বজ সিংহই লাচিতৰ সহযোগী সেনাপতি হিচাপে নিয়োগ কৰে। সেই সময়তে চেংফা গাভৰু নামৰ এগৰাকী অভিজাত গড়গঞা কন্যাৰ স'তে তেওঁ বিবাহপাশত আবদ্ধ হয়। নৱবিবাহিতা পত্নীৰ সন্মুখত দেশতকৈ জাতি ডাঙৰ নহয় বুলি আত্মঘোষণাৰে বাঘ হাজৰিকাই যি শৰাইঘটীয়া ৰণলৈ খোজ দিলে, তাৰ ফলো অসমীয়াই পালে। মূখ্য সেনাপতি লাচিত নৰিয়াত পৰাৰ লগে লগে যুদ্ধৰ পৰৱৰ্তী অংশ চলাই নিয়াৰ দায়িত্ব পৰিল এই বাঘ হাজৰিকাৰ ওপৰতে।

"যিসকল মহান ব্যক্তি, আমাৰ উপৰিপুৰুষে আই অসমীৰ বৈচিত্ৰ্যময় সভ্যতা-সংস্কৃতি গঢ়ি থৈ গ'ল, সেই সকলৰ ভিতৰত ইছলাম ধৰ্মৰ বাঘ হাজৰিকা অন্যতম। যি সময়ত হিন্দু সম্প্ৰদায়ৰ ৰাজপুত বীৰ ৰামসিংহই মোগল সম্ৰাটৰ বশ্যতা স্বীকাৰ কৰি অসম ৰাজ্য আক্ৰমণ কৰি অসমক মোগল সাম্ৰাজ্যত অন্তৰ্ভূক্ত কৰিবলৈ যুদ্ধ কৰিছিল, অসমৰ কোনো থলুৱা ব্ৰাহ্মণ পুৰোহিতে ৰামসিংহৰ পৰা ৫০০ সোণৰ মুদ্ৰা লৈ যুদ্ধ কৰাৰ ক্ষণ মিলা নাই বুলি গুৱাহাটীখন বিনাযুদ্ধই ৰামসিংহক গতাই দিয়াৰ ষড়যন্ত্ৰ কৰিছিল, সেই সময়ত আহোম সেনাপতি বীৰ লাচিত বৰফুকনৰ পালি সেনাপতি হৈ মোগলৰ বৰটোপত নিশাতে পানী ভৰাই হিলৈ সমূহ অকামিলা কৰি ঐতিহাসিক বীৰ যোদ্ধা বাঘ হাজৰিকা ওৰফে ইছমাইল ছিদ্দিকীয়ে যুদ্ধ জয়ৰ মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।"

শিৱসাগৰৰ হাঁহচৰা অঞ্চলৰ গৰীয়াজানৰ কাষত থকা ঐতিহাসিক গৰীয়া গাঁওখনে বাঘ হাজৰিকা বসবাস কৰাৰতিনিশ পঞ্চাছ বছৰৰ পাছতো আজিও সাক্ষী বহন কৰে। ৰজাই শৰাইঘাট যুদ্ধত দেখুওৱা সাহসিকতাৰ পুৰস্কাৰ স্বৰূপে হাৰিপাৰাত (বৰ্তমান দয়া চাৰিআলি)ত বীৰজনাৰ নামত 'বাঘধৰা পুখুৰী' খান্দি দিয়ে আৰু এই পুখুৰীৰ পাৰতেই বাঘ হাজৰিকাই পৰৱৰ্তী সময়ত নিগাজিকৈ থাকিবলৈ লয়। আজিও এই পুখুৰীৰ পাৰত 'বাঘধৰা হাইস্কুল' থিয় হৈ আছে। অসমীয়া সাহিত্য জগতৰ অন্যতম ভোটাতৰা স্বৰূপ বাঘ হাজৰিকাৰ পঞ্চম পৰিনাতি জ্ঞানমালিনী কবি মফিজুদ্দিন আহমদ হাজৰিকা।

এই মহান অসমীয়া বীৰজনাৰ সোঁৱৰণত নতুনকৈ নিৰ্মিত হোৱা পাণ্ডুস্থিত দ্বিতীয়খন দলং নামকৰণ কৰিবলৈ অসম চৰকাৰক এই লেখাৰ যোগেদি অনুৰোধ জনালো।


**ছাইফুল হুছেইন বৰা**, গোলাঘাট, ফোন : ৯১০১৬-২১৫১৪

দৈনিক অগ্রদূত

দেশ-দেশান্তৰ

গুৱাহাটী, ১৪ জুলাই, ২০২২ বৃহস্পতিবাৰ, পৃষ্ঠা ৭

## সেনাৰ তৎপৰতাত কাশ্মীৰত পাকিস্তানী সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশৰ অপচেষ্টা ব্যৰ্থ




**নিউজ ব্যুৰ', শ্ৰীনগৰ, ১৩ জুলাই ঃ** ভাৰতীয় সেনাই সীমান্তৰ সিপাৰৰ পৰা অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱা পাকিস্তানী সন্ত্ৰাসবাদীৰ অপকৌশল ব্যৰ্থ কৰিলে। সেনাৰ সূত্ৰই আজি প্ৰকাশ কৰা অনুসৰি, যোৱা নিশা কাশ্মীৰৰ পুঞ্চত সীমান্তৰ সিপাৰৰ পৰা পাকিস্তানী সন্ত্ৰাসবাদীয়ে ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছিল। সন্ত্ৰাসবাদীৰ এই অপকৌশল দৃষ্টিগোচৰ হোৱাৰ পাছতে বি এছ এফে গুলিবৰ্ষণ কৰাত সন্ত্ৰাসবাদীয়ে পলায়ন কৰিবলৈ বাধ্য হৈছিল। বিগত দুমাহত ভাৰতীয় সেনাই সন্ত্ৰাস বিৰোধী অভিযান চলাই কমেও ৫০ জন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰিলে।

## মুখ্যমন্ত্ৰী চৌহানক ঠাণ্ডা চাহ পৰিৱেশন কৰা বিষয়ালৈ জাননী চৰকাৰৰ



**নিউজ ব্যুৰ', ভূপাল, ১৩ জুলাই ঃ** স্বয়ং মুখ্যমন্ত্ৰীৰ আপ্যায়নত ত্ৰুটি। মুখ্যমন্ত্ৰীক পৰিৱেশন কৰা হ'ল শীতল চাহ। এই অপৰাধৰ বাবে জবাবদিহি হ'ব লগা হ'ল মধ্য প্ৰদেশ চৰকাৰৰ এজন বিষয়া। উক্ত বিষয়ালৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিলে ঊৰ্দ্ধতন কৰ্তৃপক্ষই। অৱশ্যে পাছত বিষয়টো সামাজিক মাধ্যমত চৰ্চিত হোৱাত জাননী প্ৰত্যাহাৰ কৰিলে কৰ্তৃপক্ষই। উত্থাপিত অভিযোগ অনুসৰি মধ্য প্ৰদেশৰ পৌৰ সভাৰ নিৰ্বাচনৰ কামত যথেষ্ট ব্যস্ত থকা মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানক চাতাৰপুৰৰ খাজুৰাহ বিমানকোঠত পুৱাৰ আহাৰ পৰিৱেশন কৰা হৈছিল। এই আহাৰতে মুখ্যমন্ত্ৰীজনক এজন বিষয়াই ঠাণ্ডা চাহ পান কৰিবলৈ দিয়াৰ অভিযোগ উত্থাপিত হ'ল। খাজুৰাহ প্ৰশাসনে মুখ্যমন্ত্ৰীক এইদৰে ঠাণ্ডা চাহ পৰিৱেশন কৰাৰ অভিযোগত কণিষ্ঠ যোগান বিষয়া ৰাকেশ কানহুৱালৈ জাননী প্ৰেৰণ কৰিছিল। অৱশ্যে পাছত খাজুৰাহ প্ৰশাসনে কাৰণ দৰ্শোৱাৰ জাননীখন প্ৰত্যাহাৰ কৰে।

## প্ৰবল বৃষ্টি-বানত মহাৰাষ্ট্ৰত ৮৯ জন লোকৰ মৃত্যু




**নিউজ ব্যুৰ', নাগপুৰ, ১৩ জুলাই ঃ** অত্যধিক বৃষ্টিপাতৰ ফলত মহাৰাষ্ট্ৰৰ কে'বাটাও অঞ্চলত বানে জটিল ৰূপ ধাৰণ কৰিছে। বিশেষকৈ ৰাজ্যখনৰ নাগপুৰ, থানে অঞ্চলত হোৱা প্ৰবল বৃষ্টিপাতত যথেষ্ট সংখ্যক লোক ক্ষতিগ্ৰস্ত হৈছে। মহাৰাষ্ট্ৰৰ নাগপুৰত এখন স্কৰপিঅ' গাড়ী পানীত উটি যোৱাৰ ফলত ছজন লোকৰ মৃত্যু হ'ল। প্ৰবল বৃষ্টিপাত আৰু বানৰ ফলত মহাৰাষ্ট্ৰত বুধবাৰলৈকে ৮৯ জন লোকৰ মৃত্যু হ'ল। প্ৰবল বৃষ্টিপাতৰ লক্ষ্য ৰাখি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডেয়ে জিলা প্ৰশাসনক জৰুৰীকালীন সেৱা সক্ৰিয় ৰাখিবলৈ নিৰ্দেশ দিলে।

## অগ্নিপথৰ বৈধতাৰ প্ৰসংগত উত্থাপিত গোচৰৰ ১৫ জুলাইত শুনানি গ্ৰহণ আদালতত



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অগ্নিপথ নিযুক্তি আঁচনিৰ বৈধতাৰ প্ৰসংগত দাখিল কৰা এক আবেদনৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে অহা ১৫ জুলাইত শুনানি গ্ৰহণ কৰিব। প্ৰকাশিত বাতৰি অনুসৰি, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু এ এছ ব'পান্নাৰ বিচাৰপীঠত এই গোচৰৰ শুনানি গ্ৰহণৰ কথা। উল্লেখ্য যে উচ্চ ন্যায়ালয়ত দুজন আবেদনকাৰীয়ে অগ্নিপথ আঁচনিৰ বৈধতাৰ প্ৰসংগত প্ৰশ্ন উত্থাপন কৰি পুনৰ বিবেচনাৰ দাবী জনাইছিল। অগ্নিপথ আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে চাৰি বছৰৰ বাবে ভাৰতীয় সেনা বাহিনীত তৰুণ প্ৰজন্মক নিযুক্তিৰ সিদ্ধান্ত লৈছে।

## আমেৰিকাৰ ড্ৰ'ন্ অভিযানত ধৰাশায়ী আইছিছৰ শীৰ্ষনেতা



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৩ জুলাই ঃ** আমেৰিকাই ছিৰিয়াত চলোৱা এক ড্ৰ'ন্ আক্ৰমণৰ ঘটনাত ধৰাশায়ী হ'ল ইছলামিক ষ্টেট (আইছিছ)ৰ অন্যতম শীৰ্ষনেতা মাহেৰ-আল-আগল। আজি পেণ্টাগনে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি এখন মটৰ চাইকেলৰে যাত্ৰা কৰাৰ সময়তে মাৰ্কিন সেনাৰ ড্ৰ'ন আক্ৰমণত মাহেৰ নিহত হৈছিল। মাহেৰে লেভান্ত অঞ্চলৰ আইছিছৰ গৱৰ্ণৰ হিচাপে সন্ত্ৰাসবাদী কাৰ্যকলাপ পৰিচালনা কৰিছিল। মাৰ্কিন সেনাৰ এই অভিযানত মাহেৰৰ মৃত্যু হোৱাৰ লগতে তেওঁৰ সহযোগী এজন গুৰুতৰভাৱে আহত হয়।



## অহা সপ্তাহত হিজাব গোচৰৰ শুনানি গ্ৰহণ কৰিব উচ্চতম ন্যায়ালয়ে

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৩ জুলাই ঃ** হিজাব বিতৰ্কৰ প্ৰসংগত কৰ্ণাটক উচ্চ ন্যায়ালয়ে দিয়া ৰায়ত অসন্তুষ্ট হৈ আবেদনকাৰীয়ে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। এই আবেদনৰ প্ৰথম শুনানি অহা সপ্তাহত গ্ৰহণ কৰিব দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। ভাৰতৰ মুখ্য ন্যায়াধীশ এন ভি ৰমনে অধিবক্তা প্ৰশান্ত ভূষণক জনোৱা অনুসৰি অহা সপ্তাহত উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠত এই আবেদনৰ শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখ্য যে আবেদনকাৰীৰ হৈ সৰ্বোচ্চ ন্যায়ালয়ত গোচৰৰ দায়িত্ব বহন কৰিছে অধিবক্তা ভূষণে। ইয়াৰ পূৰ্বে যোৱা ২৬ এপ্ৰিলত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ বিচাৰপীঠত এই বিষয়টো প্ৰথম উত্থাপিত হৈছিল। সেই সময়তে মুখ্য ন্যায়াধীশে এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন ঘোষণাৰ প্ৰতিশ্ৰুতি দিছিল।

**ঋষিৰ লগতে পেনি, টম, জেৰেমি, লিজসহ মুঠ আঠজন লোক প্ৰধানমন্ত্ৰী পদৰ দাবীদাৰ**

# ব্ৰিটিছ প্ৰধানমন্ত্ৰী হোৱাৰ দৌৰত এখোজ অগ্ৰসৰ ঋষিৰ

**নিউজ ব্যুৰ' লণ্ডন, ১৩ জুলাই ঃ** ৪২ বছৰ বয়সীয়া ভাৰতীয় মূলৰ ব্ৰিটিছ সাংসদ ঋষি ছুনক নিযুক্ত হ'ব পাৰে ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী। অৱশ্যে ইয়াৰ বাবে ঋষিয়ে অনেক বাধা অতিক্ৰম কৰিব লাগিব। ঋষিৰ প্ৰতিদ্বন্দ্বীৰ অন্যতম এজন হৈছে ইৰাকী মূলৰ কনজাৰভেটিভ সাংসদ তথা বৰ্তমানৰ বিত্ত মন্ত্ৰী নাদিম জাহাবি। তদুপৰি কনজাৰভেটিভ দলৰ আন কে'বাজনো প্ৰভাৱশালী নেতাই ইতিমধ্যে ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ অন্যতম দাবীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। মনোনয়নপত্ৰ জমা প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে কনজাৰভেটিভ দলৰ নেতা আৰু পৰৱৰ্তী ব্ৰিটিছ প্ৰধানমন্ত্ৰী হোৱাৰ দৌৰত এখোজ আগুৱালে ঋষিয়ে।

ইফালে, প্ৰধানমন্ত্ৰী পদৰ দৌৰৰ পৰা নিজৰ নাম



প্ৰত্যাহাৰ কৰিলে গুজৰাটী মূলৰ প্ৰীতি পাটিলে। ঋষিৰ লগতে পেনি মৰ্ডাণ্ট, টম টুগেনধাত, জেৰেমি হাণ্ট, লিজ ট্ৰাছসহ মুঠ আঠজন লোকে প্ৰধানমন্ত্ৰী পদৰ দাবীদাৰ হিচাপে ইতিমধ্যে আত্মপ্ৰকাশ কৰিছে। পাকিস্তানী বংশোদ্ভূত ছাজিদ জাভেদেও প্ৰথমে প্ৰধানমন্ত্ৰী পদৰ দাবীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল যদিও পাছত তেওঁ নাম প্ৰত্যাহাৰ কৰে। অহা ২১ জুলাইৰ ভিতৰত কনজাৰভেটিভ পাৰ্টিয়ে ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰীক নিৰ্বাচন কৰিব।

## ২৪ ঘণ্টাত ২৪ শতাংশ বৃদ্ধি দেশৰ ক'ভিড সংক্ৰমণ, মৃত্যু ৪৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ জুলাই ঃ** যোৱা মঙলবাৰে দেশত ১৩,৬১৫ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হৈছিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ১৬,৯০৬ জন লোক এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হ'ল। ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ সংক্ৰমণ ২৪ শতাংশ বৃদ্ধি পালে। একে সময়তে দেশত কৰ'নাত মৃতকৰ সংখ্যাও বিগত এদিনত যথেষ্ট বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত ক'ভিডে পুনৰ ৪৫ জন লোকৰ প্ৰাণ হৰিলে। কেৱল কেৰালাতে ১৭ জন লোকৰ মৃত্যু হ'ল। বিগত এদিনত পশ্চিমবংগত ২৬৫৯, মহাৰাষ্ট্ৰত ২৪৩৫, তামিলনাডুত ২২৮০, কেৰালাত ২২১১ আৰু কৰ্ণাটকত ৮৯১ জন লোক ক'ভিড সংক্ৰমিত হ'ল।



## লালুপুত্ৰ তেজস্বীক শৰীৰৰ ওজন হ্ৰাসৰ পৰামৰ্শ দিলে প্ৰধানমন্ত্ৰীয়ে

**নিউজ ব্যুৰ', পাটনা, ১৩ জুলাই ঃ** বিহাৰৰ বিৰোধী দল আৰ জে ডিৰ নেতা তেজস্বী যাদৱক শৰীৰৰ ওজন হ্ৰাস কৰাৰ বাবে পৰামৰ্শ দিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। মঙলবাৰে বিহাৰ বিধানসভাত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত মোদী আৰু তেজস্বীৰ সাক্ষাৎ হৈছিল। উক্ত অনুষ্ঠানতে সৌজন্য বিনিময়ৰ পাছত বিদায়ৰ সময়ত মোদীয়ে তেজস্বীক কয়, 'ওজন হ্ৰাস কৰা।' সূত্ৰৰ খবৰ অনুসৰি, তেজস্বীৰ স'তে প্ৰধানমন্ত্ৰীয়ে শৰীৰ চৰ্চা আৰু স্বাস্থ্যৰ সন্দৰ্ভত কিছু সময় আলোচনা কৰে। বিহাৰ বিধানসভা ভৱনৰ এশ বছৰ পূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত মোদী, তেজস্বীৰ লগতে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, বিধানসভাৰ অধ্যক্ষ বিজয় কুমাৰ সিনহাও উপস্থিত আছিল। মোদীয়ে তেজস্বীক স্বাস্থ্য ৰক্ষাৰ পৰামৰ্শ দিয়াৰ লগতে তেওঁৰ পিতৃ লালুপ্ৰসাদ যাদৱৰ স্বাস্থ্যৰ খবৰো ল'লে।

## দক্ষিণ চীন সাগৰক লৈ চীনক ধমক দিলে আমেৰিকাই


**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৩ জুলাই ঃ** আমেৰিকাৰ বৈদেশিক মন্ত্ৰী এণ্টনি ব্লিংকনে চীনক ২০১৬ বৰ্ষৰ মধ্যস্থতাৰ সিদ্ধান্ত পালন কৰিবলৈ আহ্বান জনালে। উল্লেখ্য যে উক্ত চুক্তিৰ জৰিয়তে দক্ষিণ চীন সাগৰৰ এক বিশাল ক্ষেত্ৰত বেইজিঙে দাবী কৰা অধিকাৰ অস্বীকাৰ কৰা হৈছিল। মাৰ্কিন বৈদেশিক মন্ত্ৰীয়ে চীনক একপ্ৰকাৰ ধমক দি কয় যে যদি ফিলিপাইনছৰ সেনা, জাহাজ বা বিমান বিবাদিত জলক্ষেত্ৰত কোনো আক্ৰমণৰ সন্মুখীন হয়, তেতিয়া ৱাশ্বিংটনে তেওঁলোকৰ এই চুক্তিৰ সহযোগীক ৰক্ষা কৰিবলৈ বাধ্য হ'ব। ২০১৩ বৰ্ষত ফিলিপাইনছ চৰকাৰৰ অভিযোগৰ পাছত সমুদ্ৰ আইনৰ প্ৰসংগত ২০১৬ বৰ্ষত এখন মধ্যস্থতাৰ চুক্তি



স্বাক্ষৰিত হৈছে। এই চুক্তি ছবছৰীয়া বৰ্ষপূৰ্তিৰ দিনতে আমেৰিকাৰ বৈদেশিক মন্ত্ৰীয়ে উক্ত মধ্যস্থতা চুক্তি মানি চলিবলৈ বেইজিঙক আকৌ এবাৰ সকীয়নি দিলে। উল্লেখ্য যে দক্ষিণ চীন সাগৰত চীনে নিজৰ আধিপত্য দাবী কৰাক লৈ বিশ্বৰ আন কে'বাখনো দেশৰ স'তে সংঘাত অব্যাহত আছে।

## নতুন সংসদ ভৱনৰ অশোক স্তম্ভৰ সিংহৰ সন্দৰ্ভত কি ক'লে নিৰ্মাতাই?

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ জুলাই ঃ** যোৱা সোমবাৰে নতুন সংসদ ভৱনৰ অশোক স্তম্ভৰ আনুষ্ঠানিক উদ্বোধন কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইয়াৰ পাছৰে পৰা অতিকায় ব্ৰঞ্জৰে নিৰ্মিত অশোক স্তম্ভৰ সিংহক বিকৃত ৰূপত উপস্থাপন কৰাৰ এক অভিযোগ উত্থাপিত হৈছিল। বিশেষকৈ বিৰোধী দলসমূহে শাসকীয় চৰকাৰে স্তম্ভৰ সিংহক অধিক আক্ৰমণাত্মক ৰূপত উপস্থাপন কৰাৰ অভিযোগ উত্থাপন কৰিছে। এই বিতৰ্কৰ প্ৰসংগত অশোক স্তম্ভৰ নিৰ্মাণ শিল্পীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। নিৰ্মাণ শিল্পীয়ে কৰা দাবী অনুসৰি স্তম্ভটো আকাৰত অধিক বৃহৎ হোৱাৰ ফলত এই সমস্যাৰ সৃষ্টি হৈছে। অনুপাত আৰু দৃষ্টিকোণৰ পাৰ্থক্যৰ কাৰণত এনে এক বিভ্ৰম হোৱা বুলি দাবী কৰি নিৰ্মাণ শিল্পীয়ে কয় যে সাৰনাথৰ মূল অশোক স্তম্ভৰ স'তে সংসদ ভৱনৰ নতুন স্তম্ভৰ ৯৯ শতাংশ সাদৃশ্য আছে। 'যিখন ছবিক লৈ বিতৰ্কৰ সৃষ্টি হৈছে সেইখন হৈছে এখন 'আউট অব্ জুম' ফটো। ল'ৰাৰ এংগলত গ্ৰহণ কৰা উক্ত ছবিত সিংহৰ অভিব্যক্তিৰ এক পৰিৱৰ্তন প্ৰত্যক্ষ হৈছে। আমি এই



স্তম্ভ নিৰ্মাণৰ পূৰ্বে সংগ্ৰহালয়লৈ গৈ গৱেষণা কৰিছিলো। আমি সাৰনাথত থকা মূল অশোক স্তম্ভৰ আধাৰত স্তম্ভ নিৰ্মাণ কৰিছিলো। কিন্তু মূল স্তম্ভটো মাত্ৰ আঢ়ৈ ফুট দৈৰ্ঘ্যৰ। কিন্তু আমি নিৰ্মাণ কৰা স্তম্ভ ৬.৫ মিটাৰ দৈৰ্ঘ্যৰ। সেয়েহে মূলৰ তুলনাত এই স্তম্ভ কিছু পৃথক যেন লাগিছে। সংসদ ভৱনত থকা অশোক স্তম্ভ কমেও এশ মিটাৰ দূৰত্বৰ পৰা প্ৰত্যক্ষ হ'ব। তেতিয়া কোনো পাৰ্থক্য দৃষ্টিগোচৰ নহ'ব।' সংসদ ভৱনৰ অশোক স্তম্ভ নিৰ্মাতাই আজি এইদৰে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।




## চি বি এছ ইৰ ফলাফলৰ পাছতহে স্নাতকৰ নামভৰ্তিৰ নিৰ্দেশনা ইউ জি চিৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ জুলাই ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)য়ে আজি দেশৰ সকলো শিক্ষানুষ্ঠানলৈ এখন পত্ৰ প্ৰেৰণ কৰিলে। এই পত্ৰত ইউ জি চিয়ে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ (চি বি এছ ই)ৰ দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণাৰ পাছতহে কলেজ আৰু বিশ্ববিদ্যালয়ৰ স্নাতকৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্দেশ দিলে। পত্ৰত ইউ জি চিয়ে এইদৰে কয়, 'একাংশ বিশ্ববিদ্যালয়ে ২০২২-২৩ শিক্ষাবৰ্ষৰ বাবে স্নাতক পাঠ্যক্ৰমত ইতিমধ্যে নামভৰ্তি আৰম্ভ কৰিছে। এই পৰিস্থিতিত চি বি এছ ইৰ শিক্ষাৰ্থীয়ে নামভৰ্তিৰ পৰা বঞ্চিত হোৱাৰ শংকা আছে। সেয়েহে চি বি এছ ইৰ ফলাফল ঘোষণাৰ পূৰ্বে উক্ত বিশ্ববিদ্যালয়সমূহক স্নাতকৰ নামভৰ্তি প্ৰক্ৰিয়া সমাপ্ত নকৰিবলৈ কোৱা হ'ল।' প্ৰকাশিত বাতৰি অনুসৰি জুলাইৰ শেহৰফালে চি বি এছ ইৰ দ্বাদশৰ ফলাফল প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে।

## চুক্তি উলংঘনৰ অভিযোগত ধনাঢ্য মাস্কৰ বিৰুদ্ধে গোচৰ তৰিলে টুইটাৰে

**নিউজ ব্যুৰ'. ৱাশ্বিংটন, ১৩ জুলাই ঃ** টুইটাৰ ইনকৰ্প'ৰেচনে কালি বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কৰ বিৰুদ্ধে মাইক্ৰ' ব্লগিং ছাইটটো ক্ৰয়ৰ বাবে তেওঁ কৰা ৪৪ বিলিয়ন ডলাৰৰ চুক্তি উলংঘনৰ অভিযোগত এক গোচৰ তৰিলে। মঙলবাৰে আমেৰিকাৰ ডেলৱাৰৰ আদালতত টুইটাৰ কৰ্তৃপক্ষই মাস্কৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণ কৰিলে। উল্লেখ্য যে যোৱা এপ্ৰিলত মাস্কে ৪৪ বিলিয়ন ডলাৰৰ বিনিময়ত টুইটাৰ ক্ৰয় কৰাৰ কথা সামাজিক মাধ্যমত প্ৰকাশ কৰিছিল। কিন্তু হঠাতে এই সিদ্ধান্ত সলনি কৰি যোৱা শুকুৰবাৰে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে ঘোষণা কৰি কৈছিল যে তেওঁ টুইটাৰ ক্ৰয় নকৰে। টুইটাৰে ভুৱা একাউণ্টসহ বিভিন্ন গোপনীয় তথ্যপাতি একাধিকবাৰ তেওঁ বিচৰাৰ পাছতো যোগান নধৰাত মাইক্ৰ' ব্লগিং ছাইটটো ক্ৰয় কৰাৰ সিদ্ধান্ত বাতিল কৰা বুলি মাস্কে কাৰণ দৰ্শাইছিল।




ইয়াৰ পাছতে মাস্কৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণ কৰিব বুলি টুইটাৰে ঘোষণা কৰিছিল। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, মঙলবাৰে ডেলৱাৰৰ আদালতত টুইটাৰে চুক্তি উলংঘনৰ অভিযোগত মাস্কৰ বিৰুদ্ধে গোচৰ তৰিলে। টুইটাৰৰ মুৰব্বী পৰাগ আগৰৱালে আজি কয়, 'আমি আদালতত আমাৰ অৱস্থান কৰিম আৰু আমি বিশ্বাস কৰো যে এই যুঁজত আমাৰ জয় হ'ব।'


**মাদক গোচৰৰ অভিযোগনামাত ৰিয়াসহ ৩৫ জনৰ নাম**

## ৰিয়াই নিষিদ্ধ মাদক যোগান ধৰিছিল সুশান্তক

**নিউজ ব্যুৰ', মুম্বাই, ১৩ জুলাই ঃ** প্ৰয়াত অভিনেতা সুশান্ত সিং ৰাজপুতৰ মৃত্যুৰ পাছত আৰম্ভ হোৱা মাদক বিষয়ক গোচৰৰ তদন্তৰ অভিযোগনামাত অভিনেত্ৰী ৰিয়া চক্ৰৱৰ্তীৰ নাম উল্লেখ কৰিলে নাৰ্কটিক্স কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)-এ। আজি সুশান্তৰ স'তে জড়িত থকা মাদক দ্ৰব্যৰ এক গোচৰত ৰিয়াক অভিযুক্ত ঘোষণা কৰিলে এন চি বিয়ে। ইয়াৰ বিৰুদ্ধে গাঞ্জা ক্ৰয়ৰ অভিযোগ উত্থাপন কৰা হৈছে। এন চি বিৰ উক্ত অভিযোগনামাত ৰিয়াসহ মুঠ ৩৫ জন লোকৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। একেটা গোচৰত ৰিয়াৰ ভ্ৰাতৃ শৌভিক চক্ৰৱৰ্তীৰ নামো আছে। এন চি বিৰ সূত্ৰই




আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, সুশান্তক একাধিকবাৰ গাঞ্জাসহ নিষিদ্ধ মাদক যোগান ধৰাৰ অভিযোগ ৰিয়াৰ বিৰুদ্ধে উত্থাপন কৰা হৈছে। গাঞ্জা কিনা-বেচাৰ বাবে যথেষ্ট ধনৰ আদান-প্ৰদানৰ অভিযোগো অভিনেত্ৰীৰ বিৰুদ্ধে এন চি বিয়ে অভিযোগনামাত উল্লেখ কৰিছে। এই গোচৰত দোষী সাব্যস্ত হ'লে ৰিয়াৰ ১০ বছৰৰ অধিক কাৰাদণ্ড হ'ব পাৰে। উল্লেখ্য যে ২০২০ত ছেপ্টেম্বৰত মাদক গোচৰত ৰিয়াক গ্ৰেপ্তাৰ কৰা হৈছিল। গ্ৰেপ্তাৰৰ এমাহৰ পাছত বোম্বে উচ্চ ন্যায়ালয়ে অভিনেত্ৰীগৰাকীক জামিনত মুক্তি দিছিল। প্ৰসংগত উল্লেখ্য যে ২০২০ৰ ১৪ জুনত মুম্বাইৰ বান্দ্ৰাত এটা এপাৰ্টমেণ্টত চিপ লোৱা অৱস্থাত অভিনেতা সুশান্তৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। ইয়াৰ পাছতে প্ৰয়াত অভিনেতাৰ স'তে জড়িত নিষিদ্ধ মাদক দ্ৰব্য ব্যৱহাৰৰ গোচৰৰ তদন্ত আৰম্ভ কৰিছিল এন চি বিয়ে।



## দ্ৰৌপদীলৈ শিৱসেনাৰ সমৰ্থনক লৈ সংঘাত মহাৰাষ্ট্ৰৰ মহা বিকাশ অঘাড়ীত


**নিউজ ব্যুৰ', মুম্বাই, ১৩ জুলাই ঃ** দলীয় সাংসদৰ হেঁচাত পৰি দেশৰ আগন্তুক ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত এন ডি এৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক সমৰ্থন দিবলৈ বাধ্য হ'ল শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰেয়ে। ইয়াৰ পাছতে মহাৰাষ্ট্ৰৰ মহা বিকাশ অঘাড়ীৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপিত হৈছে। কংগ্ৰেছৰ একাংশ নেতাই এইদৰে শিৱসেনাই এন ডি এৰ প্ৰাৰ্থীৰ সমৰ্থনত থিয় দিয়াত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰ কংগ্ৰেছৰ নেতা বালাচাহেব থোৰাটে এই সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি এইদৰে কয়, 'ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত আচলতে দুই আদৰ্শৰ মাজত প্ৰতিদ্বন্দ্বিতা। ভাৰতৰ সংবিধানক অটুট ৰাখিব বিচৰাসকলে যশৱন্ত সিনহাক সমৰ্থন দিছে। কিয় দ্ৰৌপদী মুৰ্মুক সমৰ্থন দিলে শিৱসেনাই? মহা বিকাশ অঘাড়ীৰ সদস্য হৈছে শিৱসেনা। কিন্তু ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সন্দৰ্ভত আমাৰ স'তে কোনো আলোচনা নকৰিলে শিৱসেনাৰ নেতৃত্বই।' কংগ্ৰেছ নেতাৰ এই মন্তব্যৰ পাছত মহা বিকাশ অঘাড়ীত সংঘাত স্পষ্ট হ'ল।

## শ্ৰীলংকাৰ পাছত দেউলীয়া ৰাষ্ট্ৰ ঘোষণাৰ পথত পাকিস্তান? সকীয়নি বিশেষজ্ঞৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৩ জুলাই ঃ** দীৰ্ঘদিনীয়া আৰ্থিক সংকটৰ পৰিণতিত শ্ৰীলংকাত সম্প্ৰতি উত্তপ্ত পৰিস্থিতিয়ে বিৰাজ কৰিছে। দেউলীয়া ৰাষ্ট্ৰত পৰিণত হোৱা শ্ৰীলংকাক ভাৰতসহ বিভিন্ন দেশে যথাসম্ভৱ সহায়-সহযোগিতা আগবঢ়াইছে। শ্ৰীলংকাই এইদৰে সংকটৰ সন্মুখীন হোৱাৰ সময়তে পাকিস্তানতো আৰ্থিক সংকটে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অৰ্থনৈতিক বিশেষজ্ঞই শ্ৰীলংকাৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ পাকিস্তানক সতৰ্ক হ'বলৈ পৰামৰ্শ দিলে। শ্ৰীলংকাৰ দৰে পাকিস্তানো দেউলীয়া হোৱাৰ পথত অগ্ৰসৰ হৈছে বুলি আৰ্থিক বিশেষজ্ঞই মত প্ৰকাশ কয় অচিৰে পাকিস্তান চৰকাৰে অৰ্থনীতি নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা নল'লে শ্ৰীলংকা সদৃশ পৰিস্থিতি পাকিস্তানতো উদ্ভৱ হ'ব পাৰে। উল্লেখ্য যে পাকিস্তানৰ বৈদেশিক মুদ্ৰা ভাণ্ডাৰ যথেষ্ট হ্ৰাস পোৱাৰ লগতে দেশখনৰ বৈদেশিক ঋণৰ পৰিমাণ ঊৰ্দ্ধমুখী হোৱাৰ ফলত বিত্তীয় পৰিস্থিতি দিনক দিনে জটিল হ'বলৈ ধৰিছে।

## 'লাল সিং চড্ডা'ৰ দৃশ্যগ্ৰহণত আহত আমিৰ, তথাপিও ব্যস্ত অভিনয়ত



**নিউজ ব্যুৰ', মুম্বাই, ১৩ জুলাই ঃ** ক্লান্ত, আহত শৰীৰে বিচাৰিছিল জিৰণি। শৰীৰ অৱশ হৈছিল প্ৰবল যন্ত্ৰণাত। কিন্তু ইয়াৰ পাছতো দৃশ্যগ্ৰহণতে ব্যস্ত থাকিল বলিউডৰ মহাতাৰকা অভিনেতা আমিৰ খান। বিগত কে'বামাহ ধৰি আমিৰে তেওঁৰ শেহতীয়া ছবি 'লাল সিং চড্ডা'ৰ দৃশ্যগ্ৰহণত ব্যস্ত আছে। এইখন ছবিৰে এটা গুৰুত্বপূৰ্ণ দৃশ্যত আমিৰে মাইলৰ পাছত মাইল দৌৰিব লাগে। দেশৰ নানা প্ৰান্তৰ নানা দৃশ্য আবদ্ধ হ'ব কেমেৰা। এই গুৰুত্বপূৰ্ণ দৃশ্যৰ চিত্ৰায়নৰ সময়তে আঁঠুত আঘাতপ্ৰাপ্ত হ'ল আমিৰ। আঘাত গুৰুতৰ হোৱাৰ ফলত নিজৰ ভৰিত থিয় দিবলৈ ফিজিঅ'থেৰাপিৰ প্ৰয়োজন হৈছিল ৫৭ বছৰ বয়সীয়া অভিনেতাজনৰ। আহত শৰীৰে সেই সময়ত বিচাৰিছিল জিৰণি। কিন্তু থমকি ৰ'ব বিচৰা নাছিল আমিৰে। সেয়েহে পেইনকিলাৰ ব্যৱহাৰ কৰি যন্ত্ৰণা সাময়িকভাৱে হ্ৰাস কৰি পুনৰ কেমেৰাৰ সন্মুখত থিয় দিছিল অভিনেতাজনে। এইদৰেই 'লাল সিং চড্ডা' ছবিৰ দৃশ্যগ্ৰহণত আহত হৈও অংশ ল'লে বলিউডৰ 'মিষ্টাৰ পাৰফেক্টচনিষ্ট' হিচাপে পৰিচিত আমিৰে। উল্লেখ্য যে ১৯৬৬ত মুক্তি লাভ কৰা হলিউডৰ বিখ্যাত ছবি 'ফৰেষ্ট গাম্প' অৱলম্বনত আমিৰে 'লাল সিং চড্ডা'ৰ নিৰ্মাণ কৰিছে। হলিউডত ছবিখনৰ মূল চৰিত্ৰত অভিনয় কৰিছিল টম হাংকছে। 'লাল সিং চড্ডা'ৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে আমিৰে। অহা ১১ আগষ্টত ছবিখনে চিত্ৰগৃহত মুক্তি লাভ কৰাৰ কথা। এই ছবিত আমিৰৰ বিপৰীতে অভিনয় কৰিছে কৰিনা কপুৰ খানে।

# বাছত হেৰুওৱা মূল্যৱান সামগ্ৰী উদ্ধাৰ কৰি ওভতাই দিলে বিশ্বনাথ আৰক্ষীয়ে

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১৩ জুলাই ঃ** বিশ্বনাথ আৰক্ষীয়ে বাছত হেৰুওৱা মূল্যৱান সামগ্ৰী উদ্ধাৰ কৰি গৰাকীক গতাই দিয়াত বহুতে সন্তোষ প্ৰকাশ কৰিছে। উল্লেখ্য যে যোৱা ২৯ মে'ত বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত বিশ্বনাথ নগৰৰ বৌ বজাৰৰ এজন লোকে দাখিল কৰা এজাহাৰ অনুসৰি এজাহাৰকাৰী আৰু তেওঁৰ পত্নীয়ে এখন বিবাহ অনুষ্ঠানৰ বাবে বিশ্বনাথৰ নগৰৰ পৰা বিহপুৰীয়ালৈ ৰাওনা হৈছিল এখন বাছত। কিন্তু দম্পতীয়ে নাৰায়ণপুৰত বাছৰ পৰা নমাৰ সময়ত এজাহাৰকাৰীৰ পত্নীয়ে নিজৰ লগত থকা বেগটো ভুলতে গাড়ীতে পাহৰি এৰি আহে। বেগটোৰ ভিতৰত আছিল সোণৰ নেকলেচ, এটা ম'বাইল ফোন আৰু নগদ ১৫০০ টকা। যাৰ বাবে ভুক্তভোগী দম্পতীয়ে এই সন্দৰ্ভত বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত ঘটনাৰ দিনা এজাহাৰ দাখিল কৰিছিল। যাৰ ভিত্তিত বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকা আৰু উপ-আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাৰ নেতৃত্বত বিহালী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৰেণ গগৈ আৰু ঘাহিগাঁও বিষয়া দেবেন্দ্ৰ মুছাহাৰীৰ সহযোগত অভিযান চলাই বিশ্বনাথ জিলা আৰক্ষীয়ে অভিযান চলায়। অভিযানকাৰী দলটোয়ে লখিমপুৰৰ লালুক থানাৰ অন্তৰ্গত দুই নম্বৰ পৰ্বতিপুৰৰ পৰা হেৰুওৱা মূল্যৱান সা-সামগ্ৰীসমূহ উদ্ধাৰ কৰি পুনৰ বিশ্বনাথৰ দম্পতীহালক কালি ওভতাই দিবলৈ সক্ষম হয়। আনহাতে, দম্পতীয়ে নিজৰ হেৰুওৱা মূল্যৱান সামগ্ৰী পুনৰ লাভ কৰি উৎফুল্লিত হৈ বিশ্বনাথ জিলা আৰক্ষীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# কাছজান নৈত গা ধুবলৈ গৈ সন্ধানহীন যুৱতী

অগ্ৰদূত বাৰ্তা
**মেলামাটি, ১৩ জুলাই ঃ** তিতাবৰ থানাৰ অন্তৰ্গত মেলামাটি গাঁও পঞ্চায়তৰ এলেঙী চাৰিআলিৰ নিবাসী ৰঞ্জিতা শইকীয়া (৩৬) নামৰ যুৱতীগৰাকী আজি ঘৰৰ কাষৰে কাছজান নৈত গা ধুবলৈ গৈ সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত শোকাকুল পৰিৱেশ সৃষ্টি কৰিছে। তথ্য মতে, দুপৰীয়াৰ সময়ত ঘৰৰ কাষৰ বাৰীতে লাগি থকা কাছজান নৈত গা ধুবলৈ গৈছিল। মাতৃয়ে তেওঁক ভাত খাবলৈ মাতিছিল কিন্তু তেওঁ মূৰ ধুই লওঁ বুলি নৈলৈ গৈছিল। বাৰীৰ পৰা নদীত থকা দলংখনত ৰঞ্জিতাই গা-মূৰ ধুই থকা বায়েকে নজৰ দি আছিল, যিহেতু যুৱতীগৰাকী অসুখীয়া আৰু শাৰীৰিকভাৱেও দুৰ্বল আছিল। হঠাতে নদীৰ দলংখনত ভনীয়েকক নেদেখি বায়েকে চিঞৰ-বাখৰ কৰে আৰু নদীত নামি ইফালে-সিফালে চোৱা চিতা কৰে। পৰিয়ালৰ অন্য লোক, ওচৰ-চুবুৰীয়া লোকেও নদীত বিচৰা-বিচৰি কৰে। কিন্তু সন্ধান নাপালে। তিতাবৰ আৰক্ষী থানাত খবৰ দিয়াত থানাৰ আৰক্ষী বাহিনী আৰু এছডিআৰএফৰ জোৱান আহি ঘটনাস্থলীত উপস্থিত হৈ নদীখনত যুৱতীগৰাকীৰ সন্ধান কৰে। কিন্তু যুৱতীগৰাকীক উদ্ধাৰ কৰি পৰা নাই। ৰঞ্জিতাৰ অসুখীয়া মাতৃ, দুই জ্যেষ্ঠ ভ্ৰাতৃ আৰু নবৌৱেকৰ লগতে গোটেই পৰিয়ালটোতে শোকাকুল পৰিৱেশ বিৰাজ কৰিছে।

# দৰং জিলা পথ সুৰক্ষা সমিতিৰ সভা সম্পন্ন

বিশেষ সংবাদদাতা
**মঙলদৈ, ১৩ জুলাই ঃ** দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ সভাপতিত্বত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন সভা উপায়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত হয়। সভাত যাত্ৰীসকলৰ বাবে পথসমূহ সুৰক্ষিত কৰাৰ লগতে নিৰাপদ গাড়ী চলোৱাৰ নিয়মৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰাৰে সিদ্ধান্ত গ্ৰহণ কৰে। লগতে যানবাহন নীতি-নিয়ম উলংঘা কৰি পথত জনসাধাৰণৰ সুৰক্ষা বিপন্ন কৰা বাণিজ্যিক বাহন আৰু বাছৰ বিৰুদ্ধে যান-বাহন আৰক্ষীৰ দ্বাৰা কঠোৰ ব্যৱস্থা লোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। গতি সীমাৰ বিষয়ে অৱগত কৰা সঠিক পথৰ চিন স্থাপন কৰা আৰু পৰিবহণ শ্ৰমিকৰ বাবে চকু পৰীক্ষা শিবিৰৰ আয়োজন কৰা আদি বিষয়েও আলোচনা কৰা হয়। ঘাইপথৰ লগত সংলগ্ন উপ-পথসমূহত গতিৰোধক স্থাপন কৰি যানবাহনৰ দুৰ্ঘটনা হ্ৰাস কৰাৰ ওপৰতো সভাত আলোচনা কৰা হয়। শেহতীয়া বানত ক্ষতিগ্ৰস্ত ঘাইপথৰ অংশসমূহ শীঘ্ৰে মেৰামতিৰ বাবে উপায়ুক্তই লোক নিৰ্মাণ (পথ) বিভাগক নিৰ্দেশ প্ৰদান কৰে। জিলা পৰিবহণ বিষয়া আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল সভাত উপস্থিত থাকে।

# নটবিহংগম নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠান

বিশেষ সংবাদদাতা
**নগাঁও, ১৩ জুলাই ঃ** নটবিহংগম নগাঁৱৰ উদ্যোগত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ নাট্যকৰ্মী সৃষ্টিৰ লক্ষ্যৰে যোৱা তিনি জুলাইৰ পৰা শিঙিয়া পোটনি হাইস্কুলত চলি থকা নাট কৰ্মশালাৰ যোৱা ১০ জুলাইত ৪০ জন শিশু চেমনীয়া প্ৰশিক্ষাৰ্থীৰ 'অনুভৱৰ এক নাট্য সংৰচনা' শীৰ্ষক অনুষ্ঠানেৰে সফল সমাপ্তি ঘটে। শিঙিয়া পোটনি যুৱক বৃন্দৰ ব্যৱস্থাপনাত আৰম্ভণিতে এই বৰ্ষৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত (বাণিজ্য) নৱম স্থান লাভ কৰা স্থানীয় চন্দন বৰাক উষ্ম আদৰণি জনোৱাৰ লগতে ভ্ৰাম্যমাণ থিয়েটাৰৰ জ্যেষ্ঠ অভিনেতা সূৰ্য বৰা, অভিনেতা দিলীপ বৰা আৰু মুখ্য প্ৰশিক্ষক জ্যোতিপ্ৰসাদ ভূঞাক একোখন গামোচাৰে সম্ভাষণ জনোৱা হয়। প্ৰথম দলৰ প্ৰশিক্ষাৰ্থীৰ দ্বাৰা এখন চুটি নাট প্ৰদৰ্শনৰ পাছতে দ্বিতীয় দলৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰদৰ্শিত নাট্যানুষ্ঠানে মুঠ ডেৰ ঘণ্টা সময় দৰ্শকক নিৰবচ্ছিন্ন আমোদ দিবলৈ সক্ষম হয়। সমূহ প্ৰশিক্ষাৰ্থীক নট বিহংগমৰ তৰফৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে প্ৰথম দলৰ প্ৰশিক্ষাৰ্থী গীতাৰ্থী হৰিদ্বাজৰ লগতে পুজা বৰা, ধ্ৰুৱজ্যোতি বৰা আৰু হিমাশ্ৰী ভূঞাই আয়োজন কৰা অনুষ্ঠানৰ আঁত ধৰে নটবিহংগমৰ অন্যতম আহ্বায়ক প্ৰণৱ বৰুৱাই। উপস্থিত থাকে জ্যোতি প্ৰসাদ ভূঞা, কমলেশ শইকীয়া, শশাংক শেখৰ শৰ্মা, নূপুৰ শৰ্মা, দীপাংকৰ কলিতা, মুনিন গোস্বামী, জ্যোতি গগন, পৰমানন্দ, জ্যোতি ৰেখা, গীতাৰ্থ শৰ্মা, কল্যাণ শৰ্মা, অংকুৰ বৰা, যতীন শৰ্মা, ৰেৱ বৰা, বিতু শৰ্মাকে আদি কৰি সমূহ নাট্যকৰ্মীয়ে।

# কামপুৰৰ ১১,৬৬২ বানাক্ৰান্ত পৰিয়ালক অনুদানৰ অনুমোদনপত্ৰ বিতৰণ আৰম্ভ

বিশেষ সংবাদদাতা
**নগাঁও, ১৩ জুলাই ঃ** বৰমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আজি বানাক্ৰান্ত লোকসকলৰ বাবে অসম চৰকাৰে আগবঢ়োৱা তিনিহেজাৰ আঠশ টকাৰ অনুদানৰ অনুমোদনপত্ৰ বিতৰণৰ কাৰ্যসূচী কামপুৰত আৰম্ভ কৰে। বিধায়কজনে কামপুৰৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ত এই কাৰ্যসূচীৰ অনুমোদনপত্ৰ বিতৰণ কৰি আৰম্ভ কৰে। তথ্য মতে, কামপুৰ চক্ৰৰ ১১,৬৬২ টা পৰিয়ালক দিব এই ধন। উল্লেখ্য যে বাচন-বৰ্তনকে ধৰি অন্যান্য প্ৰয়োজনীয় সা-সামগ্ৰী ক্ৰয় কৰিবৰ বাবে অসম চৰকাৰৰ পৰা বানাক্ৰান্তসকলক আগবঢ়োৱা হৈছে। আজি বিধায়কজনে কামপুৰ স্বৰাজ ভৱন, দেৱনাৰিকলি, তেঁতেলিসাৰ আদিলৈ নিজে গৈ বানাক্ৰান্তসকলৰ মাজত অনুমোদনপত্ৰ বিতৰণ কৰে।

# শালকোচাত মৰা গৌৰাং নদীত এজন যুৱকৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা
**চাপৰ, ১৩ জুলাই ঃ** ধুবুৰী জিলাৰ চাপৰ থানা তথা শালকোচা আৰক্ষী চকীৰ অন্তৰ্গত ভেলুপাৰাত মৰা গৌৰাং নৈত আজি বিয়লি প্ৰায় তিনি বজাত ধীৰাজ বৰ্মন (২১) নামৰ যুৱক এজনৰ সলিল সমাধি ঘটাত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে ভেলুপাৰাৰ যাধৱ বৰ্মনৰ পুত্ৰ ধীৰাজ বৰ্মনে আজি দুপৰীয়া বিবেকানন্দ বৰ্মন নামৰ বন্ধু এজনৰ স'তে জাল লৈ মাছ মাৰিবলৈ মৰা গৌৰাং নৈলৈ যায়। মাছ মৰাৰ পাছত দুই বন্ধুৱে নৈখন সাঁতুৰি সিটো পাৰলৈ যোৱাৰ সময়তে ধীৰাজৰ সলিল সমাধি ঘটে। নৈখন সাঁতুৰি সিটো পাৰ পোৱাৰ আগমুহূৰ্তত ধীৰাজ পানীত ডুবিবলৈ ধৰে। সেই সময়ত লগতে থকা বন্ধুজনে ধীৰাজক সহায় কৰিবলৈ যায় যদিও ব্যৰ্থ হয়। পাছত স্থানীয় ৰাইজে নৈখনৰ পৰা ধীৰাজৰ মৃতদেহ উদ্ধাৰ কৰি শালকোচা চিকিৎসালয়লৈ লৈ যায়। অৱশ্যে কৰ্তব্যৰত চিকিৎসকে ধীৰাজক মৃত বুলি ঘোষণা কৰে। পাছত শালকোচা আৰক্ষীয়ে ধীৰাজৰ মৃতদেহ চাপৰ থানালৈ প্ৰেৰণ কৰে। চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিয়ে জানিবলৈ দিয়া মতে, ধীৰাজৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে কাইলৈ পুৱা ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিব।

# ছিপাঝাৰৰ জনতা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰীৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ১৩ জুলাই ঃ** বৰদৌলগুৰিৰ বিৰাট চুবা নিবাসী লাচিত নাথৰ বিশেষভাৱে সক্ষম তথা ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সীমা নাথ (২৯)ৰ জিএনআৰচি হাস্পতালত আজি পুৱা মৃত্যু হয়। কিছুদিন পূৰ্বে প্ৰাক্তন ছাত্ৰীগৰাকীৰ ভৰিৰ অস্ত্ৰোপচাৰ কৰা হৈছিল। পৰৱৰ্তীকালত কিছুমান আনুষংগিক ৰোগে ক্ৰিয়া কৰাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ জিএনআৰচি হাস্পতালত চিকিৎসা কৰা হৈছিল যদিও আজি পুৱাৰ ভাগতেই মৃত্যু হয়। বিশেষভাৱে প্ৰাক্তন ছাত্ৰীগৰাকীৰ বিয়োগত বিৰাট চুবা উন্নয়ন সমিতি, বিৰাট চুবা নামঘৰ পৰিচালনা সমিতি, ছিপাঢাৰ জনতা মহাবিদ্যালয়ৰ পৰিয়াল, ছিপাঝাৰ মহাবিদ্যালয় পৰিয়াল, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, বৰদৌগুৰি সাহিত্য সভাই শোক প্ৰকাশ কৰে।

## ঘগ্ৰাপাৰৰ বিধ্বস্ত পথ মেৰামতি কৰাৰ দাবী আছু-যুৱ-ছাত্ৰৰ

# সঠামৌৰ পূব বনভাগ এম ই স্কুল সংযোগী পথৰ ওপৰত প্ৰকাণ্ড গাঁত

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ১৩ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঘগ্ৰাপাৰ-তামুলপুৰ সংযোগী লোকনিৰ্মাণ বিভাগৰ পথছোৱাৰ পোনাৰকাউনীৰ সচিব পৰেশ কলিতাৰ ঘৰৰ সন্মুখৰ পৰা সঠামৌ প্ৰাথমিক বিদ্যালয় হৈ পূব বনভাগ এম ই স্কুল (সঠামৌ) সংযোগী পথছোৱা দীৰ্ঘ বছৰ ধৰি মেৰামতিৰ বাবে ৰাইজে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে যদিও জনপ্ৰতিনিধি আৰু বিভাগে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ কৰিছে। সম্প্ৰতি পথছোৱাৰ সঠামৌৰ বড়ো চুবুৰিত থকা এখন পকী দলঙৰ কাষ খহি যোৱাত পথছোৱাৰ ওপৰত উক্ত স্থানত প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে যদিও নীৰৱ নিৰ্বিকাৰ জনপ্ৰতিনিধি আৰু নলবাৰী লোকনিৰ্মাণ বিভাগ। তদুপৰি



স্থানীয় জনপ্ৰতিনিধি আৰু শাসকীয় দলৰ জিলা আৰু মণ্ডল পৰ্যায়ৰ নেতাই বিভিন্ন দলীয় কাম-কাজৰ বাবে এই পথটোৰেই অহা-যোৱা কৰে যদিও মেৰামতিৰ ক্ষেত্ৰত আজি পৰ্যন্ত কোনো ব্যৱস্থা হাতত লোৱা নাই। যাৰ বাবে কেৱল নিৰ্বাচনী অংকত মনোনিবেশ কৰি থকা স্থানীয় পঞ্চায়ত প্ৰতিনিধিসকলক তীব্ৰ সমালোচনা কৰিছে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই, কেৱল মাত্ৰ শ্ল'গানতহে যেন আবদ্ধ ৰাজ্য চৰকাৰৰ উন্নয়ন বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে উক্ত প্ৰায় ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা দীৰ্ঘ বছৰ ধৰি মেৰামতি নকৰাৰ ফলত বৰ্তমানে জৰাজীৰ্ণ ৰূপ ধাৰণ কৰা পথটোৱে জ্বলা-কলা খুৱাইছে কণ কণ ছাত্ৰ-ছাত্ৰী, পথচাৰী আৰু সৰ্বসাধাৰণ ৰাইজক। স্থানীয় জনপ্ৰতিনিধিৰ অমনোযোগিতা, বিভাগীয় চৰকাৰী বৰমূৰীয়াৰ হেমাহিৰ বাবে অতি ব্যস্ত পথটোৱে ক্ৰমাৎ বিধ্বস্ত ৰূপ ল'বলৈ আৰম্ভ কৰিছে। সঠামৌ গাঁৱৰ বড়ো চুবুৰিৰ সংশ্লিষ্ট প্ৰকাণ্ড গাঁতে যিকোনো মুহূৰ্ততে যে পথচাৰীয়ে দুৰ্ঘটনাত পতিত হ'ব সেয়া নুই কৰিব নোৱাৰি। ইফালে, স্থানীয় আছু আৰু যুৱ-ছাত্ৰ পৰিষদে উক্ত পথছোৱাৰ বিধ্বস্ত ৰূপ শীঘ্ৰে দূৰ কৰিবলৈ নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, জিলা উপায়ুক্তৰ ওচৰত দাবী জনাইছে।

# বিহপুৰীয়াত জাপানী এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ

অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ১৩ জুলাই ঃ** বিহপুৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বদতিৰ লাগাচু গাঁৱত এগৰাকী কিশোৰী জাপানী এনকেফেলাইটিছত আক্ৰান্ত হোৱাত স্থানীয় ৰাইজ আতংকিত হৈ পৰিছে। সম্প্ৰতি জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ গাঁওখনৰ মংগিলাল লাগাচুৰ কন্যা মধুস্মিতা লাগাচু (১১) ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। ইতিমধ্যে স্বাস্থ্য বিভাগে উক্ত অঞ্চলত এই সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে আঁঠুৱাত ঔষধ দিয়া, সন্ধিয়া ফগিং মেচিনেৰে ধোঁৱা দিয়া আৰু বিভিন্নজনৰ তেজৰ নমুনা সংগ্ৰহ কৰিছে। স্বাস্থ্য বিভাগে সকলোকে সজাগ আৰু সতৰ্ক হ'বৰ বাবে আহ্বান জনাইছে।

# চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে লৈছে অভিনৱ পদক্ষেপ

বিশেষ সংবাদদাতা
**বৰপেটা, ১৩ জুলাই ঃ** কোনো জিলা উপায়ুক্ত বা জিলা প্ৰশাসনৰ বিষয়াসকলৰ স'তে নহয়, ৰাজ্যত প্ৰথমবাৰৰ বাবে উপায়ুক্ত কাৰ্যালয়ৰ তৃতীয় বৰ্গৰ জ্যেষ্ঠ আৰু কনিষ্ঠ কৰ্মচাৰীৰ স'তে বৈঠকত মিলিত হ'ল এগৰাকী জ্যেষ্ঠ মন্ত্ৰী। বৰপেটাৰ অভিভাৱক মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটা জিলা উপায়ুক্ত কাৰ্যালয় সভাকক্ষত উপায়ুক্ত কাৰ্যালয়ৰ কনিষ্ঠ আৰু উচ্চবৰ্গৰ সহায়কসকলৰ স'তে বৈঠকত মিলিত হৈ তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লয়। ৰাজ্যত প্ৰথমবাৰৰ বাবে এগৰাকী মন্ত্ৰীয়ে আজি এনেদৰে কৰ্মচাৰীৰ স'তে বৈঠকত মিলিত হৈ কৰ্মচাৰীসকলৰ কাম-কাজ সম্পৰ্কতো কথা পাতে। ইপিনে, মন্ত্ৰী দাসে বৰপেটা জিলা উপায়ুক্ত কাৰ্যালয়টো নতুনকৈ নিৰ্মাণ কৰা সম্পৰ্কতো মন্তব্য কৰে। মন্ত্ৰীজনে জনোৱা মতে প্ৰায় ৫০ বিঘা ভূমিত নতুনকৈ স্থাপন কৰা হ'ব বৰপেটাৰ সংহত উপায়ুক্তৰ কাৰ্যালয়। ইতিমধ্যে ভূমিৰ স্থান নিৰ্ধাৰণ কৰাৰ বাবে উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে বুলিও মন্তব্য বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী দাসৰ। বৰপেটা জিলাৰ উপায়ুক্তৰ সভাকক্ষত অনুষ্ঠিত কাৰ্যালয় সহায়কৰ স'তে বৈঠকৰ অন্তত মন্ত্ৰীজনে সত্ৰ নগৰী বৰপেটাৰ আশে-পাশে উপায়ুক্তৰ কাৰ্যালয়টো স্থাপন কৰাৰ বাবে মাটি বিচৰা হৈছে বুলিও মন্ত্ৰীজনে জানিবলৈ দিয়ে। কৰ্মচাৰীসকলে কাম-কাজৰ ক্ষেত্ৰত লাভ কৰা সুবিধা-অসুবিধাসমূহৰ কথাও মন্ত্ৰীজনৰ সন্মুখত মুকলিকৈ প্ৰকাশ কৰে।

# সৰবৰহী দিলীপ ৰায়ৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ১৩ জুলাই ঃ** কোকৰাঝাৰ থানাৰ অন্তৰ্গত ভোটগাঁও মেধিপাৰাৰ সমাজসেৱক, সৰবৰহী ব্যক্তি দিলীপ ৰায়ৰ (৪৫) আজি পুৱা এক শোকাৱহ দুৰ্ঘটনাত মৃত্যু হোৱাৰ বাতৰিয়ে বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, বৃহত্তৰ অঞ্চলটোৰ সকলোৰে মাজত অতি জনপ্ৰিয় আছিল দিলীপ ৰায়। যোৱা তিনি জুলাইৰ দিনা কৰ্মসূত্ৰে কোকৰাঝাৰ চহৰলৈ গৈছিল। । এখন ঔষধৰ দোকানত কাম কৰা দিলীপে ঔষধ লৈ তিতাগুৰিৰ দিশে গৈ থাকোতে ভৱানীপুৰৰ এনআৰএল পেট্ৰ'ল পাম্পৰ ওচৰত এখন বলেন' গাড়ীয়ে নিয়ন্ত্ৰণ হেৰুৱাই পাছফালৰ পৰা স্কুটীৰে গৈ থকা দিলীপক খুন্দিয়াই দিয়াত ছিটিকি পৰি যায়। লগে লগে প্ৰত্যক্ষদৰ্শীয়ে কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও বৰপেটা মেডিকেল কলেজ আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কিন্তু গাঁৱৰ স্থানীয় ৰাইজ তথা পৰিয়ালৰ লোকে বঙাইগাঁও লৱাৰ আসাম ব্যক্তিগত খণ্ডৰ নাৰ্ছিংহোমলৈ স্থানান্তৰ কৰা হয়। তাতে আকৌ সংকটজনক অৱস্থা দেখি তাৰ পৰা শিলিগুৰিলৈ লৈ যোৱা হয় তিনি জুলাইৰ নিশা। মগজুত অতিৰিক্ত ৰক্তক্ষৰণ হোৱাৰ বাবেই মৃত্যু হোৱা বুলি চিকিৎসকে জানিবলৈ দিয়ে। অৱশ্যে শিলিগুৰিত দুবাৰকৈ মগজুৰ অস্ত্ৰোপচাৰ হোৱা বুলিও পৰিয়ালৰ সূত্ৰই জানিবলৈ দিয়ে। যোৱা নিশা শিলিগুৰিৰ পৰা পুনৰ গুৱাহাটীৰ জিএনআৰচিলৈ লৈ গৈ থকা অৱস্থাতে আজি পুৱতি নিশা নলবাৰী পাওঁতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত দিলীপে দশম শ্ৰেণীত পঢ়ি থকা পুত্ৰ, অষ্টম শ্ৰেণীত পঢ়ি থকা কন্যাসহ পত্নী তথা বহু আত্মীয়-স্বজনক এৰি যায় । আজি ৰায়ৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গোটেই অঞ্চলটো শোকস্তব্ধ হৈ পৰে। বৃহত্তৰ অঞ্চলৰ ৰাইজ আহি মৃতকৰ ঘৰত সমাগম হয় আৰু মৃতকলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে । পাছত অগণন ৰাইজৰ উপস্থিতিত মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। উল্লেখ্য যে চিকিৎসাধীন হৈ থকা অৱস্থাত স্থানীয় কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই আৰ্থিকভাৱে সহায় কৰাৰ বাবে তেওঁক কৃতজ্ঞতা জনায় গাঁওবাসীয়ে ।

# অসম আন্দোলনৰ নেতা ধৰ্মেশ্বৰ ডেকাৰ বিয়োগত শোক প্ৰকাশ

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১৩ জুলাই ঃ** অসম আন্দোলনৰ অগ্ৰণী নেতা তথা জাতীয়তাবাদৰ চিন্তাধাৰাই পৰিপুষ্ট মৰিগাঁও চহৰৰ পচতীয়াৰ নিবাসী ধৰ্মেশ্বৰ ডেকা (৬৩)ৰ মৃত্যু খবৰে আজি মৰিগাঁৱত শোকৰ ছাঁ পেলায়। অসম আন্দোলনৰ লগত জড়িত থকাৰ উপৰি ডেকাই গণ সংগ্ৰাম পৰিষদৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ পাছত অগপৰ প্ৰতিষ্ঠা কালত মৰিগাঁও সদৰ আঞ্চলিকৰো দায়িত্ব বহন কৰিছিল। জীৱিকা সূত্ৰে ব্যৱসায় কামত জড়িত হৈ পৰা ডেকাই এক গুৰুত্বপূৰ্ণ ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাতে আজি দিনৰ এক বজাত মৃত্যুক আঁকোৱালি লয়।

# হোজাইত সাত জুৱাৰীক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা
**হোজাই, ১৩ জুলাই ঃ** হোজাই আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰা সাতজন জুৱাৰীক জেললৈ প্ৰেৰণ কৰে। কালি হোজাই থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তপন মেধিয়ে বিশেষ সূত্ৰৰ পম খেদি হোজাইৰ এক নম্বৰ ৰেলগেটত অভিযান চলায়। ইক্ৰমূল আলী জমিৰ উদ্দিন, ৰাজবুৰ ইছলাম আৰু ইজাজুল ইছলামক কৰায়ত্ত কৰে। তেওঁলোকৰ পৰা আৰক্ষীয়ে জুৱাৰ সামগ্ৰীসহ ৪৫২০ টকা জব্দ কৰে। একেদিনাই হোজাই পূব ধনীৰাম পথাৰৰ পৰা আন তিনি জুৱাৰীক আটক কৰে। আৰক্ষীৰ অভিযানত ধৃত আব্দুল মুতলিব, নুৰ উদ্দিন আৰু সুবল মালাকাৰক আটক কৰাৰ লগতে ১১০০ টকা আৰু জুৱা খেলত ব্যৱহৃত সামগ্ৰী জব্দ কৰে।

# বঙাইগাঁও জিলাৰ বিভিন্ন ঠাইত ২০৯ সংখ্যক ভানু জয়ন্তী উদ্‌যাপন

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ১৩ জুলাই ঃ** বঙাইগাঁও জিলাৰ বিভিন্ন স্থানত নেপালী সাহিত্যৰ আদিকবি ভানুভক্ত আচাৰ্যৰ ২০৯ সংখ্যক জন্মজয়ন্তী আজি দিনজোৰা কাৰ্যসূচীৰে 'ভানু জয়ন্তী'ৰূপে উদ্‌যাপন কৰা হয়। জিলা সমিতিৰ অন্তৰ্গত জিলাখনৰ খাৰিজা দোলাইগাঁও দ্বিতীয় খণ্ড 'কিষাণ বজাৰ' ভোলানাথ সংঘত আয়োজন কৰা ভানু জয়ন্তী উদ্‌যাপন কাৰ্যসূচী অনুসৰি পুৱা ন বজাত অভ্যৰ্থনা সমিতিৰ সভাপতি ধন বাহাদুৰ ছেত্ৰীয়ে আদিকবিৰ প্ৰতিৰূপত বন্তি প্ৰজ্বলন কৰে। লগতে বঙাইগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি গোপাল ভট্টৰায়ে পুষ্পমাল্য অৰ্পণ কৰে। চাৰে ন বজাত ২০ৰো অধিক লোকে অংশগ্ৰহণেৰে অনুষ্ঠিত কৰা ভানুভক্তীয় ৰামায়ণ আবৃত্তি প্ৰতিযোগিতাখন উদ্বোধন কৰে সমাজকৰ্মী গোপাল বাহাদুৰ ছেত্ৰীয়ে। ১০ বজাত গছ পুলি ৰোপণৰ গুৰি ধৰে খাৰিজা দোলাইগাঁও কালী মন্দিৰ সমিতিৰ সভাপতি সমুদ্ৰ বসুমতাৰী আৰু অৱসৰপ্ৰাপ্ত শিক্ষক এগ্য প্ৰসাদ উপাধ্যায়ে। ১৯-৩০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ, আকস্মিক বক্তৃতা, সংগিনী নৃত্য, কবিতা আবৃত্তি আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।
দিনৰ এক বজাত কিষাণ বজাৰ-ছিটকাগাঁও শাখা সভাপতি লোক বাহাদুৰ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে জিলা সমিতি সভাপতি পূৰ্ণ প্ৰসাদ কাফ্লেই। সভাত মুখ্য অতিথিৰূপে অসম নেপালী সাহিত্য সভাৰ উপ-সভাপতি ভৱানী প্ৰসাদ শৰ্মাই কয় যে ভানুভক্ত আচাৰ্যই নেপালী সাহিত্য জগতৰ আদিকবিৰূপে এইবাবেই স্বীকৃতি লাভ কৰে যে তেওঁ শুদ্ধ নেপালী ভাষাত বাল্মিকী ৰামায়ণ অনুবাদ কৰিছিল। কিয়নো তেওঁৰ পূৰ্বেও প্ৰায় ৭৯ গৰাকী কবি আছিল যদিও তেওঁলোকৰ ভাষাত ভাৰতীয়মূলৰ বিভিন্ন ভাষাৰ শব্দ সংমিশ্ৰণ পোৱা যায়। কেৱল ভানুভক্তইহে আধুনিক সৰল নেপালী ভাষাৰ ৰূপ দিছিল বাবেই কবি মোতিৰাম ভট্টই তেওঁক আদিকবিৰ স্বীকৃতি দিছিল। তেওঁ দেশৰ মান উন্নত কৰা আৰু জাতীয় সংস্কৃতিৰ সংৰক্ষণ কেৱল শিক্ষাৰ দ্বাৰাহে সম্ভৱ বুলি মন্তব্য কৰি উঠি অহা প্ৰজন্মক ভাল শিক্ষাৰে শিক্ষিত কৰি তোলাৰ ক্ষেত্ৰৰ বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ অভিভাৱকসকলক আহ্বান জনায়। বঙাইগাঁও জিলা সমিতি আগছুৰ সাধাৰণ সম্পাদক বিকাশ পৌড়েল, আঞ্চলিক পঞ্চায়তৰ সদস্য প্ৰফুল্ল ৰায়, কবি হৰিপ্ৰসাদ নাথ আদি কে'বাগৰাকীও বিশিষ্ট অতিথি উপস্থিত থকা উক্ত সভাত অসম নেপালী সাহিত্য সভাৰ বঙাইগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাম কুমাৰ শৰ্মা, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গোপাল ভট্টৰাই, অসম গোৰ্খা সন্মিলনৰ প্ৰাক্তন উপ- সভাপতি খৰ্ড়্গ কাৰ্কী, আদিয়ে ভানুভক্ত আচাৰ্যৰ সাহিত্যিক আৰু সামাজিক অৱদানৰ ওপৰত বক্তব্য আগবঢ়ায়।
সমাৰোহত উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ উপৰি উচ্চ শিক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কিষাণ বজাৰ- ছিটকাগাঁও অঞ্চলৰ ৩২ গৰাকী ছাত্ৰ- ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। বঙাইগাঁও জিলা সমিতিৰ তত্ত্বাৱধানত জিলাখনৰ ধলাপুখুৰী, ভদ্ৰাগাঁও, দোলাইগাঁও, উজানপাৰা শাখা সমিতিৰ লগতে চিৰাং জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী হাতিসাৰ, মালিভিটা, বাতাবাৰী আদিতো ভানু জয়ন্তী উলহ-মালহেৰে পালন কৰাৰ খবৰ পোৱা গৈছে।

**AUCTION NOTICE**

It is hereby notified for general information of all concerned that the following condemned Departmental Vehicles of DC's Office/ Circuit Hose, Bongaigaon will be sold in open spot public auction on **15/07/2022** from **02:00 PM to 04:00 PM** in the premises of DC's Office, Bongaigaon. The intending bidders are requested to attend accordingly. The bidders who will participate in the auction process have to deposit earnest money as shown below in favour of Deputy Commissioner, Bongaigaon before participating in auction process after observing all formalities. The successful bidder will have to pay the full bid money on the same day on the spot.

If the successful bidder fails to pay the full bid money on the spot then the committee reserves all right to dispose of the vehicles to the next higher bidder and the security deposit money of the first highest bidder will be forfeited and deposited into the Govt. Treasury. The intending bidder may inspect the vehicle prior to the auction date. The successful bidder shall have to lift the vehicles on the same day at his own cost and risk after making full payment of the bid money otherwise the undersigned will not be held responsible for any damage or loss of the vehicle.

| Sl. No. | Number of Vehicle | Type of Vehicle | Present Location of the vehicle | Year of Manufacture | Rate fixed by District Condemnation Board cum Disposal Committee | Earnest Money (5% of Column 6) |
|---|---|---|---|---|---|---|
| [1] | [2] | [3] | [4] | [5] | [6] | [7] |
| 1. | AS-19F-5111 | Ambassador Car | Circuit House, Bongaigaon | 2013 | Rs. 2500.00 | Rs. 125.00 |
| 2. | AS-19-0012 | Gypsy | Circuit House, Bongaigaon | 1992 | Rs. 3500.00 | Rs.175.00 |
| 3. | AS 25-0971 | Gypsy | Circuit House, Bongaigaon | 1995 | Rs. 3500.00 | Rs.175.00 |
| 4. | AS-19-0004 | Gypsy | Circuit House, Bongaigaon | 1992 | Rs. 3500.00 | Rs.175.00 |
| 5. | AS-01C-0870 | Ambassador Car | Circuit House, Bongaigaon | 1995 | Rs. 2500.00 | Rs.125.00 |
| 6. | AS-19F-0001 | Ambassador Car | Old DC's Bungalow, Bongaigaon | 2006 | Rs. 2500.00 | Rs.125.00 |
| 7. | AS-19A-0003 | Ambassador Car | Circuit House, Bongaigaon | 2008 | Rs. 2500.00 | Rs.125.00 |

Addl. Deputy Commissioner
& Nazarat Officer
Bongaigaon

Janasanyog/C/6429/22

# 'অগ্নিপথ' আঁচনিক সফল ৰূপায়ণত গুৰুত্ব আৰোপ

## টিংখাঙত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত- মন্ত্ৰী বিমল বড়া

অগ্ৰদূত বাৰ্তা
**ৰাজগড়, ১৩ জুলাই ঃ** শেহতীয়াকৈ ভাৰত চৰকাৰৰ দ্বাৰা 'অগ্নিপথ' আঁচনিৰ উদ্দেশ্যে টিংখাঙৰ দিৰাই খেলপথাৰত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থা, টিংখাং স্পৰ্টচ এছ'চিয়েছন, সৈনিক আৰু প্ৰাক্তন সৈনিকৰ সহযোগত চলি থকা বিনামূলীয়া শাৰীৰিক প্ৰশিক্ষণ শিবিৰত আজি অংশগ্ৰহণ কৰে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী বিমল বৰা আৰু আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই। পুৱাৰ ভাগতে উক্ত শিবিৰত উপস্থিত হোৱা অসম আৰক্ষীৰ সঞ্চালক প্ৰধান মহন্তক আদৰণি জনোৱা হয়। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে যুৱক-যুৱতীক চাৰি বছৰ দেশমাতৃৰ সেৱা প্ৰদানৰ এক সুযোগ প্ৰদানৰ উদ্দেশ্যে বলৱৎ কৰা 'অগ্নিপথ' আঁচনিৰ বিৰুদ্ধে দেশৰ বিভিন্ন প্ৰান্তত তীব্ৰ প্ৰতিবাদ অব্যাহত থকাৰ মাজতে টিংখাং




সমষ্টিৰ অন্তৰ্গত দিৰৈ বাগান খেলপথাৰত যোৱা পাঁচ জুলাইৰ পৰা আঠ আগষ্ট পৰ্যন্ত চলিবলগীয়া উক্ত শাৰীৰিক প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিছে দুই শতাধিক অগ্নিবীৰে। দেশমাতৃৰ সেৱাৰ মহান উদ্দেশ্য আগত ৰাখি অগ্নিপথত যোগ দিবলৈ এই দুই শতাধিক যুৱক-যুৱতীয়ে কঠোৰ শাৰীৰিক অনুশীলনত ব্ৰতী হৈছে। যুৱক-যুৱতীক অগ্নিপথ আঁচনিত অন্তৰ্ভুক্তিৰ বাবে সহায়ক হোৱাকৈ প্ৰশিক্ষণ শিবিৰ সম্পূৰ্ণ বিনামূলীয়াকৈ অনুষ্ঠিত কৰা হৈছে। ডিব্ৰুগড় জিলাৰ লগতে শিৱসাগৰ, চৰাইদেউ, তিনিচুকীয়া, ধেমাজি, যোৰহাট, দৰং জিলাৰ পৰা আহি ভিৰ কৰা যুৱক-যুৱতীসকলে অধিক আগ্ৰহ তথা দেশমাতৃক সেৱা আগবঢ়াই 'অগ্নিবীৰ' হ'বলৈ কৰিছে এতিয়া কঠোৰ অনুশীলন। প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ অহা যুৱক-যুৱতীক প্ৰশিক্ষণ দিছে সৈনিক আৰু প্ৰাক্তন সৈনিকসকলে। অনুষ্ঠানত আৰক্ষী সঞ্চালক প্ৰধান মহন্ত আৰু মন্ত্ৰী বৰাই ভাষণ প্ৰসংগত কয় যে আজিৰ যুৱ প্ৰজন্ম দেশৰ ভৱিষ্যৎ। তেওঁলোকক সুস্থ সৱল কৰি ৰখাটো আমাৰ প্ৰাথমিকতা। চৰকাৰৰ বিভিন্ন সামৰিক, অৰ্ধসামৰিক লগতে ৰাজ্যৰ বিভিন্ন আৰক্ষী বাহিনীত মকৰলৰ বাবে শাৰীৰিক সুস্থতাৰ অতি প্ৰয়োজন। সেয়ে এনে প্ৰশিক্ষণৰ যোগেদি যথেষ্ট সংখ্যক যুৱক-যুৱতী অগ্নিবীৰ হোৱাত সহায়ক হ'ব। ভাৰতীয় সেনা বাহিনীত নিয়োজিত হ'ব বিচৰা আগ্ৰহী এই 'অগ্নিবীৰসকলক' শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বাকী ৰৈ যোৱা আগ্ৰহী যুৱক-যুৱতীক উক্ত প্ৰশিক্ষণ শিবিৰত আমন্ত্ৰণ শৰাই আগবঢ়ায় মন্ত্ৰী তথা টিংখাঙৰ বিধায়ক বৰাই ।

# শেনচোৱা অংগনৱাড়ী কেন্দ্ৰত কৰ্মী নিযুক্তিত বিসংগতিৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১৩ জুলাই ঃ** যোৰহাট জিলাৰ উত্তৰ-পশ্চিম যোৰহাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত শেনছোৱা অংগনৱাড়ী কেন্দ্ৰত কৰ্মী নিযুক্তি প্ৰক্ৰিয়াত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ কৰিছে ৰাইজে। কেন্দ্ৰটোত শিক্ষাগত অৰ্হতা থকা লোকক অগ্ৰাধিকাৰ দিবলৈ দাবী জনাই কিছুদিন পূৰ্বে এক পত্ৰৰ জৰিয়তে সংশ্লিষ্ট বিষয়াক দাবী জনোৱাৰ পাছতো বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ আন এক অভিযোগ উঠিছে। ৰাইজৰ স্বাক্ষৰিত এক পত্ৰত উল্লেখ কৰা অনুসৰি শেনছোৱা অংগনৱাড়ী কেন্দ্ৰৰ পৰা পূৰ্বৰ কৰ্মীগৰাকীয়ে অৱসৰ গ্ৰহণ কৰাৰ পাছত বিভাগে কেন্দ্ৰটোত কৰ্মী নিয়োগ কৰা নাই। ইয়াৰ বিপৰীতে বিভাগৰ বিষয়াই ৰাইজক একাষৰীয়া কৰি নিজৰ খেয়ালখুচি মতে এন্য এক স্থানৰ পৰা নৱম শ্ৰেণী উত্তীৰ্ণ এগৰাকী কৰ্মীক বদলি কৰি কেন্দ্ৰটোত কৰ্মী হিচাপে নিয়োগ কৰাৰ ব্যৱস্থা কৰিছে। যাক কেন্দ্ৰ কৰি অঞ্চলটোৰ ৰাইজ ক্ষোভিত হোৱাৰ লগতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ৰাইজে প্ৰকাশ কৰা অনুসৰি, বহু ত্যাগৰ বিনিময়ত গঢ় লৈ উঠা শেনছোৱা অংগনৱাড়ী কেন্দ্ৰত নৱম শ্ৰেণী উত্তীৰ্ণ ব্যক্তিক কৰ্মী হিচাপে নিয়োগ কৰিবলৈ দিয়া নহ'ব। এই অঞ্চলটোত আছে বহু শিক্ষাগত অৰ্হতা থকা লোক। কিন্তু ইমানৰ পাছতো বিভাগৰ বিষয়াই কেন্দ্ৰটোৰ কৰ্মী নিয়োগৰ ক্ষেত্ৰত হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বিছৰাত ৰাইজ জাঙুৰ খাই উঠিছে। যাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰটোত কৰ্মী নিয়োগ কৰিবলৈ দাবী জনাই সমষ্টিৰ বিধায়কৰ হস্তক্ষেপ বিচাৰিছে ৰাইজে। এতিয়া প্ৰশ্ন হয় যে শেনছোৱা অংগনৱাড়ী কেন্দ্ৰত কৰ্মী নিয়োগৰ ক্ষেত্ৰত চৰকাৰ, প্ৰশাসন তথা সমষ্টিৰ বিধায়কে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সময় পাবনে নে এনেদৰেই অচলাৱস্থা হৈ পৰিব অংগনৱাড়ী কেন্দ্ৰটো?

# নলবাৰী জিলা কৃষি বিভাগৰ উদ্যোগত কমাৰকুছিত সমূহীয়া কঠীয়া সিঁচা আৰম্ভ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৩ জুলাই ঃ** নলবাৰী জিলা কৃষি বিভাগৰ উদ্যোগত কালি কমাৰকুছিত সমূহীয়া কঠীয়াতলিৰ ব্যৱস্থাৰ আৰম্ভ কৰা হয়। উল্লেখ্য যে বানপানীৰ প্ৰতি লক্ষ্য ৰাখি বান ক্ষতিগ্ৰস্ত কৃষকক কঠীয়া যোগান ধৰাৰ উদ্দেশ্যে কৃষি বিভাগে আৰম্ভ কৰিছে সমূহীয়া কঠীয়াতলিৰ ব্যৱস্থা। এই উদ্দেশ্যে আজি জিলা কৃষি বিষয়া হবিবুল হক, সহকাৰী কৃষি সঞ্চালক যোগেশ্বৰ ৰাজমেধি আৰু কৃষি সম্প্ৰাৰণ সহায়ক দীপুল কলিতাৰ উপস্থিতিত কমাৰকুছি ৰাজহ চক্ৰৰ অন্তৰ্গত ক্ষুদ্ৰ কুলহাটি গাঁৱত কৃষক ৰাতুল ভূঞাৰ নেতৃত্বত বাহাদুৰ চাব-এক ধানৰ বীজ সিঁচা হয়। ইতিমধ্যে জিলাখনৰ বহুকেইখন গাঁৱত কৃষি বিভাগে সমূহীয়া কঠীয়া তলিৰ ব্যৱস্থা কৰিছে। তদুপৰি কৃষকৰ নিজা প্ৰায় ৭০ হেক্টৰ মাটিত কমিউনিটি নাৰ্ছাৰী আঁচনিৰ অধীনত ৩৫০ কুইন্টল বীজ সিঁচা হয়। ইয়াৰ উপৰি বানত ক্ষতিগ্ৰস্ত বহু কৃষকক নলবাৰীৰ জিলা কৃষি বিভাগে উন্নত মানৰ বীজ বিতৰণ কৰি সকাহ দিয়াৰ ব্যৱস্থা কৰা হয়।

# কবি-সাহিত্যিক, আৰক্ষী বিষয়া ড° নন্দ সিং বৰকলাক বিদায় সম্বৰ্ধনা



**ডুমডুমা, ১৩ জুলাই ঃ** তিনিচুকীয়া জিলাৰ মাকুমস্থিত দ্বিতীয় অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক, সু-সাহিত্যিক-কবি ড° নন্দ সিং বৰকলা চৰকাৰী নিৰ্দেশ মতে দ্বিতীয় অসম আৰক্ষী বেটেলিয়নৰ পৰা অগ্নি আৰু জৰুৰীকালীন সেৱাৰ উপ-সঞ্চালক পদত অধিষ্ঠিত হোৱাত বিদায় সম্ভাষণ জনায়। মাকুমৰ তিনিচুকীয়া জিলা সাহিত্য সভা ভৱনত বেচৰকাৰী সংস্থা সূৰ্যোদয়ৰ উদ্যোগত মাকুম মহিলা আৰু শিশু উন্নয়ন কেন্দ্ৰ, সদৌ অসম ছাত্ৰ সন্থাৰ মাকুম আঞ্চলিক সমিতি, মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা মালবিকা ভূঞাসহ মহাবিদ্যালয়ৰ সহকৰ্মীসকল, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতি, ডেম'ক্ৰেটিক অসম নামৰ ৱেব প'ৰ্টেল, সোণালী জনজাতি কাংকান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ঘনকান্ত গগৈসহ বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। সূৰ্যোদয়ৰ অধ্যক্ষ ৰণজিৎ দত্তই আদৰণি ভাষণৰে সাহিত্যিকজনৰ বিদায়ী সভাৰ পাতনি মেলে। কবি ড° নন্দ সিং বৰকলাৰ ওপৰত এটি কবিতা মুকলি কৰে অখিল চন্দ্ৰ বৰুৱাই। জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰ, অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ড° গিৰিশ সন্দিকৈ, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসামৰ উপ-সভাপতি ৰূপম কাকতি, মাকুম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক চন্দ্ৰ বৰুৱা, সাহিত্যিক অতুল শৰ্মাই ড° বৰকলাৰ সাহিত্যৰ সমল, কথনশৈলী, গীত, কবিতা আদিৰ বিষয়ে বক্তব্য আগবঢ়ায়। বিদায়ী সভাখন জীপাল কৰি তোলে শিল্পী পূৰ্ণেন্দু দাস, মুনমুন বৰা, দৃষ্টি গগৈ, প্ৰণৱজ্যোতি গগৈ আদিৰ গীত আৰু কবিতাই। মাকুমৰ সমাজ জীৱন আৰু সাংস্কৃতিক কৰ্মৰাজিৰ সমল আৰু ইয়াৰ সামাজিক সাংস্কৃতিক অনুষ্ঠানসমূহৰ পৰা লাভ কৰা আদৰ-চেনেহ আদিৰ কথা সুঁৱৰি বৰকলা আৱেগিক হৈ পৰে। মাকুমবাসীৰ আদৰ-মৰম ওৰে জীৱন নিজৰ লগত কঢ়িয়াই ফুৰিব বুলিও নন্দ সিং বৰকলাই ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাৰ আঁত ধৰে সূৰ্যোদয়ৰ কাৰ্যকৰ্তা ননী গোপাল দত্তই।

# মৰঙি মহাবিদ্যালয়ত চৰকাৰী নিযুক্তিৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিনামূলীয়া প্ৰশিক্ষণ শিবিৰ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১৩ জুলাই ঃ** গোলাঘাট জিলাৰ মৰঙি মৌজাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান মৰঙি মহাবিদ্যালয় (স্নাতক)ৰ শিক্ষা বিভাগৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংগঠন 'আমাৰ সপোন'ৰ সহযোগত অসম চৰকাৰৰ বিভিন্ন বিভাগত হ'বলগা নিয়োগৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বৰ বাবে এক প্ৰস্তুতিৰ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছে। চাৰি জুলাইৰ পৰা চাৰি আগষ্টলৈ হ'বলগা প্ৰশিক্ষণ শিবিৰত কে'বাজনো অভিজ্ঞ প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰিছে। পুৱা আঠ বজাৰ পৰা ন বজালৈ অনুষ্ঠিত হোৱা প্ৰশিক্ষণত ইচ্ছুক কোনোৱে প্ৰশিক্ষণ গ্ৰহণ কৰিব খুজিলে উদ্যোক্তাসকলৰ স'তে যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# চতিয়া আৰক্ষীৰ চুলাই মদ বিৰোধী অভিযান ঃ ২০০০ লিটাৰ চুলাই নষ্ট

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১৩ জুলাই ঃ** চতিয়া আৰক্ষীয়ে ধাৰাবাহিকভাৱে স্বাস্থ্যৰ বাবে বৰবিহ স্বৰূপ চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই আহিছে। কালি দিনৰ ভাগত চতিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত যোৱা আৰক্ষী আৰু আৱকাৰী বিভাগে চতিয়াৰ বহুকেইটা স্থানত অভিযান চলাই প্ৰস্তুত কৰি ৰখা প্ৰায় ২০০০ লিটাৰ চুলাই নষ্ট কৰাৰ লগতে মদ তৈয়াৰ কৰা সামগ্ৰীসমূহ নষ্ট কৰে। বিষয়াজনে জানিবলৈ দিয়া মতে, কালিৰ অভিযান কালত খেৰিয়া বস্তি, ঘাঁহি ফাৰ্ম, ভেলেউ গুৰি, বৰপাম অঞ্চলত চাৰিটা মদ তৈয়াৰ কৰা ঘাটি নষ্ট কৰা হয়। উল্লেখ্য যে উত্তৰ চতিয়াৰ প্ৰাক্তন চাহ জনজাতি লোক আৰু জনজাতীয় লোকৰ বসতি প্ৰধান অঞ্চলত চুলাই মদৰ অবাধ প্ৰচলনে অঞ্চলসমূহৰ জনস্বাস্থ্য আৰু আৰ্থ- সামাজিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাই আহিছে। বিষয়াজনে মদৰ ঘাটিসমূহ উৎখাট কৰিবলৈ চলোৱা ধাৰাবাহিক প্ৰচেষ্টাক সকলোৱে আদৰণি জনাইছে।



# উপায়ুক্তৰ অধ্যক্ষতাত জিলা উন্নয়ন সমিতিৰ সভা সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৩ জুলাই ঃ** শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালৰ অধ্যক্ষতাত কালি জুনৰ জিলা উন্নয়ন সমিতিৰ সভাখন সম্পন্ন হয়। সভাৰ আৰম্ভণিতে উপায়ুক্তই আগন্তুক ১৫ জুলাইৰ পৰা আৰম্ভ কৰি ১৫ আগষ্টলৈকে বিভাগীয় চৰকাৰী কাৰ্যালয় আৰু অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানত গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন কৰাৰ কথা সকলো বিভাগীয় মুৰব্বীক অৱগত কৰে। স্থানীয় আৰু সহজলভ্য গছপুলি ৰোপণৰ দ্বাৰা কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ এই আঁচনিৰ দ্বাৰা শোভাবৰ্ধন কৰিব পৰা যাব বুলি উপায়ুক্তই মন্তব্য কৰে। সভাত বিশেষকৈ জিলাখনৰ মূল আঁচনিসমূহ ৰূপায়ণ কৰা বিভাগসমূহে যাতে স্থানীয় পৰ্যায়ত পঞ্চায়তক সাঙুৰি লৈ উন্নয়নমূলক কামসমূহ হাতত লয় তাৰ ওপৰত উপায়ুক্তই বিশেষ গুৰুত্ব প্ৰদান কৰে। সভাত জিলাখনৰ সকলো বিভাগৰ মুৰব্বীসকলে কামৰ অগ্ৰগতিৰ খতিয়ান উপায়ুক্তক অৱগত কৰে। সভাত উপায়ুক্ত দাহালৰ উপৰি জিলা উন্নয়ন আয়ুক্ত শোভন গোৱলা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলে, অতিৰিক্ত উপায়ুক্তত্ৰয়, কৰ্মদেৱ ব্ৰহ্ম, চন্দনা বৰুৱা, বিতোপন নেওগ, নাজিৰা মহকুমাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপৰ লগতে জিলাৰ বিভাগীয় মুৰব্বীসকল উপস্থিত থাকে।

# চতিয়াত সমাজ কল্যাণ বিভাগে আগবঢ়ালে দিব্যাংগৰ বাবে বিশেষ আহিলা

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১৩ জুলাই ঃ** ভাৰত চৰকাৰৰ এ ডি আই পি আঁচনিৰ জৰিয়তে সমাজ কল্যাণ বিভাগে কালি চতিয়া উন্নয়ন খণ্ডত দিব্যাংগ যুৱক-যুৱতীসকলক বিশেষ আহিলা প্ৰদান কৰে। চতিয়া উন্নয়ন খণ্ডত মুঠ ৪৫৭ গৰাকী দিব্যাংগ যুৱক-যুৱতী আছে। কালি বিশেষ আহিলা প্ৰদানৰ আৰম্ভ কৰা অনুষ্ঠানটোত ৩২ গৰাকী হিতাধিকাৰীক যন্ত্ৰ চালিত, ট্ৰাইচাইকেল, হুইলচেয়াৰ, ফল্ডিংচেয়াৰ আদি বিশেষ বাহন প্ৰদান কৰা হয়। কালিৰ এই অনুষ্ঠানত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা আৰু বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ উপস্থিত থাকে। চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই অনুষ্ঠানত কয় যে বিজেপি চৰকাৰখনৰ মূল লক্ষ্যই হৈছে 'সবকা সাথ সবকা বিকাশ' এই লক্ষ্যৰে পৰিচালিত চৰকাৰখনে দিব্যাংগসকলৰ সম উন্নয়ন বিচাৰি তেওঁলোকৰ শাৰীৰিক অসুবিধাসমূহ দুৰীকৰণ কৰি এক স্বাভাবিক জীৱন যাপনৰ বাবে বিশেষ ব্যৱস্থা লৈছে। বিশেষভাৱে সক্ষম লোকসকলেও যাতে আন ১০ জন লোকৰ দৰে সমভাৱে জীৱন যাপন কৰিব পাৰে তাৰ বাবে চৰকাৰখনে লোৱা ব্যৱস্থাৰ এয়া এক অংশ বুলি মন্তব্য কৰে চতিয়াৰ বিধায়কজনে। বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে কয় যে বৰ্তমান চৰকাৰখন সকলোৰে উন্নয়নৰ বাবে দায়বদ্ধ। তাৰে অংশৰূপে চৰকাৰে এনে ব্যৱস্থা কৰিছে যাতে চৰকাৰেখনে গ্ৰহণ কৰা কোনো সুবিধাৰ পৰা কোনোলোক বঞ্চিত নহয়। সভাত চতিয়া খণ্ড উন্নয়ন বিষয়া পলক শৰ্মা, চতিয়া সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া জয় দলে, চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষ্মীকান্ত বৰা, চতিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়া আৰু অংগনৱাড়ী কৰ্মী-সহায়িকাসকল উপস্থিত থাকে।

# বিজিআৰইআই আঁচনিৰ অধীনত শিৱসাগৰত কৃষকৰ মাজত বিতৰণ ধান ৰোৱা যন্ত্ৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৩ জুলাই ঃ** কৃষকৰ জীৱনলৈ আশাৰ বতৰা কঢ়িয়াই আনিব 'ধান ৰোৱা যন্ত্ৰৰ ব্যৱহাৰে। কেৱল আশাৰ বতৰা কঢ়িয়াই অনাই নহয়, এই পদ্ধতিৰ দ্বাৰা ধান খেতিৰ ক্ষেত্ৰখনত হ'ব আমূল পৰিৱৰ্তন।' আজি শিৱসাগৰত অনুষ্ঠিত কৃষি বিভাগৰ এক বিশেষ অনুষ্ঠানত জিলা কৃষি বিষয়া বলীন্দ্ৰ নাথ চেতিয়াই এইদৰে মন্তব্য কৰে। শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত আজি উত্তৰ-পূব ভাৰতলৈ সেউজ বিপ্লৱ কঢ়িয়াই অনা বিজিআৰইআই আঁচনিৰ অধীনত অনুষ্ঠিত হয় ধান ৰোৱা যন্ত্ৰ বিতৰণ কাৰ্যসূচী। আঁচনিখনৰ অধীনত প্ৰথমবাৰৰ বাবে জিলাখনত ৫০ শতাংশ ৰেহাই মূল্যত বিতৰণ কৰা হৈছে ধান ৰোৱা যন্ত্ৰ। জিলাখনৰ নিৰ্বাচিত চাৰিজন কৃষকলৈ আগবঢ়োৱা হৈছে ধান ৰোৱা যন্ত্ৰ। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি জিলা ন'ডেল বিষয়া তথা মহকুমা কৃষি বিষয়া অমৃত শইকীয়াই কয় যে ধান ৰোৱা যন্ত্ৰৰ ব্যৱহাৰে ধান খেতিৰ উৎপাদন ব্যয় হ্ৰাস কৰি কৃষকক অধিক লাভান্বিত কৰিব। একে অনুষ্ঠানতে উদ্যান শস্যৰ আঁচনিৰ অধীনত ১৫জন কৃষকলৈও গ্ৰেণ্ড নাইন জাতৰ টিচু কালচাৰ কল পুলি বিতৰণ কৰি প্ৰত্যেকজন কৃষকক কলৰ ব্যৱসায় ভিত্তিক কৃষিৰ জৰিয়তে আগুৱাই যাবলৈ আহ্বান জনায় কৃষি বিষয়াজনে। অনুষ্ঠানত অংশগ্ৰহণ কৰা দিখৌভেলী এফপিচি আৰু দিচাংমুখ এফপিচিৰ কৃষকসকলক বন্ধাকবি আৰু ফুলকবিৰ বীজ বিতৰণ কৰি কৃষকসকলক উৎসাহিত কৰা হয়। লগতে বিশ্ব শাক-পাচলি কেন্দ্ৰৰ কাৰিকৰী বিশেষজ্ঞ বিজয়া বৰাই কৃষকসকলক প্ৰশিক্ষণ প্ৰদান কৰে।

# অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিৰুদ্ধে সজাগতা অভিযান

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৩ জুলাইঃ** দেৰগাঁৰৰ মিছামৰা খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাংগণত যোৱা ১০ জুলাইত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত হয়। আৰ্যভট্ট কেন্দ্ৰ গোলাঘাট উত্তৰ উন্নয়ন খণ্ডৰ উদ্যোগত অনুষ্ঠিত সজাগতা সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি যতীন ফুকনে। ড° দেৱজিৎ দত্তই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে আৰ্যভট্ট কেন্দ্ৰ গোলাঘাট উত্তৰ উন্নয়ন খণ্ডৰ সমন্বয়ক ৰীতা শৰ্মাই। 'সংস্কাৰ ঃ মানুহে মানুহৰ বাবে' শীৰ্ষক অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে বিভিন্ন স্থানত অনুষ্ঠিত কৰা সজাগতা অভিযানৰ অংশস্বৰূপে বিদ্যালয়খনত অনুষ্ঠিত সভাত স্থানীয় মিছামৰা আৰু দৰিয়া বাগান অঞ্চলৰ যথেষ্ট সংখ্যক লোক উপস্থিত থাকে। বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত বৰা, সাংবাদিক অৰুণ বিকাশ বৰুৱাকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাত সোণাখাট আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ভাস্কৰজ্যোতি দত্ত কোঁৱৰ আৰু দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ড° দেৱজিৎ বৰুৱাই সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু বিজ্ঞানৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশ্লেষাত্মক ভাষণ প্ৰদান কৰি ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় আৰ্যভট্ট কেন্দ্ৰ গোলাঘাট উত্তৰ উন্নয়ন খণ্ডৰ সদস্য দিগন্ত নাথে।

# টীয়কত অজগৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**কাকজান, ১৩ জুলাই ঃ** টীয়কৰ লাহদৈগড় আৰক্ষী চকীৰ দিহা চাহ বাগিচাত কৰ্মচাৰীসকলে আজি বিয়লি এডাল অজগৰ সাপ উদ্ধাৰ কৰে। পাছত বন বিভাগক চমজাই দিয়ে। অজগৰডালৰ দৈৰ্ঘ প্ৰায় ১২ ফুট।

# ডিমৌৰ চমৰাজানত কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৩ জুলাই ঃ** ডিমৌ সমীপৰ চমৰাজান গাঁৱৰ শালমাৰী চমৰাজান প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ২০২২ৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে মহাসতী ৰাধিকা সোঁৱৰণী সাংস্কৃতিক মঞ্চ আৰু শালমাৰী চমৰাজান গাঁওবাসী ৰাইজৰ সহযোগত এটি বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত কৃতী ছাত্ৰ- ছাত্ৰীসকলক একোখনকৈ ফুলাম গামোচা, এটি গছ পুলি আৰু একোখনকৈ সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ লগতে এজন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কেৰাটে খেলুৱৈ আৰু এজন সাংস্কৃতিবান বটাপ্ৰাপ্ত যুৱককো বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, এই সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে স্থানীয় বহুকেইজন প্ৰাক্তন শিক্ষক, বহুকেইজন গণ্য-মান্য ব্যক্তি আৰু বহু স্থানীয় ৰাইজ ।



*দধিনৈত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা।*

# স্থানীয় ছাত্ৰীসকলক স্বনিৰ্ভৰশীল কৰি তোলাৰ পদক্ষেপ এনটিপিচিৰ

## ■ এনটিপিচিৰ উদ্যোগত বালিকা সবলীকৰণ অভিযান 'জেম' ২০২২ ৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৩ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ বিদ্যুৎ নগৰী ছালাকাটিস্থিত এনটিপিচি বঙাইগাঁৱৰ উদ্যোগত কালিৰে পৰা মাহজোৰা কাৰ্যসূচীৰে বালিকা সবলীকৰণ অভিযান 'জেম' ২০২২ ৰ আৰম্ভ হয়। কালি বিয়লি এনটিপিচিৰ কৰ্মচাৰী কল্যাণ সন্থাৰ যোগাভ্যাস প্ৰেক্ষাগৃহত শুভ উদ্বোধন হোৱা বালিকা সবলীকৰণ অভিযানৰ জৰিয়তে এনটিপিচি'ৰ উদ্যোগত দাঁতিকাষৰীয়া স্থানীয় ১০খন বিদ্যালয়ৰ ৪০ গৰাকীকৈ ছাত্ৰীক বিভিন্ন বিষয়ৰ ওপৰত আৱাসিক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি বন্তি প্ৰজ্বলনৰে শুভ উদ্বোধন কৰে কোকৰাঝাৰ জিলা উপায়ুক্ত বৰ্ণালী ডেকাই। অনুষ্ঠানৰ আদৰণি ভাষণ দিয়ে এনটিপিচিৰ বঙাইগাঁৱৰ জ্যেষ্ঠ জিএম সুব্ৰত মণ্ডল আৰু উদ্দেশ্য ব্যাখ্যা কৰে বাৰদৈছিখলা ক্লাবৰ সভানেত্ৰীয়ে। উল্লেখ্য যে শুভ উদ্বোধনী কাৰ্যসূচীত আৱাসিক প্ৰশিক্ষণত অংশগ্ৰহণ কৰিবলগীয়া ছাত্ৰীসকলৰ উপৰি তেওঁলোকৰ অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, জিলা শিক্ষাবিভাগ, সমাজ কল্যাণ বিভাগ আৰু এনটিপিচিৰ বহুকেইটা বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। উপস্থিত সকলো ৰাইজকে এনটিপিচি কৰ্তৃপক্ষই আৰনাইৰে আদৰণি জনায়।

## ■ নগাঁৱৰ উপায়ুক্তক বদলি

# নগাঁও জিলাৰ নতুন উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ

বিশেষ সংবাদদাতা

**নগাঁও, ১৩ জুলাই ঃ** নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিভৰেক বদলি কৰা হৈছে। নগাঁও জিলা উপায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰা হিভৰেক বদলি কৰা হৈছে হাইলাকান্দি জিলালৈ। আইএএছ বিষয়া নিসৰ্গ হিভৰেক হাইলাকান্দিলৈ বদলি কৰি আন এজন আইএএছ বিষয়া নৰেন্দ্ৰ কুমাৰ শ্বাহক নগাঁও জিলাৰ উপায়ুক্ত হিচাপে হিভৰেৰ স্থলাভিষিক্ত কৰা হৈছে। উল্লেখ্য যে চিৰাং জিলাৰ উপায়ুক্ত হিচাপে শ্বাহে কাৰ্যনিৰ্বাহ কৰি আছিল। আইএএছ বিষয়া শ্বাহ বড়োলেণ্ড টেৰিটৰিয়েল ৰিজনৰ সচিবৰ দায়িত্বতো আছিল। উল্লেখ্য যে নিসৰ্গ হেভৰেৰ কাম-কাজক লৈ অসন্তুষ্ট আছিল স্বয়ং মুখ্যমন্ত্ৰী। ৰাজ্যৰ ভিতৰতে অন্যতম গুৰুত্বপূৰ্ণ নগাঁও জিলাৰ প্ৰশাসনিক কাম-কাজ সুচাৰুভাৱে পৰিচালনাত ব্যৰ্থ হৈছিল বুলি অভিযোগ উঠিছিল। দুজনমান এচিএছ বিষয়াক জিলা প্ৰশাসনৰ দায়িত্ব পৰিচালনাৰ গুৰু দায়িত্ব অৰ্পণ কৰাক লৈ সৃষ্টি হৈছিল অৰাজকতা। আনকি দুটাকৈ প্ৰলয়ংকৰী বানে বিধ্বস্ত কৰা নগাঁৱৰ পৰিস্থিতি মোকাবিলা কৰাত ব্যৰ্থ হৈছিল আইএএছ বিষয়াজন।

# দেওদিয়াআটি উচ্চ বুনিয়াদী বিদ্যালয়ত গ্ৰীষ্মকালীন কৰ্মশালা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৩ জুলাই ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লক্ষ্যৰে দেওদিয়াআটি উচ্চ বুনিয়াদী বিদ্যালয়ত পহিলা জুলাইৰ পৰা এক গ্ৰীষ্মকালীন শিবিৰৰ আয়োজন কৰা হয়। উক্ত শিবিৰত নিকটৱৰ্তী প্ৰায় পাঁচখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হয়। উক্ত কৰ্মশালাৰ শুভ উদ্বোধন কৰে সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া ঋতুৰাজ হাজৰিকাৰে। তেওঁ এই কৰ্ম শালাৰ শুভ উদ্বোধন কৰি কয় যে এনে কৰ্মশালা আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতি প্ৰয়োজন। কিয়নো লগে-ভাগে যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে কোনো বিষয়বস্তু শিকে তেতিয়া তেওঁলোকৰ মনত আনন্দ লাগে উৎসাহ পায় আৰু আগ্ৰহী হৈ পৰে। এই কৰ্মশালাত শ্যামন্ত পায়েং আৰু তিৰোপতি দলেই চিত্ৰাংকন, শিক্ষক হীৰক দাসে ছাত্ৰ ছাত্ৰীসকলৰ হাতৰ আখৰ লিখনৰ ওপৰত গুৰুত্ব আৰোপ কৰা সন্দৰ্ভত আৰু হাতৰ আখৰ কেনেদৰে ভাল কৰিব পাৰি তাৰ ওপৰত আলোচনা আগবঢ়ায়। ইয়াৰ লগতে উচ্চ প্ৰাথমিক শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গণিত, বিজ্ঞান,ইংৰাজী আৰু সমাজ বিজ্ঞান বিষয়তবীৰেন পায়েং, পিকুজিত ভৰালী, সূৰ্যকমল বৰুৱা, অভিলেখ শইকীয়া, পিংকী শইকীয়া আৰু নাৰায়ণ শইকীয়াই পাঠদান কৰে বুলি জানিবলৈ দিয়ে। ইয়াৰ লগতে আয়েংৰ পল্লৱী বাইদেউৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলক লাইব্ৰেৰী পৰিচালনা আৰু ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। এই অনুষ্ঠান ভাগ আয়োজন কৰি চলাই নিয়াত আগভাগ লয় প্ৰধান শিক্ষক কেশৱ বৰুৱাই।

# পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতলৈ সত্ৰজ্যোতি সন্মান ২০২২

অগ্ৰদূত বাৰ্তা

**জাঁজী, ১৩ জুলাই ঃ** সত্ৰীয়া সংগীতক অধিক জনমুখী কৰাৰ চেষ্টাত ব্ৰতী হৈ থকা অনুষ্ঠানসমূহৰ ভিতৰত পূব যোৰহাটৰ এটি অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান হ'ল মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়। ২০০১ৰ পৰা নিৰৱচ্ছিন্নভাৱে সত্ৰীয়া সংগীতৰ অমিয়া ৰস বিলাই অহা এই অনুষ্ঠানটোৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ২৩ জুলাইত বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰিছে। পুৱা পৰিৱেশ নিকাকৰণ, ৰেঙণি এটি আশাৰ সঞ্চালক বিজু শৰ্মাৰ দ্বাৰা বৃক্ষৰোপণ, সমিতিৰ সভাপতি বিদ্যুৎ বিকাশ গগৈ আৰু কাৰ্যকৰী সভাপতি ডাঃ মহানন্দ নেওগে স্মৃতি তৰ্পণ কৰাৰ পাছতেই পতাকা উত্তোলন কৰিব পৰিচালনা সমিতিৰ সভাপতি উপেন বৰা বুঢ়াভকতে। দুপৰীয়া ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ কলিতাই উদ্বোধন কৰিবলগীয়া মুকলি সভাত মাজুলীৰ শ্ৰীশ্ৰীউত্তৰ কমলাবাৰীৰ সত্ৰৰ বুঢ়াভকত তথা ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান প্ৰাপক সত্ৰীয়া গুৰু গোপীৰাম বৰগায়ন বুঢ়াভকতক চলিত বৰ্ষৰ বাবে সত্ৰজ্যোতি সন্মান প্ৰদান কৰা হ'ব। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিবেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক যাদৱ বৰা আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব টীয়ক সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱা আৰু প্ৰাগ চেনেলৰ উজনি অসমৰ ব্যুৰ' চীফ উৎপল বৰা। উক্ত অনুষ্ঠানত সত্ৰাধিকাৰ গহন চন্দ্ৰ মহন্ত, কমল বড়া, ৰেণু বড়া আৰু ৰবিৰাম ভূঞা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰা হ'ব। সন্ধিয়া ছয় বজাৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা অভিনীত হ'ব মহাপুৰুষ মাধৱদেৱৰ ৰচিত অৰ্জুন ভঞ্জন ঝুমৰা আৰু সীতাহৰণ বালিবধ দুখন ভাওনা। ভাওনা উদ্বোধন কৰিব শ্ৰীশ্ৰী উজনীয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই। অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে উপস্থিত থাকিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ ভূঞা আৰু উদযাপন সমিতিয়ে কামনা কৰিছে।

# জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ তিনিচুকীয়াৰ সৌজন্যত উদ্যমিতা বিকাশ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ১৩ জুলাই ঃ** শিক্ষিত যুৱক-যুৱতীসকলক উদ্যোগিক ক্ষেত্ৰখনৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যে কালি অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অধীনত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ তিনিচুকীয়াৰ সৌজন্যত দিনজোৰা কাৰ্যসূচীৰে পৰহি গোলাপচন্দ্ৰ-ৰবিচন্দ্ৰ নাট্য মন্দিৰত উদ্যমিয়তা বিকাশ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে অসম চৰকাৰৰ শ্ৰম আৰু নিয়োগ আদি বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ। সভাত আদৰণি ভাষণ আগবঢ়ায় গিৰিধৰলাল পাৰিকে। সভাত শ্ৰম মন্ত্ৰী কিষাণে বৰ্তমানৰ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে সমগ্ৰ অসমতে উদ্যোগীক বিকাশৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে বুলি উল্লেখ কৰি শিক্ষিত যুৱক-যুৱতীসকলক চাকৰিমুখী মনোভাৱৰ সলনি উদ্যোগীক চিন্তাধাৰাৰে চৰকাৰী আঁচনিৰ জৰিয়তে নিজকে স্বাৱলম্বী কৰাৰ লগতে আনকো সংস্থাপন দিবৰ বাবে প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়। বৰ্তমানৰ চৰকাৰখনে শিক্ষিত যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বাবেও বহুতো প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়। বৰ্তমানৰ চৰকাৰখনে শিক্ষিত যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বাবেও বহুতো প্ৰচেষ্টা হাতত লৈছে বুলিও মন্ত্ৰীজনে নিজ ভাষণত উল্লেখ কৰে। উদ্যমিয়তা বিকাশ কাৰ্যসূচীত তিনিচুকীয়া জিলাৰ ভিন্ন অঞ্চলৰ পৰা অংশগ্ৰহণ কৰা প্ৰতিগৰাকী প্ৰাৰ্থীক শ্ৰমমন্ত্ৰীজনে নিষ্ঠা সহকাৰে প্ৰশিক্ষণ গ্ৰহণ কৰি নিজ নিজ অঞ্চলৰ আন যুৱক-যুৱতীসকলৰ মাজত উদ্যোগীক চিন্তাধাৰাৰ বিস্তাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। সভাত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ তিনিচুকীয়াৰ সাধাৰণ পৰিচালক প্ৰণৱ কটকী, হস্তাতাঁত আৰু বস্ত্ৰশিল্পী বিভাগ, কৃষি আৰু উদ্যান শস্য বিভাগ তথা নেডফিৰ বিষয়াবৰ্গ প্ৰমুখ্যে সদস্যসকল উপস্থিত থাকে।

## উৎকট গৰমত নিম্নমানৰ বিদ্যুৎ সেৱাই জ্বলা-কলা খুৱাইছে লাহৰীঘাটবাসীক

অগ্ৰদূত বাৰ্তা


**লাহৰীঘাট, ১৩ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত একাংশ গাঁৱত যোৱা কিছুদিন ধৰি বিদ্যুতৰ নিম্নগামী সেৱাই অতিষ্ঠ কৰি তুলিছে অঞ্চলবাসীক। নাই বৰষুণ। গৰমৰ তীব্ৰতা দিনকদিনে বৃদ্ধি পোৱাত লাহৰীঘাটৰ স্বাভাৱিক জীৱন যাত্ৰা একপ্ৰকাৰ ব্যাহত হৈ পৰিছে। এনে সময়তে লাহৰীঘাট বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত দক্ষিণ চেনিমাৰী, গৰম বজাৰ, বৰখাবল, বৰবড়ী, দেওৱাগুৰি, কছাৰীবড়ী, হুগলতলি, দাতিয়ালবড়ী, নৰসিংবড়ী আদি অঞ্চলত নিম্নমানৰ বিদ্যুৎ যোগানত গ্ৰাহক ৰাইজ বাৰুকৈ জ্বলা-কলা খাবলগীয়া হোৱা বুলি অভিযোগ উঠিছে। অনিয়মীয়া বিদ্যুৎ যোগানত শিক্ষাৰ্থীসকলক অধ্যয়নৰ ক্ষেত্ৰত সমস্যাত পেলাইছে। লাহৰীঘাটত সঘনে বিদ্যুৎ কৰ্তনৰ ফলত ইয়াৰ সৰু -বৰ ব্যৱসায়িক প্ৰতিষ্ঠান, ক্ষুদ্ৰ উদ্যোগ আদিয়ে চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। ২৪ ঘন্টাৰ ভিতৰত মাত্ৰ চাৰি-পাঁচ ঘন্টাহে বিদ্যুৎ যোগান অব্যাহত থাকে যদিও ভল্টেজ একেবাৰে কম থাকে। বিদ্যুৎ যোগান থাকিলেও ভল্টেজ একেবাৰে কমকৈ পোৱাত উৎকট গৰমৰ যন্ত্ৰণা আৰু পোহৰৰ সমস্যাত ভুগিবলগীয়া হৈছে। এফালে বিদ্যুতৰ অনিয়মীয়া যোগান আনফালে কিছু সময় বিদ্যুৎ যোগান অব্যাহত থাকিলেও নাথাকে ভল্টেজ। ফলত ফেন, ফ্ৰীজ, মটৰ, কুলাৰ, ইস্ত্ৰি আদি অচল হৈ পৰে। গ্ৰাহকৰ সুবিধাৰ্থে লাহৰীঘাট অঞ্চলত বিদ্যুৎ যোগান নিয়মীয়া কৰিবলৈ ৰাইজে দাবী জনাইছে সংশ্লিষ্ট বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষক।

## ৰঙাপৰাত ৰেলৰ দবাৰ ভিতৰত মৃতদেহ উদ্ধাৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১৩ জুলাই ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত আজি এটা মৃতদেহ উদ্ধাৰ হয়। ৰেলৰ দবাৰ ভিতৰত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই ৰেল নগৰী ৰঙাপৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰত্যেক দিনাৰ দৰে আজিও ৰেলৰে বিভাগৰ পিক লাইনত থকা ৰেলৰ দবাবোৰ কৰ্মচাৰীসকলে চাফ-চিকুণ কৰি থকাৰ সময়তে দিনৰ প্ৰায় ১১ মান বজাত ১৫৪০১৫ নম্বৰৰ দবাটোৰ ভিতৰৰ পৰা দুৰ্গন্ধ ওলোৱাত কৰ্মচাৰীসকলে দবাটোৰ ভিতৰত চোৱা-চিতা কৰাত এটা মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰে। ইফালে, ঘটনাৰ খবৰ পোৱাৰ পাছতে ঘটনাস্থলীত ৰঙাপৰা ৰেলৰে আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মন্টু ডেকা উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰে। প্ৰায় ৪৮ বছৰ বয়সৰ মৃত লোকজনৰ প্ৰকৃত পৰিচয় উদ্ধাৰ হোৱা নাই। উল্লেখ্য যে কালি সন্ধিয়া প্ৰায় আঠ বজাত ডেকাৰগাঁও-গুৱাহাটী ইন্টৰচিটি ৰেলখন মেৰামতিৰ বাবে পিক লাইনলৈ নিয়া হৈছিল।

## বানপানীত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱন সুনিশ্চিত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৩ জুলাই ঃ** অসমৰ ভয়াৱহ বানপানীত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰী জীৱন সুনিশ্চিত কৰাৰ লক্ষ্যৰে বানাক্ৰান্ত প্ৰতিটো পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদান আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথিৰ লগতে এক লাখ টকাকৈ এককালীন সাহায্য প্ৰদানৰ দাবীত আজি অল ইণ্ডিয়া ডি এছ অ'ই মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। তদুপৰি অকল্পনীয় ক্ষতিৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীসকলৰ ভৰ্তি মাচুল বিনামূলীয়া কৰা তথা সুনিশ্চত কৰাৰ দাবীত আজি অল ইণ্ডিয়া ডি এছ অ'ৰ অসম ৰাজ্যিক কমিটীৰ এটা প্ৰতিনিধি দলে জিলা উপায়ুক্তক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## ধনশিৰি নৈৰ বুকুত দিনে-নিশাই মেচিন লগাই অবৈধ বালি উত্তোলন ঃ চকুমুদা কুলিৰ ভাও বন বিভাগৰ

## বৰপথাৰত বালি মাফিয়াৰ দপ্‌দপনি

**বৰপথাৰ, ১৩ জুলাই ঃ** গোলাঘাট জিলাৰ বৰপথাৰত চলিছে এতিয়া বালি মাফিয়াৰ দপ্‌দপনি। মেচিন লগাই দিনে-নিশাই ধনশিৰি নৈৰ বুকুত অবৈধভাৱে বালি মাফিয়াই চলাইছে বালি খনন। উল্লেখ্য যে বৰপথাৰ খণ্ড বন বিষয়া কাৰ্যালয়ৰ অধীনত বন বিভাগে আৱণ্টন দিয়া একমাত্ৰ বালি মহলটোৰ উপৰি ধনশিৰি নদীৰ কাষে কাষে কাঠফুলাৰ দৰে গঢ়ি উঠিছে অবৈধ বালি মহল। এই অবৈধ বালি মহলসমূহত মেচিন লগাই দিনে-নিশাই ধনশিৰি নৈৰ বুকুৰ পৰা উত্তোলন কৰিছে বালি। এনেদৰে ধনশিৰি নৈৰ বুকুত বালি খননে ভাবুকি কঢ়িয়াই আনিছে জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি। তদুপৰি মেচিনেৰে নৈৰ বুকুৰ পৰা বালি উত্তোলনৰ ফলত সৃষ্টি হোৱা খহনীয়াই সংকট নমাই আনিছে নৈপৰীয়া ৰাইজলৈ। কিন্তু এইবোৰ বিষয়ৰ প্ৰতি তিলমানো গুৰুত্ব নাই বৰপথাৰৰ খণ্ড বন বিষয়া ৰাজীৱ কাকতিৰ। বৰঞ্চ নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে কাঠফুলাৰ দৰে ধনশিৰি নদীৰ কাষে কাষে অবৈধ বালি মহল গঢ়ি উঠাত হাত উজান দিয়াৰ অভিযোগ উঠিছে খণ্ড বন বিষয়াজনৰ বিৰুদ্ধে। আনহাতে, সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হোৱাৰ পাছদিনাই এক্সকেভেটৰ লগাই অবৈধ বালি মহল উচ্ছেদ কৰি নিজকে ধোৱা তুলসীৰ পাত সজাবলৈ নাটক কৰে বন বিষয়াজনে। উল্লেখ্য যে বৰপথাৰ খণ্ড বন বিষয়া কাৰ্যালয়ৰ অধীনত বন বিভাগে আৱণ্টন দিয়া একমাত্ৰ বালি মহলটোৰ উপৰি টেঙানীৰ কঠবিলকে আদি কৰি বিভিন্ন স্থানত দুৰ্নীতিগ্ৰস্ত বন বিষয়ৰ আশীৰ্বাদপুষ্ট এচাম বালি মাফিয়াই গঢ়ি তুলিছে অবৈধ বালি মহল। বৰপথাৰ খণ্ড বন বিষয়া আৰু বৈধ বালি মহলৰ মহলদাৰৰ লগত হোৱা গোপন বুজাবুজিৰে টেঙানীৰ কঠবিলত মেৰাপানীৰ জনৈক দাস উপাধিৰ এজন লোকে ধনশিৰি নৈত অবৈধভাৱে বালি খননৰ প্ৰস্তুতি চলোৱাৰ কথা এক নিৰ্ভৰযোগ্য সূত্ৰই সদৰী কৰিছে। জনৈক দাসে বালি সৰবৰাহৰ বাবে এক্সকেভেটৰ লগাই নিৰ্মাণ কৰিছে পথ। এই সকলোবোৰ দেখিও চকুমুদা কুলিৰ ভাও ধৰাৰ অভিযোগ উঠিছে বৰপথাৰৰ খণ্ড বন বিষয়া ৰাজীৱ কাকতিৰ বিৰুদ্ধে। ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে শপত গ্ৰহণ কৰাৰ পাছতে ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগতে সকলো প্ৰকাৰৰ বিষয়াৰ ব্যাপক ৰদ-বদল হৈছিল। কিন্তু পৰিতাপৰ কথা বৰপথাৰ খণ্ড বন বিষয়াৰ দায়িত্বত বহু বছৰ ধৰি একেৰাহে কাৰ্যনিৰ্বাহ কৰা এইজন বন বিষয়াৰ বদলি নহ'ল। বছৰ বছৰ ধৰি একেটা স্থানত কাৰ্যনিৰ্বাহ কৰা এইজন বন বিষয়াক কোনে কি উদ্দেশ্যে পুনৰ একেটা স্থানতে ৰাখিলে সিও এক ডাঙৰ ৰহস্য হৈ পৰিছে। শেহতীয়াকৈ দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি এইজন বন বিষয়াৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে দুটাকৈ ছাত্ৰ সংগঠন। বন বিষয়াজনৰ বিৰুদ্ধে চৰকাৰে উচিত তদন্ত কৰি শাস্তি প্ৰদান কৰাৰ লগতে তাৎক্ষণিকভাৱে বদলিকৰণৰ দাবী তুলিলে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতি আৰু চুতীয়া জাতি ছাত্ৰ সন্থাৰ ধনশিৰি মহকুমা সমিতিয়ে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰা ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে দুৰ্নীতিগ্ৰস্ত বন বিষয়া ৰাজীৱ কাকতিৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষ্যণীয় হ'ব।

## ঘগ্ৰাপাৰৰ খাতিকুছিত অগপৰ কৃষক

*১২ পৃষ্ঠাৰ পৰা* কৃষিমন্ত্ৰী অতুল বৰাই আগবঢ়োৱা কে'বাটাও অভিলাষী আঁচনিৰ কথা কৃষক ৰাইজ আগত অৱগত কৰাৰ উপৰি এইসমূহ আঁচনিৰ পৰা যাতে প্ৰকৃত কৃষক বঞ্চিত নহয় তাৰ ওপৰত চোকা নজৰ ৰাখিবলৈ অগপৰ দলীয় নেতা-কৰ্মীসকল আহ্বান জনায়। নলবাৰী জিলা কৃষক পৰিষদৰ সাধাৰণ সম্পাদক ইমদাদুল ৰহমানে আঁত ধৰা অনুষ্ঠানটোত অঞ্চলটোৰ প্ৰায় দুশতাধিক কৃষক ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখ্য যে নলবাৰী সমষ্টিত অগপৰ হেৰুওৱা সাংগঠনিক ভেটি পুনৰ উদ্ধাৰ কৰাৰ বাবে অগপৰ ভ্ৰাতৃ-সংগঠন অসম কৃষক পৰিষদ, নলবাৰী জিলা সমিতিয়ে তৎপৰতা অৱলম্বন কৰা পৰিলক্ষিত হৈছে।

## লখিমপুৰ জিলা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৩ জুলাই ঃ** সদৌ অসম জিলা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত জনগোষ্ঠীটোৰ ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হ'ব। পদ্মনাথ গোহাঞিবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিতব্য অনুষ্ঠানৰ মুকলি সভা আৰু অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ মহেন বৰা উপস্থিত থাকিব। অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীৰ লগতে সকলোৰে সহায়-সহযোগিতা উদ্যোক্তাই কামনা কৰিছে।

## পুঁজি ব্যয়ৰ নামত গোৱালপাৰা জিলা

*১২ পৃষ্ঠাৰ পৰা* পট্টন দিয়া হয়। উল্লেখ্য যে হাট-বজাৰ, মীন মহল আৰু পাৰঘাট পট্টনৰ পৰা লাভ ধৰা ধন এক নিৰ্ধাৰিত অনুপাতত ভাগ কৰিব লাগে। ইয়াৰে জিলা পৰিষদে ২০ শতাংশ, সংশ্লিষ্ট আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তে ৪০ শতাংশকৈ ধন পাব লাগে। স্থানীয় পুঁজি ব্যয়ৰ ক্ষেত্ৰত যিদৰে পট্টনৰ পৰা লাভ কৰা টকা জিলা পৰিষদে সংশ্লিষ্ট আঞ্চলিক আৰু গাঁও পঞ্চায়তক দিব লাগে ঠিক সেইদৰে আঞ্চলিক পঞ্চায়তে পট্টনৰ পৰা লাভ কৰা ধনৰ ৪০ শতাংশ নিজে ৰাখি ২০ শতাংশকৈ ধন জিলা পৰিষদ আৰু ৪০ শতাংশকৈ ধন সংশ্লিষ্ট গাঁও পঞ্চায়তক দিব লাগে। কিন্তু গোৱালপাৰা জিলা পৰিষদ কৰ্তৃপক্ষই পঞ্চায়তীৰাজ ব্যৱস্থাৰ এই নিয়মক অংগুষ্ঠ প্ৰদৰ্শন কৰি ২০২১-২২ৰো নামমাত্ৰ আংশিক টকা দিয়া বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। কেৱল পুঁজি ব্যয়ৰ ক্ষেত্ৰতেই নহয় কৰ'না পৰিস্থিতিৰ সুযোগ লৈ একাংশ লেচীৰ স'তে গোৱালপাৰা জিলা পৰিষদ কৰ্তৃপক্ষই গোপন বুজাবুজিৰে বৃহৎ পৰিমাণৰ ৰাজহৰ খেলিমেলি কৰা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এইদৰে গোৱালপাৰা জিলা পৰিষদে হাট-বজাৰ, মীন মহল আৰু পাৰঘাট পট্টন আৰু পট্টনৰ পৰা লাভ কৰা পুঁজি ব্যয়ৰ ক্ষেত্ৰত সংঘটিত কৰা অনিয়মৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে সচেতন মহলে।

## দুধনৈৰ হাঁহচৰাবড়ীত কৃতী ছাত্ৰ-ছাত্ৰী-অৱসৰপ্ৰাপ্ত শিক্ষকক বিশেষ সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১৩ জুলাই ঃ** গোৱালপাৰা জিলাৰ দুধনৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত হাঁহচৰাবড়ীত আজি সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰী আৰু অৱসৰপ্ৰাপ্ত শিক্ষকসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এটি বিশেষ সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। হাঁহচৰাবড়ী নৱজ্যোতি ক্লাবৰ উদ্যোগত অনুষ্ঠিত বিশেষ সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে ক্লাবৰ প্ৰতিষ্ঠাপক সম্পাদক আব্দুল বাৰিক আহমেদে। হাঁহচৰাবড়ী নৱজ্যোতি ক্লাব খেলপথাৰ প্ৰাংগণত অনুষ্ঠিত সম্বৰ্ধনা সভাত বৃহত্তৰ অঞ্চলৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকৰ ১২০গৰাকী ছাত্ৰ-ছাত্ৰীক কলম, ফুলাম গামোচা, কিতাপ, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানতে অঞ্চলটোৰ ছগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক ফুলাম গামোচা, জাপি, শৰাই, কিতাপৰ টোপোলা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত থাকে দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। ভাষণ প্ৰসংগত তেওঁ কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে হাঁহচৰাবড়ী অঞ্চলৰ ৰাস্তা-ঘাটৰ প্ৰতি বিশেষভাৱে গুৰুত্ব প্ৰদান কৰে। সভাত আমন্ত্ৰিত অতিথি হিচাপে ভাষণ প্ৰদান কৰে ৰংজুলি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সমৰেন্দ্ৰ শৰ্মাই। অনুষ্ঠানত প্ৰায় তিনিশ ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকাৰ লগতে বৃহত্তৰ অঞ্চলৰ ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে ক্লাবৰ উপদেষ্টা ছাহজাহান আলীয়ে।

## মুখ্যমন্ত্ৰীলৈ এ আইডিএছঅ'ৰ স্মাৰকপত্ৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১৩ জুলাই ঃ** ৰাজ্যৰ ভয়াৱহ বানত ক্ষতিগ্ৰস্ত হোৱা লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱন সুৰক্ষিত কৰাৰ দাবীত আজি ছাত্ৰ সংগঠন অল ইণ্ডিয়া ডিএছঅ'ৰ শোণিতপুৰ জিলা সমিতিয়ে জিলা উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৰ জিলা সমিতিৰ সভাপতি নয়নমণি চৌধুৰী আৰু সম্পাদক মাধুৰ্য গগৈ স্বাক্ষৰিত স্মাৰকপত্ৰত 'বানাক্ৰান্ত প্ৰতিটো পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰিবলৈ আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথিৰ লগতে এক লাখ টকাকৈ এককালীন সাহায্য প্ৰদান, ভয়াৱহ বানৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ মাচুলসহ সকলো ধৰণৰ মাচুল মুকুবৰ ব্যৱস্থা, হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে যাতে পৰৱৰ্তী শ্ৰেণীত নামভৰ্তিৰ সুযোগ পায় তাক সুনিশ্চিত কৰাৰ ব্যৱস্থা কৰা আদি দাবী জনোৱা হয় স্মাৰকপত্ৰখনত।

## বোকাখাতত গুৰুপূৰ্ণিমা পালন

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১৩ জুলাই ঃ** বিবেকানন্দ কেন্দ্ৰ কন্যা কুমাৰী বোকাখাত শাখাৰ উদ্যোগত আজি নিজা ভৱনত গুৰুপূৰ্ণিমা পালন কৰা হয়। নগৰ প্ৰমুখ ভানু বৰুৱাৰ পৰিচালনাত হোৱা অনুষ্ঠানত গুৰুপূৰ্ণিমা সম্পৰ্কে বিতংকৈ কয় ৰজাবাৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুখময় পুৰকায়স্থই। গীতা মেদকে যোগাসন আৰু প্ৰাৰ্থনা পৰিচালনা কৰে। অনুষ্ঠানত বিশিষ্ট ব্যৱসায়ী ৰাজেন্দ্ৰ প্ৰসাদ নিমুদীয়া, ভবানন্দ কলিতা, প্ৰাঞ্জল দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰেখা শৰ্মাতামুলী আদিয়ে বক্তব্য ৰাখে।

## মৰিয়নিৰ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভা ঃ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৩ জুলাই ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতি, মৰিয়নি আঞ্চলিক সমিতিৰ এখন প্ৰতিনিধি সভা আজি ইয়াৰ চানাই ভৱনত অনুষ্ঠিত হয়। ভৰত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ভদ্ৰ শেনচোৱাই। প্ৰতিনিধি সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কৰ্ণধাৰ সদস্য অৰিন্দম গগৈয়ে বৰ্তমানৰ চৰকাৰক সাম্প্ৰদায়িক আৰু ফেচীবাদী বুলি আখ্যা দি এই সাম্প্ৰদায়িক আৰু ফেচীবাদী শক্তিয়ে সাম্প্ৰতিক দেশৰ পৰিৱেশ আৰু পৰিস্থিতিক এক জটিল দিশলৈ লৈ গৈ আছে বুলি উল্লেখ কৰে। এই ক্ষেত্ৰত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কৰণীয়ব লগতে সংগঠনৰ লক্ষ্য-উদ্দেশ্য সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰে কৃষক মুক্তিৰ নেতাজনে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তিতাবৰ মহকুমা সমিতিৰ যুটীয়া সম্পাদকদ্বয় তপন ফুকন আৰু প্ৰফুল্ল বৰাও উপস্থিত থকা সভাত কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মৰিয়নি অঞ্চলৰ বিভিন্ন সমস্যাৰাজি বিশেষকৈ অসম-নগালেণ্ড সীমা সমস্যা, মৰিয়নিবাসীৰ মাটিৰ সমস্যা, হাতী-মানুহৰ সংঘাত আদিক লৈ এলানি আন্দোলনৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, এই প্ৰতিনিধি সভাতে ভৰত কলিতাক সভাপতি, হীৰেণ বৰাক কাৰ্যকৰী সভাপতি আৰু ভদ্ৰ শেনচোৱাক সাধাৰণ সম্পাদক হিচাপে লৈ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মৰিয়নি আঞ্চলিক সমিতিৰ ৩১ জনীয়া এখন নতুন কাৰ্যকৰী সমিতি গঠন কৰা হয়। প্ৰতিনিধি সভাৰ অন্তত নতুন সমিতিখনে শপত বাক্য পাঠ কৰে।

## চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক

*১২ পৃষ্ঠাৰ পৰা* চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। তেওঁ লগতে আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা শিক্ষকসকলক বিদ্যালয়খনৰ সমীপত বাস কৰা জনসাধাৰণৰ স'তে সৌহাৰ্দপূৰ্ণ সম্পৰ্ক গঢ়ি তেওঁলোকৰ জীৱনলৈও এক ইতিবাচক পৰিৱৰ্তন অনাৰ দিশত কাম কৰি যাবলৈ আহ্বান জনায়। আনহাতে, উপায়ুক্ত মিশ্ৰই ভাষণত শিক্ষকসকলক জনসাধাৰণৰ আস্থাৰ অনুকূলে কাম কৰি যাবলৈ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ আদৰ্শৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে সমগ্ৰ শিক্ষা, অসমৰ ৰাজ্যিক প্ৰকল্প বিষয়া ৰেৱতী মোহন কাকতি, পাঝৰা নামৰ বেচৰকাৰী অনুষ্ঠানটোৰ সঞ্চালক ষ্টিফেন এক্কা, প্ৰথম এডুকেছন ফাউণ্ডেচনৰ অবিনাশ দত্ত, মনোৰোগ বিশেষজ্ঞ চিকিৎসক প্ৰদীপ কুমাৰ শৰ্মা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ শোণিতজ্যোতি শইকীয়া, চৰকাৰী শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপিকা মনময়ূৰী গোস্বামী, সৰু পাটগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নকুল কুৰ্মী, যুগল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বজিত বড়ো, ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় কাণ্ডুলানা আৰু সমগ্ৰ শিক্ষা শোণিতপুৰৰ জিলা প্ৰকল্প বিষয়া ৰমেন মেধি আদি।

## ৰাইজেই নিষিদ্ধ কৰিলে জাবৰ-জোঁথৰ

*১২ পৃষ্ঠাৰ পৰা* তালুক' সতৰ্কতামূলক জাননী, কালমণি নৈ আৰু ৰাষ্ট্ৰীয় ঘাইপথ, উপপথৰ দাঁতিত জাবৰ-জোঁথৰ পেলোৱা নিষিদ্ধ কৰা হৈছে। নিৰ্দেশ অমান্যকাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৰিৱেশ সচেতন লোকে দেখা মাত্ৰকে ফটো বা ভিডিঅ' কৰি ৯৮৫৪০৯১৭৫৯, ৭৬৩৮০২৭৯১৫, ৯৮৬৪১৫৭০৩৪ বা ৮৭২১০৪২২৭২ হোৱাটছএপ নম্বৰলৈ প্ৰেৰণ কৰক। উল্লেখ্য যে আজাৰা অঞ্চলৰ অতিৰিক্ত পানীভাগ কালমণি নৈৰে ব্ৰহ্মপুত্ৰত মিলিত হয়। বছৰ বছৰ ধৰি এচাম অসচেতন লোকে নৈখনক ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰা তথা চৰকাৰী অৱহেলাৰ বাবে নৈখন সম্পূৰ্ণৰূপে নিশ্চিহ্ন হ'বলৈ ধৰিছিল। এই বিষয়ে 'অসমীয়া প্ৰতিদিন'ত কে'বাবাৰো বিস্তৃতভাৱে লেখা প্ৰকাশ হৈছিল। শেহতীয়াকৈ জলসম্পদ বিভাগৰ জৰিয়তে কালমণি নৈ পুনৰ খন্দাৰ ফলত বৃহত্তৰ অঞ্চলটো কৃত্ৰিম বানৰ পৰা ৰক্ষা পৰে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণৰ ঘৰুৱা আৱৰ্জনা তথা পেলনীয়া সামগ্ৰীসমূহ পেলাবলৈ অঞ্চলটোত কোনো ব্যৱস্থা নাই। ফলত এচাম অসচেতন লোকে য'তে-ত'তে পেলনীয়া সামগ্ৰীসমূহ পেলাবলৈ ধৰে।

## জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৩ জুলাই ঃ** সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পৰিষদৰ যোৰহাট জিলা সমিতিৰ উদ্যোগত যোৰহাট মিঠাপুখুৰীস্থ ৰামধেনু বিবাহ ভৱনত অহা ১৫ জুলাইত অনুষ্ঠিত হ'ব। সংগঠনটোৰ সভাপতি চন্দ্ৰকমল শইকীয়া আৰু সাধাৰণ সম্পাদক পৰাগজ্যোতি দত্তই জানিবলৈ দিয়া মতে, কাৰ্যসূচী অনুসৰি পুৱা কেন্দ্ৰীয় সমিতিৰ সভাপতি ছায়েদুৰ ৰহমানে পতাকা উত্তোলন কৰাৰ পাছতেই ছহিদ তৰ্পণ কৰিব কেন্দ্ৰীয় সমিতিৰৰ সাধাৰণ সম্পাদক ৰিতুল পাঠকে। সাংগঠনিক পৰ্যালোচনা আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা উদ্বোধন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা বিৰাজ কুমাৰ তালুকদাৰে। বিয়লি অনুষ্ঠিত হ'বলগীয়া সম্বৰ্ধনা আৰু অভিনন্দন অনুষ্ঠানত যোৰহাটৰ বিভিন্ন ক্ষেত্ৰৰ কে'বাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে চলিত বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম ১০টা স্থানৰ ভিতৰত স্থান লাভ কৰা কৃতী ছাত্ৰ-ছাত্ৰীসকলকো অভিনন্দন জনোৱা হ'ব।

## দুৰ্গত লোকক সহায়ৰ বাবে জামুগুৰিহাটত জন্ম 'সকাহ'



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৩ জুলাই ঃ** দুখীয়া দৰিদ্ৰ ৰাইজক সহায় কৰাৰ উদ্দেশ্যৰে জামুগুৰিহাটত জন্ম হ'ল 'সকাহ' নামৰ এটা ন্যাস। নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ পঞ্চায়ত প্ৰতিনিধি আৰু নদুৱাৰ উন্নয়ন খণ্ডৰ চৰকাৰী কৰ্মচাৰীসকলৰ সমূহীয়া প্ৰচেষ্টাত জন্ম লাভ কৰে 'সকাহ'-এ। আজি এই উদ্দেশ্যৰে জামুগুৰিহাটস্থিত নদুৱাৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। চতিয়া খণ্ড উন্নয়ন বিষয়া পলক শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত নদুৱাৰ উন্নয়ন খণ্ডৰ পঞ্চায়ত প্ৰতিনিধি আৰু চৰকাৰী কৰ্মচাৰীসকলৰ পৰা সংগৃহীত পুঁজিৰে এই 'সকাহ' নামৰ ন্যাসটো গঠন কৰা হয়। এই ন্যাসৰ জৰিয়তে এতিয়াৰ পৰা নদুৱাৰ খণ্ডৰ দুখীয়া দুৰ্গত লোকসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে চতিয়া খণ্ড উন্নয়ন বিষয়া পলক শৰ্মা আৰু নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি অজিত পায়েঙে। সহজতে চৰকাৰী আঁচনি ঢুকি নোপোৱা তথা তাৎক্ষণিকভাৱে বানপানী, দুৰ্ঘটনাত পতিত লোকসকলক আৰ্থিক সাহায্য প্ৰদানৰ উদ্দেশ্যৰেই এই 'সকাহ' নামৰ ন্যাসটো গঠন কৰা বুলি মন্তব্য কৰে চতিয়া খণ্ড উন্নয়ন বিষয়া শৰ্মা আৰু নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি পায়েঙে।

**নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ প্ৰতিনিধি-কৰ্মচাৰীৰ প্ৰশংসনীয় পদক্ষেপ**

## পৰ্বতঝোৱাত ছ্যুকাফা দিৱস আৰু

*১২ পৃষ্ঠাৰ পৰা* অহা গছসমূহ ৰোপণ কৰাত অধিক গুৰুত্ব আৰোপ কৰে। পৰ্বতঝোৱা অঞ্চলটো সাধাৰণতে প্ৰদূষণমুক্ত। তাৰ ওপৰত ভিত্তি কৰি ৰেচম শিল্প বিভাগক চোম গছ ৰোপণত অধিক গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। উন্নয়ন খণ্ডসমূহৰ ভিচিডিচিসমূহত যাতে এই কাৰ্যসূচীৰ সফল ৰূপায়ণ হয়, তাৰ প্ৰতি দৃষ্টি দিবলৈ খণ্ড উন্নয়ন বিষয়াসকলক আহ্বান জনায়। কালিৰ বৃক্ষৰোপণ সম্পৰ্কীয় সভাখনৰ সমান্তৰালভাৱে সমাগত ছ্যুকাফা দিৱস সম্পৰ্কেও আলোচনা কৰা হয়। ছ্যুকাফাৰ মহান আদৰ্শক সুঁৱৰি মহকুমাধিপতিজনে কয়, 'যি জাতিয়ে নিজৰ শিপা চিনি নাপায়, সেই জাতি কেতিয়াও জীয়াই নাথাকে। গতিকে ছ্যুকাফাৰ আদৰ্শ আৰু ত্যাগৰ কথা আমাৰ নৱপ্ৰজন্মই জনাটো ভাল।' ছ্যুকাফাৰ জীৱন আৰু আদৰ্শক লৈ যদি কোনোবাই ৰচনা লিখে, তেন্তে সেই ৰচনা মহকুমাধিপতিৰ হাতত জমা দিবলৈ তেওঁ আহ্বান জনায়। মহকুমাধিপতিয়ে উপায়ুক্তৰ হতুৱাই সেই ৰচনা চৰকাৰলৈ প্ৰতিযোগিতাৰ বাবে পঠিয়াই দিব। চৰকাৰে এইবাৰ ৰচনা প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা এক কোটি নিৰ্ধাৰণ কৰিছে। কালিৰ সভাখনত বিভিন্ন চৰকাৰী বিভাগৰ পৰা ৰমেশ চন্দ্ৰ ৰয়, সোমেশ্বৰ প্ৰসাদ বাৰ্মা, সদন কুমাৰ সেন, একাব্বৰ আলী, ৰমজান আলী শ্বেখ, আবু বহুৰ ছিদ্দিক, মংগলেশ্বৰ চৌধুৰী, ইন্দ্ৰমোহন নাথ, ৰাহুল তৰফদাৰ, ধৰ্মেশ্বৰ দাস, ৰাজু কুমাৰ শ্বাও, ৰাজীৱ কুমাৰ দাস, হীৰকজ্যোতি কলিতা, ধৰণীধৰ ডেকা, নজমুল হক, প্ৰাণজিৎ ব্ৰহ্মচৌধুৰী, জয়শ্ৰী চৌধুৰী, সৰতী নাৰ্জাৰী, বিনতা নাৰ্জাৰী, ছবিবৰ ৰহমান, বিনয় কুমাৰ ৰয় আদি বিষয়া-কৰ্মচাৰী উপস্থিত থাকে বুলি মহকুমা তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই জনাইছে।

## নতুন এছ অ' পিৰ আধাৰত বিশ্বনাথ জিলাত ইউৰিয়া সাৰ বিক্ৰী

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৩ জুলাই ঃ** ইউৰিয়া সাৰৰ ক্ষেত্ৰত পহিলা জুলাইৰ পৰা প্ৰৱৰ্তিত নতুন এছ অ' পিৰ আধাৰত সমগ্ৰ ৰাজ্যখনতে পাইকাৰী বিক্ৰেতাৰ বিলুপ্তি ঘটাই অনুজ্ঞাপত্ৰ খুচুৰা বিক্ৰেতাৰ জৰিয়তে প্ৰত্যক্ষভাৱে কৃষকক সাৰ যোগানৰ ব্যৱস্থা লোৱা হৈছে। এই নতুন নিয়মাৱলীৰ অধীনত অনুমোদিত দৰত কৃষকক সাৰ যোগান নিশ্চিত কৰাৰ উদ্দেশ্যেৰে খণ্ড পৰ্যায়ত আঠজন খুচুৰা বিক্ৰেতাৰ জৰিয়তে ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কোম্পানী লিমিটেডৰ পৰা ৭২০ মেট্ৰিক টন ইউৰিয়া সাৰ লাভ কৰিবলৈ সক্ষম হৈছে। কৃষকৰ সুবিধাৰ্থে পৰৱৰ্তী পৰ্যায়ত অনুজ্ঞাপত্ৰধাৰী খুচুৰা বিক্ৰেতাৰ জৰিয়তে গাঁও পঞ্চায়ত ভিত্তিত সাৰ যোগানৰ বাবে বিশ্বনাথ জিলা কৃষি বিভাগৰ পৰা পদক্ষেপ লোৱা হৈছে। ইতিমধ্যে এই নতুন এছ অ' পি সন্দৰ্ভত বিশ্বনাথ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত যোৱা ২৭ জুনত অনুষ্ঠিত সভাত জিলা কৃষি বিষয়া দীপক বাঢ়ৈ আৰু মহকুমা কৃষি বিষয়া মনোজ কুমাৰ নাৰ্জাৰীয়ে বিক্ৰেতাসকলক সবিশেষ অৱগত কৰে।

## মৰিয়নিত ৰবিয়ানাৰ বিশ্বকবি ৰবীন্দ্ৰ নাথ

*১২ পৃষ্ঠাৰ পৰা* কেউটা দিনতেই সমবেত ৰবীন্দ্ৰ সংগীত, সমবেত ৰবীন্দ্ৰ নৃত্য, একক নৃত্য আৰু একক গীত আদি পৰিৱেশন কৰি প্ৰতিযোগিতাথলী মুখৰ কৰি তোলে। প্ৰথম দিনা পুৱা ৰবীন্দ্ৰ নাথ ঠাকুৰৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰি অনুষ্ঠানৰ আৰম্ভ কৰে প্ৰতিযোগিতাৰ মুখ্য বিচাৰক প্ৰদীপ সেনে। আনহাতে, সদৌ অসম বেংগলী যুৱ ছাত্ৰ ফেডাৰেছনৰ মৰিয়নি আঞ্চলিক সমিতিৰ সদস্যসকলে সমবেত সংগীত পৰিৱেশন কৰে। ইয়াৰ পাছতেই তিনিদিনীয়া কাৰ্যসূচীৰে বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। ইয়াৰ মাজতে তৃতীয় দিনা গুৱাহাটীৰ এদল ৰবীন্দ্ৰ প্ৰেমীয়ে ৰবিয়ানাৰ মঞ্চত ৰবীন্দ্ৰ সংগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। উল্লেখ্য যে গুৱাহাটীৰ দেৱলীনা চৌধুৰীৰ লগতে পশ্চিমবংগৰ অলক চৌধুৰী আৰু সন্দীপন চট্টোপাধ্যায় বিচাৰক হিচাপে অংশগ্ৰহণ কৰা বৰ্ণাঢ্য প্ৰতিযোগিতাখনত ৰঙাপৰা, যোৰহাট, তেজপুৰ, সৰুপথাৰ, আমগুৰি, ডিমাপুৰৰ লগতে মৰিয়নিৰো ভালে সংখ্যক প্ৰতিযোগীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশ লয়। অন্তিম দিনা বিশিষ্ট নৃত্য প্ৰশিক্ষিকা দেৱী চন্দৰ পৰিচালনাত মৰিয়নিৰ নৃত্যনীড় মিউজিক কলেজৰ প্ৰশিক্ষাৰ্থীসকলে পৰিৱেশন কৰা ৰবীন্দ্ৰ নাথৰ অমৰ সৃষ্টি নৃত্যনাটিকা 'চিত্ৰাংগদা'ই উপস্থিত সকলোকে মুগ্ধ কৰি ৰাখে। মনোগ্ৰাহী অনুষ্ঠানত তিনিচুকীয়াৰ শিল্পী কুমাৰ তাপস, লামডিঙৰ চম্পা সাহা চৌধুৰী, গুৱাহাটীৰ অৰিন্দম বৰুৱা আদিয়ে ৰবীন্দ্ৰ সংগীত পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। সুবীৰ দাসগুপ্তই আঁতধৰা বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী প্ৰতিযোগীসকলক প্ৰশংসা পত্ৰ, সুদৃশ্য স্মাৰক আদিৰে পুৰস্কৃত কৰা হয়। প্ৰতিযোগিতাত মৰিয়নিৰ বিশাল পালে শ্ৰেষ্ঠ সংগীত শিল্পীৰ পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে মৰিয়নিৰে কৃতিকা দেই শ্ৰেষ্ঠ নৃত্য শিল্পীৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, ৰঙাপৰাৰ শিল্পী ময়ুস সেন শ্ৰেষ্ঠ বাদ্য সংগতকাৰী আৰু মৰিয়নিৰ দেৱী চন্দই শ্ৰেষ্ঠ কৰিঅ'গ্ৰাফাৰৰ সন্মান অৰ্জন কৰে। বিশিষ্ট নাট্যকাৰ সমৰেশ চক্ৰৱৰ্তী, বিশ্বজিত ভট্টাচাৰ্য, উত্তম দে, সুশান্ত ঘোষ, ৰথীন্দ্ৰ দে, অপূৰ্ব নাথ, গৌতম ঘোষ, দেৱী চন্দ, ৰবিয়ানাৰ সম্পাদক বিল্পৱ ঘোষ আদিয়ে চাৰিদিনৰ কাৰ্যসূচীত পূৰ্ণ সহযোগিতা আগবঢ়াই কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে। আনহাতে, চাৰিদিনীয়া অনুষ্ঠানৰ সামৰণি অনুষ্ঠানত বোকাজানৰ বিশিষ্ট তবলা বাদক শ্ৰেয়া ভট্টাচাৰ্য, ৰঙাপৰাৰ ময়ুস সেন আদিয়ে পৰিৱেশন কৰা 'তবলা লহৰ' প্ৰদৰ্শনৰ লগতে মৰিয়নিৰ বিশিষ্টা শিল্পী দুলুমনি মালাকাৰ হাতীবৰুৱাৰ ৰবীন্দ্ৰ সংগীত পৰিৱেশন আছিল সমগ্ৰ অনুষ্ঠানৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী। এই অনুষ্ঠানে উপস্থিত সকলোকে মুগ্ধ কৰে। অনুষ্ঠানতে মৰিয়নিৰ বিশিষ্ট নাট্যকাৰ ৰঞ্জিত গোহাঁই বৰুৱা, শিক্ষক মনোজ কুমাৰ শৰ্মা, জ্যেষ্ঠ সাংবাদিক প্ৰাঞ্জল পাওগাম, ৰাজীৱ কৰ্মকাৰ, সমাজকৰ্মী কৃষ্ণ প্ৰসাদ শৰ্মা, শিক্ষক চহন কানু আদিক ৰবিয়ানাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

## গুৰু পূৰ্ণিমাৰ দিনাই শিক্ষকৰ ৰূপত মৰিগাঁও ৰাজহ চক্ৰ বিষয়া

অগ্ৰদূত বাৰ্তা

**অগ্ৰদূত বাৰ্তা, ১৩ জুলাই ঃ** মৰিগাঁৱত আজি পবিত্ৰ গুৰু পূৰ্ণিমাৰ দিনা মৰিগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া হৃদয় কুমাৰ দাসে জিলাখনৰ ছাটনগুৰিত শিক্ষকৰূপে শ্ৰেণীকোঠাত প্ৰৱেশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মত বিনিময় কৰাৰ লগতে শৈক্ষিক পাঠদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মৰিগাঁও জিলাৰ ছাটনগুৰি আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত ছাটনগুৰি সন্মিলিত যুৱ মঞ্চৰ প্ৰচেষ্টাৰে চলি থকা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ কাৰ্যসূচীত মৰিগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দাসে গণিত বিষয়ৰ ওপৰত আজি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পাঠদান আগবঢ়োৱাৰ উপৰি ৰাজহ চক্ৰ বিষয়াজনে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ উত্তৰণৰ সম্পৰ্কত এক প্ৰশ্নোত্তৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। ছাটনগুৰি আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত আজি ছাত্ৰী-ছাত্ৰীসকলে ভৱিষ্যতে সমাজখনত কেনেদৰে শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ লগতে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিকভাৱে শিক্ষিত হৈ সু নাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰি, তাৰ ওপৰতো বিস্তৃতভাৱে আলোকপাত কৰাৰ লগতে পৰামৰ্শ আগবঢ়ায়। জিলাখনৰ বানে গৰকা ছাটনগুৰি গাঁৱত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান প্ৰদান কৰি মৰিগাঁও ৰাজহ চক্ৰ বিষয়া দাসে আনন্দ অনুভৱ কৰাৰ লগতে চৰকাৰী কৰ্ম ব্যস্ততাৰ মাজত এনেধৰণৰ পৰিৱেশে অন্তৰৰ মণিকোঠাত দোলা দিয়ে বুলি মতপ্ৰকাশ কৰে।

## সেৱা ভাৰতীৰ স্বাস্থ্য সজাগতা সভা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৩ জুলাই ঃ** সেৱা ভাৰতীয়ে ভাতেমৰা গাঁৱৰ নামঘৰৰ সমীপৰ ত্ৰি ছহিদ মঞ্চ প্ৰেক্ষাগৃহত ন জুলাইত অনুষ্ঠিত কৰা স্বাস্থ্য সেৱা অনুষ্ঠানত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। গাঁওপ্ৰধান মহেন্দ্ৰ বৰা কলিতাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত সেৱা ভাৰতীৰ যোৰহাট জিলাৰ সংযোজক অবিনাশ হাজৰিকা, জিলা প্ৰমুখ ৰণজিৎ বৰাই সুস্থ স্বাস্থ্যৰ বাবে প্ৰতিজন ব্যক্তিয়ে পালন কৰিবলগীয়া নীতি-নিয়মৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়। সম্পৰ্ক প্ৰমুখ কিৰণ বৰাই আঁত ধৰা সভাত আৰোগ্য মিত্ৰ মানসী শইকীয়া শৰ্মা, ৰেখা গন্ধিয়া, প্ৰিয়াংকী বৰা, প্ৰতিভা হাজৰিকাই বক্তব্য আগবঢ়ায়। সভাখনত শতাধিক লোকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে সেৱা ভাৰতীয়ে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ শিক্ষাৰ্থীক কিতাপৰ টোপোলা, বেগ আদি প্ৰদানৰ লগতে কৰ'না সংক্ৰমণৰ সময়ত হেণ্ড ছেনিটাইজাৰ, ৰাচ, মাস্ক আদি বিনামূলীয়াকৈ প্ৰদান কৰিছিল।

## কৃতী ছাত্ৰ-ছাত্ৰীক আটছাৰ সম্বৰ্ধনা-পাঠ্যপুথি বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১৩ জুলাই ঃ** গোলাঘাট জিলাৰ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ মৰঙি উপ-শাখাৰ উদ্যোগত আৰু বকিয়াল, লেটেকুজান, পোৰাবঙলা, ৰজাবাৰী, বগীধলা, তেলগৰম, মৰঙি আদি প্ৰাথমিক গোটৰ সহযোগত যোৱা ১২ জুলাইত মৰঙি খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ সভাগৃহত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ সদ্যঘোষিত ফলাফল লাভ কৰি উত্তীৰ্ণ ১৫৬ গৰাকী চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে পাঠ্যপুথি প্ৰদান কৰে। ইয়াৰে প্ৰথম বিভাগত উত্তীৰ্ণ উচ্চ মাধ্যমিকৰ ১৫ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। মৰঙি উপ-শাখাৰ সভাপতি অমীৰ তাঁতীৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত আটছাৰ গোলাঘাট জিলা সমিতিৰ লগতে কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে।

## বালিপৰাৰ কৃষি খণ্ড সমল কেন্দ্ৰত ছাগলীৰ আশ্ৰয় ঃ ওলমি থাকে তলা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৩ জুলাই ঃ** ৰাজ্য চৰকাৰে কৃষকৰ উন্নয়নৰ স্বাৰ্থত বিভিন্ন সময়ত ভিন্ন আঁচনিৰ বিষয়ে ঘোষণা কৰি অহাৰ লগতে ৰাজ্যৰ চৰকাৰী কাৰ্যালয়ত কৰ্ম-সংস্কৃতি গঢ়া তথা দুৰ্নীতি ৰোধৰ বিষয়ে প্ৰকাশ কৰি আহিলেও একাংশ চৰকাৰী কৰ্মচাৰীৰ এতিয়াও গা লৰা নাই। উল্লেখ্য যে তেজপুৰৰ নিকটৱৰ্তী ঘোঁৰামাৰীত থকা কৃষি বিভাগৰ অধীনস্থ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা, বালিপৰা খণ্ড সমল কেন্দ্ৰটোত অধিকাংশ সময় তলা ওলমি থকা বুলি অভিযোগ কৰিছে কৃষক ৰাইজে। কাৰ্যালয়টোত এজনো কৰ্মচাৰী উপস্থিত নথকাত বিভিন্ন সময়ত ইয়ালৈ অহা কৃষকসকলে আশাহতভাৱে উভতি আহিবলগীয়া হয়। অভিযোগ অনুসৰি, দিনত এই কেন্দ্ৰটোৰ কাৰ্যালয় গৃহৰ বাৰাণ্ডাত ছাগলীয়ে আশ্ৰয় লৈ থকাৰ বিপৰীতে দুৱাৰত ওলমি থাকে তলা। এয়া দীৰ্ঘদিনৰ পৰাই চলি অহা বুলি প্ৰকাশ কৰি আজি একাংশ কৃষকে লগতে কয় যে কৃষক পেঞ্চনকে ধৰি কাৰ্যালয়টোৰে জড়িত বিভিন্ন কাম তথা প্ৰপত্ৰ জমা দিয়াৰ উদ্দেশ্যে কাৰ্যালয়টোলৈ আহি ইয়াত তলা ওলমি থকাত তেওঁলোক বিপদত পৰে। দুৱাৰকৈ বানে খেতি নষ্ট কৰাৰ বিপৰীতে সম্প্ৰতি কৃষিক্ষেত্ৰত ব্যস্ততাৰ মাজতে কৃষক একাংশই কাৰ্যালয়টোলৈ আহি ইয়াত কাকো নোপোৱাত ক্ষোভ ব্যক্ত কৰি কয় যে যদিহে এই কেন্দ্ৰটোত চৰকাৰীভাৱে কোনো কৰ্মচাৰীকেই নিয়োগ কৰা হোৱা নাই তেনেহ'লে ইয়াত এই কেন্দ্ৰৰ নামত গৃহ নিৰ্মাণ কৰি গৰু-ছাগলীৰ গোহালি নিৰ্মাণৰো আৱশ্যক নাছিল। মাহৰ অধিকাংশ দিনেই ইয়াত তলা ওলমি থকাৰ বিষয়ে প্ৰকাশ কৰি ক্ষোভিত কৃষকসকলে এই কেন্দ্ৰটোৰ যদিহে কোনো কাম নাই তেনেহ'লে ইয়াক বন্ধ কৰি দিব লাগে বুলিও আক্ষেপ ব্যক্ত কৰে।



## কামপুৰত নাও খেল চাবলৈ গৈ সন্ধানহীন এজন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** কামপুৰ থানাৰ অন্তৰ্গত চিমলাই পথাৰত যোৱা দুদিন ধৰি এজন লোক সন্ধানহীন হৈ আছে। সন্ধানহীন লোকজন আব্দুল কুদ্দুছ। প্ৰাপ্ত তথ্য মতে, ঈদ উপলক্ষে কপিলী নদীত অনুষ্ঠিত নাও খেল চাবলৈ গৈ এই পৰ্যন্ত কুদ্দুছ সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে সকলোতে বিচাৰ-খোচাৰ কৰিছে যদিও কোনো সন্ধান নোপোৱাত কামপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। যদি কোনো সদাশয় ব্যক্তিয়ে লোকজনৰ কিবা সম্ভেদ পায় তেনেহ'লে ৯১০১৮০৭৯৮৪ নম্বৰত অথবা স্থানীয় আৰক্ষী থানাত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকে।

## ৬১ কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

## চিৰাং জিলা আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান



**অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা**

**বঙাইগাঁও/কাজলগাঁও, ১৩ জুলাই ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা চিৰাং জিলাৰ অন্তৰ্গত কৃতী শিক্ষাৰ্থীসকলক অভিন্দন জ্ঞাপন কৰাৰ উদ্দেশ্যে আজি চিৰাং জিলা ছাত্ৰ সন্থাৰ উদ্যোগত এক বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। বাসুগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত বাসুগাঁও মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত জিলা ছাত্ৰ সন্থাৰ সভাপতি সৌৰভজ্যোতি সূত্ৰধৰৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত জিলাখনৰ পৰা ডিষ্টিংচন সহকাৰে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৬১ গৰাকী শিক্ষাৰ্থীৰ লগতে সংশ্লিষ্ট বিদ্যালয়ৰ মুৰব্বীসকলক অভিনন্দন জ্ঞাপন কৰা হয়। কৃতী শিক্ষাৰ্থীসকলক অভিনন্দনৰ চিনস্বৰূপে একোখনকৈ ফুলাম গামোচা, প্ৰশস্তি পত্ৰ, স্মাৰক আৰু ইংৰাজী-অসমীয়া অভিধান প্ৰদান কৰা হয়। ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপক কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানত আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য গণেশ ৰায়, কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক প্ৰাণ সূত্ৰধৰ, ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত শিক্ষক গৌতম দেৱশৰ্মা, সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি লক্ষীকান্ত সূত্ৰধৰ, ক্ৰীড়াবিদ পূৰ্ণিমা চৌধুৰী আদি বিশিষ্ট লোক উপস্থিত থাকে। অনুষ্ঠানত বক্তৃতা প্ৰদান কৰি কাজলগাঁও মহকুমাৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক প্ৰাণ সূত্ৰধৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত চিৰাং জিলাৰ শোচনীয় ফলাফলৰ বাবে উদ্বেগ প্ৰকাশ কৰে আৰু স্কুলসমূহৰ আন্তঃগাঁথনিৰ লগতে পৰ্যাপ্ত শিক্ষকৰ অভাৱ তথা শিক্ষকৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱাৰ লগতে এই ক্ষেত্ৰত ছাত্ৰ সন্থাক বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আনজন কৃতী শিক্ষক গৌতম দেৱশৰ্মাই নিজৰ শৈক্ষিক উন্নয়ন সাধনৰ লগতে দেশৰ প্ৰতি সেৱা আগবঢ়োৱাতো ভূমিকা গ্ৰহণ কৰিবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। অনুষ্ঠানত সভাপতিত্ব কৰা জিলা ছাত্ৰ সন্থাৰ সভাপতি সৌৰভজ্যোতি সূত্ৰধৰে আৰ্থিকভাৱে দুৰ্বল শিক্ষাৰ্থীসকলক সহায় কৰিবলৈ ছাত্ৰ সন্থা দায়বদ্ধ বুলি মন্তব্য কৰি তেনে শিক্ষাৰ্থীসকলক নিজ নিজ অঞ্চলৰ ছাত্ৰ সন্থাৰ লগতে যোগাযোগ কৰিবলৈ আহ্বান জনায়।

## মাছমৰীয়াই দীপৰ বিলত এৰি দিলে মাছৰ পোনা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৩ জুলাই ঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও দীপৰ বিল পাঁচপাৰা সমবায় সমিতিৰ উদ্যোগত আজি বহনক্ষম মৎস্য জীৱিকাৰ অংশ হিচাপে দীপৰ বিলত প্ৰায় ৫০ হেজাৰ মাছৰ পোনা এৰি দিয়াৰ ব্যৱস্থা কৰা হয়।



উল্লেখ্য যে দীপৰ বিলত প্ৰায় ৮২৫ টা অনুসূচিত জাতিৰ মাছমৰীয়া পৰিয়ালে মাছ মাৰি জীৱন নিৰ্বাহ কৰি আহিছে। ইয়াৰ বিপৰীতে প্ৰদূষণৰ কবলত পৰা দীপৰ বিলক লৈ শংকাত দিন পাৰ কৰিবলগীয়া হৈছে মাছমৰীয়া পৰিয়ালবোৰো। দীপৰ বিলক শীঘ্ৰে মৎস্য উপাদান কেন্দ্ৰ হিচাপে গঢ়ি তুলি প্ৰদূষণমুক্ত কৰাৰ আহ্বান জনাইছে দীপৰ বিল পাঁচপাৰা সমবায় সমিতিৰ সম্পাদক গোলক দাসে। সম্পাদক দাসে বিলৰ পূৰ্বৰ গৰিমা ঘূৰাই আনিবলৈ, ডাম্পিং গ্ৰাউণ্ডৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ, মৰাভৰল- বশিষ্ঠকে ধৰি বাহিনী নদীৰ প্ৰদূষিত পানী দীপৰ বিলত শোধিত কৰি পেলোৱাৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনায়।

আনহাতে, বহনক্ষম মৎস্য জীৱিকাৰ ব্যৱস্থা গ্ৰহণ কৰি অহা বাবে দীপৰ বিল পাঁচপাৰা সমবায় সমিতিৰ শলাগ লয় দীপৰ বিল সুৰক্ষা মঞ্চৰ সম্পাদক প্ৰমোদ কলিতাই। আজিৰ পোনা মাছ এৰি দিয়া অনুষ্ঠানত দীপৰ বিল পাঁচপাৰা সমবায় সমিতিৰ উপদেষ্টা নিৰেন চন্দ্ৰ দাস, দীপৰ বিল সুৰক্ষা মঞ্চৰ সহকাৰী সম্পাদক সুশীল টেৰণ প্ৰমুখ্যে কে'বাজনো লোক উপস্থিত থাকে।

## শিক্ষাবিদ এলেঙী বাঁহজেঙনী সত্ৰৰ সত্ৰাধিকাৰ প্ৰাণকৃষ্ণ মহন্তৰ বিয়োগত শোকৰ ছাঁ

**অগ্ৰদূত বাৰ্তা**

**কাকজান/টীয়ক, ১৩ জুলাই ঃ** কাকজান বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, কাকজান বামকুকুৰাচোৱা গাঁও নিবাসী বিশিষ্ট শিক্ষাবিদ, সত্ৰীয়া সংস্কৃতিৰ সেৱক তথা কাকজানৰ সামাজিক-শৈক্ষিক সাংস্কৃতিক ক্ষেত্ৰৰ বটবৃক্ষ স্বৰূপ সমাজকৰ্মী প্ৰাণকৃষ্ণ মহন্ত (৭৮)ৰ আজি পুৱা নিজা বাসগৃহত পৰলোক হয়। তেওঁৰ মৃত্যুত সমগ্ৰ কাকজানত শোকৰ ছাঁ পৰিছে।

কাকজানৰ প্ৰতিটো অনুষ্ঠানৰ স'তে সংপৃক্ত হৈ থকা মহন্তৰ বিয়োগত কৰ্মস্থলী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়, কাকজান কলেজ, কাকজান শাখা সাহিত্য সভা, কাকজান শাখা কবি সন্মিলন, কাকজান আঞ্চলিক ছাত্ৰ সন্থা, কাকজান ব্যৱসায়ী সন্থা, পূব যোৰহাট প্ৰেছ ক্লাব, যুৱ ছাত্ৰ পৰিষদ, কাকজান বালিকা বিদ্যালয়, কাকজান বাল্য নিকেতন, কাকজান জুনিয়ৰ কলেজ, আৰোহণ একাডেমী, কাকজান কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, কাকজান ক্ৰীড়া সন্থাকে ধৰি বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত ইহ সংসাৰত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী কন্যাসহ আত্মীয়ক এৰি যায়।

## ৰূপহীহাটত কিশোৰীক দলবদ্ধ ধৰ্ষণৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ১৩ জুলাই ঃ** ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত শালপাৰাত চাৰিজন নৰপিশাচে ওৰে নিশা এগৰাকী কিশোৰীক ধৰ্ষণ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। ঘৰৰ পৰা নুৰুল আমিন নামৰ লোকজনে মিছা প্ৰলোভনেৰে নগাঁও টাউনলৈ নিছিল এগৰাকী কিশোৰীক। নগাঁও চহৰৰ এটা বন্ধ কোঠাত আবদ্ধ কৰি কিশোৰীগৰাকীক চাৰি নৰাধমে দলবদ্ধভাৱে ধৰ্ষণ কাৰ্য সংঘটিত কৰে। কিশোৰীগৰাকীৰ অভিযোগ মৰ্মে নিচাজাতীয় দ্ৰব্য সেৱন কৰাই চলাইছিল উপৰ্যুপৰি ধৰ্ষণ। ধৰ্ষণকাৰীয়ে ধৰ্ষণৰ বলি হোৱা কিশোৰীগৰাকীৰ লগত তোলা ফটো ভাইৰেল কৰিছিল সামাজিক মাধ্যমত ফটো ভাইৰেল হোৱাৰ পাছতে নুৰুল আমিনৰ বিৰুদ্ধে ৰূপহীহাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগীয়ে। ধৰ্ষণকাৰীসকলৰ বিৰুদ্ধে প্ৰতিবাদ কৰি ফাঁচিৰ দাবী জনাইছে স্থানীয় ৰাইজে।

অসম চৰকাৰ
চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ

Azadi Ka Amrit Mahotsav

আপোনাৰ দুৱাৰডলিত আয়ুষ্মান

বিনামূলীয়া পি এম জে এ ৱাই কাৰ্ড লাভ কৰিবলৈ যোগ্যতা প্ৰমাণিত কৰক আৰু ৫ লাখ টকালৈ নগদবিহীন চিকিৎসা সেৱা লাভ কৰক

আপোনাৰ দুৱাৰডলিত আয়ুষ্মান অভিযান বৰ্তমান অসমৰ সকলো জিলাতে কাৰ্যক্ষম হৈ আছে।

২০১১ চনৰ আৰ্থ-সামাজিক আৰু জাতি লোকপিয়লৰ ভিত্তিত যোগ্য হিতাধিকাৰীসকলে চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়/জিলা চিকিৎসালয় বা https://mera.pmjay.gov.in বা টোল-ফ্ৰী নম্বৰ ১৮০০১০৩৯৯৭৫ত তেওঁলোকৰ যোগ্যতা প্ৰমাণিত কৰিব পাৰিব।

আপোনাৰ দুৱাৰডলিত আয়ুষ্মান অভিযানৰ অধীনত পি এম জে এ ৱাই কাৰ্ডখন যোগ্য হিতাধিকাৰীসকলৰ বাবে সম্পূৰ্ণৰূপে বিনামূলীয়াকৈ উপলব্ধ।

যদি আপোনাক বা কাৰোবাক পি এম জে এ ৱাই কাৰ্ডৰ বিনিময়ত মূল্য পৰিশোধ কৰিবলৈ কোৱা হয় তেনেহ'লে অনুগ্ৰহ কৰি ১৮০০১০৩৯৯৭৫ (টোল-ফ্ৰী) নম্বৰত অভিযোগ পঞ্জীয়ন কৰক।




অধিক বিৱৰণৰ বাবে, অনুগ্ৰহ কৰি যোগাযোগ কৰক:
১৮০০১০৩৯৯৭৫ (ৰাজ্যিক টোল-ফ্ৰী নম্বৰ) বা ১৪৫৫৫ (ৰাষ্ট্ৰীয় টোল-ফ্ৰী নম্বৰ)
বা www.atalamritabhiyan.assam.gov.in লগ অন কৰক

ATAL AMRIT ABHIYAN

জনসংযোগ/ডিএফ/৮২৮/২২

## এদিনীয়াত দ্ৰুতগতিৰে ১৫০ উইকেটৰ কৃতিত্ব ছামিৰ



**নিউজ ব্যুৰ'**
**লণ্ডন, ১৩ জুলাই ঃ** কালি ইংলণ্ডৰ বিপক্ষে বিধ্বংসী বলিং কৰি একাধিক নজিৰ গঢ়িছিল যশপ্ৰীত বুমৰাহে। তেওঁলৈ যোগ্য সহযোগ আগবঢ়াই সতীৰ্থ ফাষ্টবলাৰ মহম্মদ ছামিয়েও এদিনীয়া আন্তৰ্জাতিকত বিশেষ কৃতিত্ব স্থাপন কৰিবলৈ সক্ষম হয়। প্ৰায় দুবছৰৰ পাছত এদিনীয়া মেচ খেলা ছামিয়ে ভাৰতৰ দ্ৰুততম বলাৰৰূপে ৫০ অভাৰৰ আন্তৰ্জাতিক মেচত ১৫০ উইকেটৰ নজিৰ গঢ়ে। কালি ছামিয়ে তিনিটা উইকেট দখল কৰিছিল। ইয়াৰ জৰিয়তেই তেওঁ অজিত আগৰকাৰক অতিক্ৰম কৰি দ্ৰুততম ভাৰতীয় বলাৰত পৰিণত হ'ল। নিজৰ ৮০টা ইনিংছতে ছামিয়ে এই কৃতিত্ব স্থাপন কৰে। ইয়াৰ উপৰি বিশ্বৰ তৃতীয় দ্ৰুততম বলাৰৰূপে তেওঁ এদিনীয়াত ১৫০ উইকেট সম্পূৰ্ণ কৰিলে। এই ক্ষেত্ৰত তেওঁ আফগানিস্তানৰ ৰছিদ খানৰ স'তে যৌথভাৱে তৃতীয় স্থানত আছে। তেওঁলোকৰ আগত আছে অষ্ট্ৰেলিয়াৰ মিচেল ষ্টাৰ্ক আৰু পাকিস্তানৰ ছাকলেইন মুস্তাক।

# আজি শৃংখলা জয় নিশ্চিত কৰিব ভাৰতে!

## কোহলিয়ে নেখেলিলে দল অপৰিৱৰ্তত থকাৰে সম্ভাৱনা ঃ ইংলণ্ডৰ বাবে মৰণপন যুঁজ

**নিউজ ব্যুৰ'**
**লণ্ডন, ১৩ জুলাই ঃ** প্ৰথম মেচত বিশ্ব চেম্পিয়ন ইংলণ্ডক পৰ্যুদস্থ কৰাৰ পাছত ভাৰতীয় দলে কাইলৈ এদিনীয়া শৃংখলাত জয় নিশ্চিত কৰাৰ চেষ্টা চলাব। কাইলৈৰ মেচতো আঘাতপ্ৰাপ্ত বিৰাট কোহলি অনিশ্চিত হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতে কাইলৈ প্ৰথম দলকে অপৰিৱৰ্তিত ৰখাৰ সম্ভাৱনা প্ৰৱল।

উল্লেখ্য যে কালিৰ খেলখনত ভাৰতৰ মধ্যক্ৰমৰ বেটাৰ আৰু পঞ্চম বলাৰে নিজৰ দক্ষতা প্ৰদৰ্শন কৰাৰ সুযোগ নাপালে। কিয়নো যশপ্ৰীত বুমৰাহ আৰু মহম্মদ ছামিৰ দুৰন্ত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ইংৰাজ বেটাৰে মাত্ৰ ১১০ ৰাণতে পৃষ্ঠভংগ দিয়ে। সেই ৰাণ সংগ্ৰহ কৰিবলৈ অকণো অসুবিধা নহ'ল ভাৰতৰ অপেনাৰদ্বয় ৰোহিত শৰ্মা আৰু শিখৰ ধৱনৰ। ফলত পঞ্চম বলাৰৰূপে ৰবীন্দ্ৰ জাদেজা আৰু হাৰ্দিক পাণ্ডিয়াই বল কৰাৰ সুযোগেই নাপালে। দীৰ্ঘদিন বলিং নকৰা হাৰ্দিকে সম্প্ৰতি টি-২০ত বলিং কৰিছে। যদিও ৫০ অভাৰৰ খেলত তেওঁ সাত-আঠ অভাৰ বলিং কৰিব পাৰিবনে নাই, সেয়া নিৰ্বাচকৰ দৃষ্টিত থাকিব। সেইদৰে চলিত ইংলণ্ড ভ্ৰমণতে শ্ৰেয়াছ আয়াৰৰ বাউন্সাৰৰ সন্মুখত দুৰ্বলতা প্ৰকাশ পাইছে। যাৰ বাবে একমাত্ৰ টেষ্টখনত ইংৰাজ বলাৰে তেওঁৰ বুকু লক্ষ্য কৰি বলিং কৰাৰ সুফলো পাইছিল। টি-২০ৰ মূল একাদশত শ্ৰেয়াছ নাছিল যদিও কালিৰ প্ৰথম এদিনীয়াত তেওঁ কোহলিৰ পৰিৱৰ্তে সুযোগ পায়। গতিকে কাইলৈ ইংৰাজ বলাৰে আয়াৰৰ বিপক্ষে কি ৰণকৌশল লয়, সেয়াও লক্ষ্যণীয় হ'ব।

ইপিনে, কালি ধৰাশায়ী হ'লেও ইংলণ্ডে বেটিং বিভাগত সালসলনি ঘটোৱাৰ সম্ভাৱনা নাই। কিয়নো বেটিং বিভাগৰ প্ৰতিজনেই অভিজ্ঞ খেলুৱৈ। অৱশ্যে দলটোৰ বলিং বিভাগৰ অনভিজ্ঞতা কালিৰ খেলখনত প্ৰকট হয়। সেয়ে বলিং বিভাগত ইংলণ্ডে দুই-এটা পৰিৱৰ্তন ঘটাব পাৰে। কিয়নো শৃংখলাৰ সম্ভাৱনা সজীৱ কৰি ৰাখিবলৈ বিশ্ব চেম্পিয়নৰ বাবে কাইলৈ জয়ী হোৱাটো প্ৰয়োজনীয়।




## এদিনীয়া ৰেংকিঙৰ শীৰ্ষত বুমৰাহ

### অপৰিৱৰ্তিত ৰোহিত-বিৰাট ঃ টি-২০ৰ পঞ্চমত সূৰ্যকুমাৰ

**নিউজ ব্যুৰ'**
**ডুবাই, ১৩ জুলাই ঃ** ইংলণ্ডৰ বিপক্ষে বিধ্বংসী বলিঙৰ সুবাদত এদিনীয়া মেচৰ এক ৰেংকিং পুনৰুদ্ধাৰ কৰিলে যশপ্ৰীত বুমৰাহে। ইয়াৰ পূৰ্বে ভাৰতীয় ফাষ্টবলাৰজন ৭৩০ দিন এদিনীয়া মেচৰ এক নম্বৰ বলাৰ আছিল। ২০২০ৰ ফেব্ৰুৱাৰীত বুমৰাহে শীৰ্ষস্থান হেৰুৱাইছিল যদিও কালিৰ প্ৰদৰ্শনৰ সূত্ৰে পুনৰ আইচিচিৰ নতুন ৰেংকিং তালিকাত উক্ত স্থান অধিকাৰ কৰিলে। কপিল দেৱৰ পাছত ভাৰতৰ দ্বিতীয়জন পেচবলাৰৰূপে তেওঁ এদিনীয়াৰ এক নম্বৰ স্থান অধিকাৰ কৰিছে। ইয়াৰ পূৰ্বে মণিন্দাৰ সিং, অনিল কুম্বলে আৰু ৰবীন্দ্ৰ জাদেজাও এদিনীয়া মেচত এক নম্বৰ বলাৰ হৈছিল। কালি তিনিটা উইকেট দখল কৰা মহম্মদ ছামিয়েও তিনি খোজ আগুৱাই ২৩সংখ্যক স্থান লাভ কৰিছে। একেটা স্থানতে আছে ভুৱনেশ্বৰ কুমাৰো।

বেটিঙৰ ৰেংকিং তালিকাত অধিনায়ক ৰোহিত শৰ্মা আৰু বিৰাট কোহলিৰ স্থান অপৰিৱৰ্তিত আছে। কোহলি তৃতীয় আৰু ৰোহিত চতুৰ্থ স্থানত আছে। অৱশ্যে কাইলৈৰ দ্বিতীয় মেচতে ৰোহিতে প্ৰাক্তন অধিনায়কক অতিক্ৰম কৰাৰ সুযোগ পাব। দ্বাদশ স্থানত আছে শিখৰ ধৱন। ইপিনে, আইচিচিৰ টি-২০ৰ বেটিঙৰ তালিকাত বৃহৎ অগ্ৰগতি অৰ্জন কৰিলে সূৰ্যকুমাৰ যাদৱে। অন্তিম টি-২০ত শতৰাণ অৰ্জনৰ সুবাদত তেওঁ ৪৪টা স্থান জঁপ মাৰিলে। আজি আইচিচিয়ে প্ৰকাশ কৰা তালিকাত সূৰ্যকুমাৰে পঞ্চম স্থান অধিকাৰ কৰিছে। বলাৰৰ তালিকাত সাত খোজ আগুৱাই ভুৱনেশ্বৰে সপ্তম স্থান লাভ কৰিছে।



## যোৰহাট টাউনৰ সম্পূৰ্ণ পইণ্ট

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ১৩ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি 'বি' গ্ৰুপৰ দুয়োটা শক্তিশালী দল যোৰহাট টাউন ক্লাব আৰু নেপথ্য ক্লাব মুখামুখি হয়। খেলখনত যোৰহাট টাউন ক্লাবে ১-০ গ'লত নেপথ্যক পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। প্ৰথমাৰ্ধ্ব গ'ল শূন্যভাৱে সমাপ্ত হোৱাৰ পাছত দ্বিতীয়াৰ্ধ্বত টাউনৰ জন শৰণীয়াই খেলৰ ৭৭ মিনিটত ২০ মিটাৰ দূৰত্বৰ পৰা লোৱা তীব্ৰ বেগী শ্বটৰ দ্বাৰা দলৰ হৈ জয়সূচক গ'লটো দিবলৈ সক্ষম হয়।

## মণ্টু শৰ্মা 'এ' ডিভিজন আন্তঃক্লাব ফুটবলত মৰাণ টাউন পুনৰ চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ১৩ জুলাই ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত মণ্টু শৰ্মা 'এ' ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল লীগত মৰাণ টাউন ক্লাব পুনৰ চেম্পিয়ন হৈছে। আজি অনুষ্ঠিত লীগৰ অন্তিমখন খেলত মৰাণ টাউনে শ'লগুৰি ৰূপালী যুৱ সংঘক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলৰ ২৮ মিনিটত টাউনৰ বিৰাজ সন্দিকৈয়ে গ'ল দি বিৰতিলৈকে দলক ১-০ত আগবঢ়াই ৰাখিছিল। যদিও দ্বিতীয়াৰ্ধ্বৰ পঞ্চম মিনিটত শ'লগুৰি ৰূপালী যুৱ সংঘৰ অবিনাশ চুতীয়াই গ'লটো পৰিশোধ কৰি সমতা স্থাপন কৰে। অৱশ্যে বিৰাজে ৬৪ মিনিটত পুনৰ গ'ল দি ব্যৱধান ২-১লৈ বৃদ্ধি কৰে। ৭৫ মিনিটত টাউন ক্লাবৰ সিদ্ধানন্দ চুতীয়াই আন এটা গ'ল দি দলৰ জয়ৰ ব্যৱধান বৃদ্ধি কৰে। লীগত ১২ পইণ্টেৰে টাউন ক্লাব চেম্পিয়ন আৰু সাত পইণ্টেৰে শ'লগুৰি ৰূপালী যুৱ সংঘ ৰাণাৰ্চআপ হয়। টাউনৰ ৰাজ বদ্ৰা চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হোৱাৰ লগতে শ'লগুৰিৰ অবিনাশ চুতীয়া প্ৰতিযোগিতাৰ সৰ্বাধিক গ'লদাতা আৰু সূৰয গোৱালা শ্ৰেষ্ঠ ডিফেণ্ডাৰ বিবেচিত হয়। খেলখন পৰিচালনা কৰে পৰিমল বুঢ়াগোহাঁই,

## ব্ৰিটেইনৰ নাগৰিকত্ব বাতিল নহয় ফাৰাহৰ

### শিশু সৰবৰাহকাৰীৰ কবলত পৰিছিল চাৰিবাৰৰ অলিম্পিক চেম্পিয়ন

**নিউজ ব্যুৰ'**
**লণ্ডন, ১৩ জুলাই ঃ** তাৰকা এথলীট মো ফাৰাহক স্বস্তি প্ৰদান কৰিলে ব্ৰিটিছ চৰকাৰে। চাৰিটাকৈ অলিম্পিক স্বৰ্ণজয়ীৰ বিৰুদ্ধে নাগৰিকত্বক লৈ কোনো তদন্ত নকৰে বুলি স্পষ্ট কৰিছে ব্ৰিটেইনৰ গৃহ মন্ত্ৰণালয়ে। তেওঁৰ বিপক্ষে কোনো আইনী ব্যৱস্থা গ্ৰহণ কৰা নহ'ব বুলিও স্পষ্ট কৰা হৈছে। প্ৰশাসনৰ এই আশ্বাসত যথেষ্ট স্বস্তি পাইছে ব্ৰিটেইনৰ অন্যতম শ্ৰেষ্ঠ এথলীটজনে।

উল্লেখ্য যে সম্প্ৰতি ফাৰাহে সদৰী কৰিছিল তেওঁৰ জীৱনৰ বহু গোপন কথা। শৈশৱতে শিশু সৰবৰাহকাৰীৰ কবলত পৰি তেওঁ বেআইনীভাৱে ব্ৰিটেইনলৈ আহিছিল। সেইদৰে জালিয়াতিৰে লাভ কৰিছিল ব্ৰিটেইনৰ নাগৰিকত্ব। ব্ৰিটেইনৰ আইন অনুসৰি, বেআইনীভাৱে নাগৰিকত্ব প্ৰমাণৰ অভিযোগ প্ৰমাণিত হ'লে সেই নাগৰিকত্ব বাতিল হয়। ইয়াতে কিছু শংকিত হৈ পৰিছিল ফাৰাহ। যদিও দেশলৈ অনেক সাফল্য-গৌৰৱ কঢ়িয়াই অনা এথলীটজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত ল'লে ব্ৰিটিছ চৰকাৰে। উল্লেখ্য যে চাৰিটা অলিম্পিক আৰু আঠটা বিশ্ব এথলেটিক্ৰ স্বৰ্ণপদক জয় কৰি ব্ৰিটেইনক গৌৰৱান্বিত কৰাৰ বাবে ফাৰাহ নাইটগুড উপাধিৰেও বিভূষিত হৈছিল। চৰকাৰৰ এই সিদ্ধান্তৰ বিষয়ে অৱগত হোৱাৰ পাছতে স্বস্তি প্ৰকাশ কৰি ফাৰাহে কয়, 'এইখনেই মোৰ দেশ। স্কুলৰ শৰীৰ শিক্ষাৰ শিক্ষক এলেন ৱাটকিনছন আৰু সৰুতে যিসকলে মোক সাহায্য কৰিছিল, তেওঁলোক নথকা হ'লে আজি মই এই স্থানত উপনীত হ'ব নোৱাৰিলোহেঁতেন। মোৰ এই জীৱনৰ বাবে মই বহুতৰে ওচৰত কৃতজ্ঞ। আনকি মোৰ কাষত থকাৰ বাবে পত্নী তানিয়াৰ কথাও ক'ব লাগিব।' ৩৯ বছৰীয়া এথলীটজনে সম্প্ৰতি জনাইছিল যে তেওঁৰ ছোমালিয়াত জন্ম হৈছিল আৰু তেতিয়া নাম আছিল হুছেইন আব্দি কাহিন। চাৰি বছৰ বয়সতে ছোমালিয়াৰ গৃহযুদ্ধত পিতৃৰ মৃত্যু হয়। ন বছৰ বয়সত এগৰাকী মহিলাই তেওঁক বেআইনীভাৱে ব্ৰিটেইনলৈ আনি এটা পৰিয়ালক ঘৰুৱা কাম-কাজৰ বাবে বিক্ৰী কৰে। ভুৱা পৰিচয়েৰে তেওঁ ব্ৰিটেইনত আছিল। পাছত ফাৰাহৰ মাজত প্ৰতিভা দেখা পাই স্কুলৰ শৰীৰ শিক্ষাৰ শিক্ষক এটকিনছনে জালিয়াতিৰে তেওঁৰ বাবে ইংলণ্ডৰ নাগৰিকত্বৰ ব্যৱস্থা কৰিছিল।

## দ্বিতীয় মেচতো অনিশ্চিত কোহলি



**নিউজ ব্যুৰ'**
**লণ্ডন, ১৩ জুলাই ঃ** ইংলণ্ডৰ বিপক্ষে কাইলৈৰ দ্বিতীয় এদিনীয়া মেচতো অনিশ্চিত বিৰাট কোহলি। কালিৰ খেলৰ পূৰ্বে অধিনায়ক ৰোহিত শৰ্মাই তেওঁৰ পূৰ্বসুৰীৰ আঘাত সামান্য বুলি মন্তব্য কৰিছিল। যদিও এক সংবাদ মাধ্যমৰ সূত্ৰই জনাইছে যে বেটিং ছুপাৰষ্টাৰজনে কাইলৈৰ মেচতো খেলাৰ সম্ভাৱনা ক্ষীণ।

সংবাদ সংস্থা এএনআইৰ সূত্ৰই জনোৱা মতে, কোহলি কাইলৈ খেলৰ পূৰ্বে সম্পূৰ্ণ সুস্থ হৈ উঠাৰ সম্ভাৱনা নাই। অৱশ্যে বিচিচিআইৰ তৰফৰ পৰা কোহলিয়ে খেলা-নেখেলাৰ সন্দৰ্ভত কোনো বিবৃতি প্ৰকাশ কৰা নাই। দলীয় সূত্ৰই জনোৱা মতে, দল পৰিচালনা সমিতিয়ে কোহলিৰ বাবে শেষ মুহূৰ্তলৈ অপেক্ষা কৰিব বিচাৰিছে। টছৰ পূৰ্বেও কোহলি সুস্থ হৈ উঠিলে তেওঁক মূল একাদশত অন্তৰ্ভুক্ত কৰা হ'ব। কালিও দলে কোহলিৰ বাবে টছৰ আগমুহূৰ্তলৈ অপেক্ষা কৰিছিল। টছৰ পাছতহে বিচিচিআইৰ তৰফৰ পৰা জনোৱা হয় যে কোহলি আৰু অৰ্শদীপ সিঙৰ আঘাতৰ সমস্যা আছে।

## ৰঙিয়া জিলা ৰেফাৰী ব'ৰ্ডৰ বাৰ্ষিক কুপাৰ টেষ্ট সম্পন্ন ঃ ১৯জন উত্তীৰ্ণ



**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১৩ জুলাই ঃ** ৰঙিয়া জিলা ৰেফাৰী ব'ৰ্ডৰ অন্তৰ্ভুক্ত ৰেফাৰীসকলৰ বাৰ্ষিক কুপাৰ টেষ্ট আজি পুৱা ৬-৩০ বজাত অনুষ্ঠিত হয়। ৰঙিয়া ৰেলৱে ব্ৰীক ফিল্ড কল'নীৰ খেলপথাৰত অনুষ্ঠিত হোৱা শাৰীৰিক পৰীক্ষাত উমেশ শালৈ, পহৰেদ আলী আহমেদ, হাৰেজুৰ ৰহমান, কাদিৰ আলী, দিপক কলিতা, মনোৰঞ্জন মহন্ত, ৰাজীৱ বসুমতাৰী, সতীশ ডেকা, দুৰ্গেশ্বৰ চৌধুৰী, নিপন বড়ো, আনছাৰ উদ্দিন আহমেদ, দীপক বুজৰবৰুৱা, ৰিজুল হক চৌধুৰী, আনোৱাৰ হুছেইন মজুমদাৰ, ধ্ৰুৱজ্যোতি কলিতা, জয়ন্ত মাধৱ দাস, বাহাৰুল ইছলাম, নছিউৰ ৰহমান আৰু শ্বাহিদুল আলমে অৱতীৰ্ণ হৈ সফলতা অৰ্জন কৰে। এওঁলোকে ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ 'এ-ডিভিজন' ফুটবল লীগ প্ৰতিযোগিতাৰ খেলসমূহ পৰিচালনা কৰিব পাৰিব।

আজিৰ কুপাৰ টেষ্ট অনুষ্ঠানত ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক মুকুতানন্দ ভট্টাচাৰ্য, ফুটবল সম্পাদক সুৰেন বড়ো, সহঃ সম্পাদক কমল বড়ো আৰু প্ৰভাত বড়ো উপস্থিত থাকে। কুপাৰ টেষ্ট সামৰণিৰ পাছত জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক মুকুতানন্দ ভট্টাচাৰ্যই উত্তীৰ্ণ ৰেফাৰীসকলৰ লগত খেল পৰিচালনাৰ ক্ষেত্ৰত ৰেফাৰীৰ কৰ্তব্য, দায়িত্ব আৰু ৰেফাৰীসকলৰ মাজত বুজাবুজি ৰক্ষা কৰা সম্পৰ্কে মত বিনিময় কৰে।

### এদিনীয়া মেচৰ অপেনিঙত পাঁচ হেজাৰ ৰাণৰ যুটি

## শচীন-সৌৰভৰ কাষত শিখৰ-ৰোহিত



**নিউজ ব্যুৰ'**
**লণ্ডন, ১৩ জুলাই ঃ** কালি ইংলণ্ডৰ বিপক্ষে ভাৰতৰ ১০ উইকেটৰ জয়ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই ভাৰতীয় অপেনাৰদ্বয় ৰোহিত শৰ্মা আৰু শিখৰ ধৱনে অবিজিতভাৱে ১১১ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ জৰিয়তে এদিনীয়া মেচৰ অপেনিং যুটিত দুয়ো পাঁচ হেজাৰ ৰাণৰ সীমা পাৰ কৰিলে। লগতে তেওঁলোকে কিংবদন্তি যুটি শচীন তেণ্ডুলকাৰ আৰু সৌৰভ গাংগুলীৰ কাষত থিয় দিবলৈ সক্ষম হ'ল।

কালিৰ খেলত অৱতীৰ্ণ হোৱাৰ পূৰ্বে শিখৰ-ৰোহিতক পাঁচ হেজাৰৰ বাবে মাত্ৰ ছয় ৰাণৰ প্ৰয়োজন আছিল। দীৰ্ঘদিনৰ পাছত দুয়ো এদিনীয়া মেচত পুনৰ যুটি বান্ধিছে। কালি তেওঁলোকে অপেনিঙত শতকীয় ৰাণৰ যুটিও গঢ়ে। এই পৰ্যন্ত ১৮ বাৰ দুয়ো শতকীয় যুটি গঢ়িছে। এই পৰ্যন্ত ৰোহিত আৰু শিখৰে এদিনীয়া মেচত অপেনিং কৰি যৌথভাৱে ৫,০১৮ ৰাণ সংগ্ৰহ কৰিছে। এদিনীয়া মেচৰ ইতিহাসত এই পৰ্যন্ত চাৰিটা অপেনিং যুটিয়ে যৌথভাৱে পাঁচ হেজাৰ ৰাণ সংগ্ৰহ কৰিছে। ইয়াৰ পূৰ্বে এই কৃতিত্ব আছিল শচীন-সৌৰভ (৬,৬০৯), অষ্ট্ৰেলিয়াৰ মেথিউ হেডেন-আদাম গিলখ্ৰীষ্ট (৫,৩৭২) আৰু ৱেষ্টইণ্ডিজৰ গৰ্ডন গ্ৰীণিজ আৰু ডেছমণ্ড হেইন্স (৫,১৫০)ৰ। উল্লেখ্য যে শচীন-সৌৰভে ২১বাৰ শতকীয় যুটি গঢ়িছিল।

## যোৰহাটত উত্তৰ-পূব উপ-ক্ৰীড়া সন্থাৰ লীগ ফুটবল

### লিটল ষ্টাৰক হৰুৱাই মাউটগাঁও যুৱক সংঘ ছেমিফাইনেলত

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ১৩ জুলাই ঃ** উত্তৰ-পূব উপ ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাটৰ বাহনা খেলপথাৰত অনুষ্ঠিত হৈ থকা প্ৰয়াত অমিয় বৰা, লাচিত বৰা, ধনাই দত্ত, জয়ন্ত বৰা সোঁৱৰণী প্ৰাইজমানি আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত উপনীত হৈছে মাউটগাঁও যুৱক সংঘ। আজি খেলত মাউটগাঁও যুৱক সংঘই লিটল ষ্টাৰ দলক টাইব্ৰেকাৰৰ জৰিয়তে ৩-১ গ'লত পৰাভূত কৰে। উত্তেজনাপূৰ্ণ খেলখনত অধিকাংশ চেমনীয়া খেলুৱৈৰে সমৃদ্ধ লিটল ষ্টাৰে মাউটগাঁও যুৱক সংঘৰ স'তে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াই যদিও দুৰ্বল ফিনিছিঙৰ বাবে গ'ল কৰিবলৈ সক্ষম নহ'ল। নিৰ্ধাৰিত সময়ত খেলখন গ'ল শূন্যভাৱে সমাপ্ত হোৱাৰ পাছত টাইব্ৰেকাৰত মাউটগাঁও যুৱক সংঘই ৩-১ ব্যৱধানত জয়লাভ কৰে। খেল পৰিচালনা কৰে পৰাণ শইকীয়াই। লাইনত সহায় কৰে অনিল শইকীয়া আৰু ত্ৰিনুজ বৰাই। কাইলৈ মাউটগাঁও যুৱক সংঘই অভিনন্দন ক্লাবৰ বিৰুদ্ধে প্ৰথমখন ছেমিফাইনেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

## শ্বুটিং বিশ্বকাপত স্বৰ্ণ মেহুলি-তুষাৰৰ



**নিউজ ব্যুৰ'**
**চাংৱ'ন (দক্ষিণ কোৰিয়া), ১৩ জুলাই ঃ** চলিত ইণ্টাৰনেছনেল শ্বুটিং স্প'ৰ্ট ফেডাৰেছন (আইএছএছএফ) ৱৰ্ল্ড কাপ ৰাইফল/পিষ্টল/শ্বটগান ষ্টেজত দ্বিতীয়টো স্বৰ্ণপদক জয় কৰিলে ভাৰতে। দক্ষিণ কোৰিয়াৰ চাংৱ'নত চলি থকা প্ৰতিযোগিতাখনৰ ১০ মিটাৰ এয়াৰ ৰাইফল মিক্সড্ টীম ইভেণ্টত স্বৰ্ণপদক জয় কৰে ভাৰতৰ মেহুলি ঘোষ আৰু শ্বাহু তুষাৰে। তেওঁলোকে ফাইনেলত হাংগেৰীৰ ইষ্টাৰ মেছজাৰ'ছ আৰু ইষ্টভান পেনিক ১৭-১৩ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ হৈ স্বৰ্ণপদক জয় কৰিছিল অৰ্জুন বাবুটাই। উল্লেখ্য যে ভাৰতে আজি আন দুটা পদক অৰ্জন কৰে। ইয়াৰ জৰিয়তে এই পৰ্যন্ত ভাৰতে প্ৰতিযোগিতাত সামগ্ৰিকভাৱে দ্বিতীয় স্থানত আছে। আজি পুৰুষৰ ট্ৰেপ টীম ইভেণ্টত ভাৰতৰ পৃথ্বিৰাজ টণ্ডাইমান, ভিভান কাপুৰ আৰু ভাউনীশ মেণ্ডিৰাট্টাই ৰূপৰ পদক জয় কৰে। আনহাতে, ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড্ টীম ইভেণ্টতে ভাৰতৰ শিৱ নাৰৱাল আৰু পালকে ব্ৰঞ্জৰ পদক পায়।

# বৃহৎ অঘটন ঘটালে অসমৰ অস্মিতাই

## ছিংগাপুৰত ছন্দপতন শ্ৰীকান্তৰ ঃ সিন্ধু-প্ৰণয়-ছাইনাৰ অগ্ৰগতি



**নিউজ ব্যুৰ'**
**ছিংগাপুৰ, ১৩ জুলাই ঃ** আন্তৰ্জাতিক কেৰিয়াৰৰ অন্যতম বৃহৎ জয় অৰ্জন কৰিলে অসমৰ প্ৰতিভাৱান বেডমিণ্টন খেলুৱৈ অস্মিতা চলিহাই। আজিৰে পৰা আৰম্ভ হোৱা ছিংগাপুৰ অপেন ছুপাৰ ৫০০ বেডমিণ্টনত অস্মিতাই মহিলাৰ ছিংগল্‌ছৰ প্ৰথম ৰাউণ্ডৰ খেলত বৃহৎ অঘটন ঘটায়। অসমৰ সম্ভাৱনাময় খেলুৱৈগৰাকীয়ে আজিৰ প্ৰথম ৰাউণ্ডৰ খেলত বিশ্বৰ দ্বাদশ নম্বৰৰ থাইলেণ্ডৰ খেলুৱৈ ২১-১৬, ২১-১১ পইণ্টত পৰাজিত কৰে। দ্বিতীয় ৰাউণ্ডত অস্মিতাই চীনৰ হান ইউইৰ বিপক্ষে খেলিব। ভাৰতৰ আন এজন তৰুণ খেলুৱৈ মিঠুন মঞ্জুনাথেও আজি আন এক বৃহৎ অঘটন ঘটায়। তেওঁ পৰাজিত কৰে বিশ্ব বেডমিণ্টনৰ ৰূপ বিজয়ী তথা প্ৰাক্তন এক নম্বৰ খেলুৱৈ ভাৰতৰে কিদাম্বি শ্ৰীকান্তক। পুৰুষ ছিংগল্‌ছৰ প্ৰথম ৰাউণ্ডৰ খেলখনত মিঠুনে তেওঁৰ জ্যেষ্ঠ সতীৰ্থজনক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ২১-১৭, ১৫-২১, ২১-১৮ পইণ্টত পৰাজিত কৰে।

অৱশ্যে ভাৰতৰ আন তিনি আগশাৰীৰ খেলুৱৈ পিভি সিন্ধু, এইছ এছ প্ৰণয় আৰু ছাইনা নেহৱালে দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰগতি অৰ্জন কৰিছে। মহিলা ছিংগল্‌ছৰ প্ৰথম ৰাউণ্ডৰ খেলত দুবাৰৰ অলিম্পিক পদক জয়ী সিন্ধুৱে বেলজিয়ামৰ লিয়ান্নি টেনক ২১-১৫, ২১-১১ পইণ্টত পৰাজিত কৰে। আনহাতে, লণ্ডন অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী ছাইনাই স্বদেশৰে মালৱিকা বানছোড়ক ২১-১৮, ২১-১৪ পইণ্টত হৰুৱায়। পুৰুষৰ ছিংগল্‌ছৰ প্ৰথম ৰাউণ্ডৰ খেলত প্ৰণয়ে থাইলেণ্ডৰ ছিথিকম থাম্মাছিনক অতি সহজে ২১-১৩, ২১-১৬ পইণ্টত পৰাজিত কৰে।





# জাতিষ্কাৰৰ পৰা বেকাৰলৈ

ঃ আমাৰ আখামখনৰ ভাগ্যই বেলেগ বুজিছা।
ঃ কি ভাগ্য হ'ল?
ঃ ভাগ্য মানে আমাৰ আখামখন দৈনিক নতুন নতুন নামেৰে জাতিষ্কাৰ হৈ আহিছে।
ঃ কেনেকৈ?
ঃ বহু আগৰ কথা বাদ দিয়া, আন্দোলনৰ পাছৰ আখামখনৰ কথা ধৰাচোন।
ঃ ধৰিলো দিয়া। কি হ'ল?
ঃ আন্দোলনৰ পাছৰ আখামখন কি আখাম হৈছিল, মনত আছেনে?
ঃ নাই নহয়।
ঃ সোণৰ আখাম হৈছিল।
ঃ আখামখন সেই সময়ত সোণৰ হৈ গৈছিল নেকি?
ঃ নাই হোৱা।
ঃ সোণৰ খনি উদ্ধাৰ হৈছিল নেকি?
ঃ নাই হোৱা।
ঃ অফিচ-কাছাৰীবোৰ সোণৰ হৈ গৈছিল নেকি?
ঃ নাই হোৱা।
ঃ তেন্তে সোণৰ আখাম কেনেকৈ হ'ল?
ঃ সোণৰ আখামৰ ৰজা-মহাৰজাসকলৰ একাউণ্টত বাকচে বাকচে সোণ কিনিব পৰাকৈ নোট জমা হ'ল।
ঃ তাৰ পাছত?
ঃ তাৰ পাছত নতুন নতুন আখামৰ জন্ম হৈয়ে আছে।
ঃ নতুন আখাম মানে?
ঃ কোনোবা দিনা বিকাশশীল আখাম।
ঃ তাৰ পাছত?
ঃ কোনোবা দিনা প্ৰগতিশীল আখাম।
ঃ তাৰ পাছত?
ঃ উন্নয়নশীল আখাম।
ঃ তাৰ পাছত?
ঃ কৃষিজীৱী আখাম।
ঃ আৰু?
ঃ প্ৰত্যয়শীল আখাম।
ঃ আৰু?
ঃ মননশীল আখাম।
ঃ আৰু?
ঃ চিন্তাশীল আখাম। মুঠতে আমাৰ আখামৰ বহুত নাম।
ঃ নতুনকৈ কিবা নাম ওলাইছে নেকি?
ঃ নাই ওলোৱা কিন্তু ওলাব।
ঃ কি ওলাব?
ঃ জাতিষ্কাৰ আখাম।
ঃ আৰু?
ঃ পৰিষ্কাৰ আখাম। বানে সৱ চাফা কৰি থৈ যাব।
ঃ আৰু?
ঃ আৱিষ্কাৰ আখাম। নতুন নতুন আঁচনিৰ আৱিষ্কাৰ হ'ব।
ঃ আৰু?
ঃ টিকাকাৰ আখাম।
ঃ এইটো কি?
ঃ আখামৰ হাণ্ড্ৰেড পাৰ্চেণ্ট মানুহৰ টিকাকৰণ হ'ব।
ঃ আৰু?
ঃ সংস্কাৰ আখাম।
ঃ এইটো কি?
ঃ অফিচত ধুতি পিন্ধাটো বাধ্যতামূলক হ'ব। তেতিয়া কোনো কৰ্মচাৰীয়ে জেপ গৰম কৰিব নোৱাৰিব। কাৰণ ধুতিত জেপ নাথাকেই।
ঃ আৰু?
ঃ নিৰাকাৰ আখাম।
ঃ এইটো কি?
ঃ চাইনা-ভূটানে বান্ধৰ খুলি দিয়ে গেটেৰে নিৰাকাৰ পানী সোমাই গোটেই আখামখনকে নিৰাকাৰ কৰি পেলাব।
ঃ ৰাইজেও এইবোৰ কথাত বিশ্বাস কৰেনে?
ঃ নকৰে। ৰাইজৰ মতে, এইখনৰ এটা নামেই হ'ব লাগে বেকাৰ আখাম।

# ঈশ্বৰে শেষ ভৰসা গোৰেশ্বৰৰ বানপীড়িত ৰাইজৰ

## গোৰেশ্বৰত শুক্লাই নৈৰ পাৰত আয়তীৰ নাম-প্ৰসংগ ঃ শুক্লাই নৈক সন্তুষ্ট কৰিবলৈ জলদেৱতালৈ পূজা-অৰ্চনা



**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ১৩ জুলাই ঃ** বছৰটোৰ দ্বিতীয়টো বানত যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হোৱা তামুলপুৰ জিলাৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ কে'বাখনো গাঁও ৰাইজে এতিয়াও নিজকে প্ৰস্তুত কৰি ল'বই পৰা নাই। বানবিধ্বস্ত অঞ্চলটোৰ বহু লোকে এতিয়াও মথাউৰিৰ ওপৰতে জীৱন-নিৰ্বাহ কৰি থাকিবলগীয়া হৈছে। বগৰীবাৰীৰ বহু পৰিয়াল এতিয়াও আছে মথাউৰিৰ ওপৰত। ইপিনে, শুক্লাই নৈৰ বানে বেয়াকৈ ক্ষতিগ্ৰস্ত কৰা মাদলবাৰী-খৈৰাবাৰী, নাটকুছি আদিৰ বন্যাৰ্তই নাম-প্ৰসংগ, নৈবেদ্য আগবঢ়াই জলদেৱতাক সন্তুষ্ট কৰিবলৈ ব্যস্ত হৈ পৰিছে। কলৰ ভেল, নাও আদি সজাই নৈৰ পাৰতে নৈবেদ্য আগবঢ়াই হৰিৰ নাম গুণ গাই বানৰ তাণ্ডৱে যেন আৰু জুৰুলা নকৰে তাৰ বাবে ঈশ্বৰৰ শৰণাপন্ন হৈছে। ঘৰ-মাটি, কৃষিভূমি হেৰুৱাই জীয়াই থকাৰ তাড়নাত গোৰেশ্বৰৰ বানবিধ্বস্ত ৰাইজে এতিয়া শৰণ লৈছে ঈশ্বৰৰ ওচৰত। গোৰেশ্বৰৰ ৰাজহ চক্ৰৰ খৈৰাবাৰী-নাটকুছিৰ বানপীড়িতই এতিয়া শুক্লাই নৈক সন্তুষ্ট কৰিবলৈ জল দেৱতাক ১১ জুলাইত পূজা কৰাৰ লগতে নাম-প্ৰসংগত ব্যস্ত হৈ পৰিছে। অলপতে হৈ যোৱা প্ৰলয়ংকৰী বানৰ কবলত পৰি মাদলবাৰী, খৈৰাবাৰীৰ লগতে নাটকুছি চুবুৰীৰ বহু পৰিয়ালৰ কৃষি ভূমিকে ধৰি ঘৰ-দুৱাৰৰ লগতে সা-সম্পত্তি বিনষ্ট হৈছিল। খৈৰাবাৰী-মাদলবাৰীত বানৰ পানীয়ে তাণ্ডৱ সৃষ্টি কৰাৰ পিছত স্থানীয় জনপ্ৰতিনিধি ই এম ৰনেন্দ্ৰ নাৰ্জাৰী, ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতা আনকি বি টি আৰ প্ৰধান প্ৰমোদ বড়োই অঞ্চলটো পৰিদৰ্শন কৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যদিও শংকামুক্ত হ'ব পৰা নাই ৰাইজ। ইপিনে, বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই ভগ্ন স্থানত নৈৰ গতি ৰোধৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু জলদেৱতা যেন সন্তুষ্ট হোৱা নাই এইবোৰৰ পৰা। সেয়েহে বাৰে বাৰে বানে বিধ্বস্ত কৰিছে অঞ্চলটো। শ শ বিঘা কৃষি ভূমি এতিয়া বালিৰ তলত। জীয়াই থাকিবলৈ সাহস গোটাবলৈ সেয়েহে শুক্লাই নৈৰ পাৰতে স্থানীয় আয়তীসকলে একত্ৰিত হৈ পূজা কৰিছে জলদেৱতাক। কলৰ নাও তথা ভেল সাজি নৈবদ্য আগবঢ়াই শুক্লাই নৈলৈ প্ৰাৰ্থনা জনাইছে বানপীড়িত ৰাইজে। এতিয়া যেন ঈশ্বৰেই শেষ ভৰসা গোৰেশ্বৰৰ বানপীড়িতৰ।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720







**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com